7th June to 30 June
Vol — II

ALA proceedings 1978

# Legislative Assembly Debates

## OFFICIAL REPORT

**FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

DP598

## BUDGET SESSION

## VOL. I

## No. 20—30

**The 7th June 1978**

1984
PRINTED AT THE ASSAM GOVERNMENT PRESS,
GAUHATI

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur Gauhati on Wednesday, the 7th June, 1978 with the Hon'ble Deputy Speaker in the Chair, 10 (Ten) Ministers, 3 (Three) Ministers of State, 2 (Two) Parliamentary Secretaries and 76 (Seventy Six) Members present.

**Re : Assault on Shri Deba Bora, advocate, Nowgong**

Shri PROMODE CHANDRA GOGOI asked :

*100. Will the Chief Minister be pleased to state—

a) Whether it is a fact that Shri Deva Bora, Advocate Nowgong had lodged a comolaint to the O/C., Kampur Police Station in the Nowgong District on 25th February 1978 against certain persons for assaulting him during Election campaign ?

(b) If so, what action has been taken by the Police against the persons involved ?

Shri GOLAP BORBORA (Chief Minister) replied :

100. (a)—Yes.

(b)—On receipt of the complaint case No. 14 (2) 78 U/S 143/341/342/323/336/506, IPC of Kampur Police Station was registered and duly investigated by O/C., Kampur Police Station on investigation the case was found true U/S 323 IPC only hence the case was returned in F. R. as nonconizable to Police vide F. R. No. 38, dated 4th May 1978.

Shri PROMODE CHANDRA GOGOI : Mr. Deputy Speaker, Sir, when this report was submitted to the Police and whether the evidence of the complainant was taken by the Police ?

Shri KESHAB CHANDRA GOGOI (Minister, Finance) : Sir, it appears the case was returned in final form because it was found to be non cognizable to the Police. The procedure is that the Police can register a case if it is a conizable case and can examine the complainant. The Police must have examined the complainant.

Shri PROMODE CHANDRA GOGOI : Sir, my I know from the Honourable Finance minister whether the Police examined the complainant and other witnesses ?

Shri KESHAB CHANDRA GOGOI ( Minister, Finance ) : In a cognizable case it is the duty of the Police to examine all the witnesses and when the Police returned the case in F. R. under Section 323 IPC, they must have examined the witnesses.

Shri PROMODE CHANDRA GOGOI : Sir, my question is specific. The Police did not examine the complainant as reported by the complainant want to know whether the complainant was examined by the Police ?

Shri KESHAB CHANDRA GOGOI (Minister, Finance) :—In a case where the final report is submitted, Sir, under section 323 I.P.C., the case and it was found true than the Complainant can approach the Court under appropriate section of law. It is not necessary for the police to examine all the witnesses when the case was found non-cognizable,

Shri PROMODE CHANDRA GOGOI : Sir, my question has not been replied. Whether the Complainant was examined by the police or not ? I want to know it specifically.

Shri KESHAB CHANDRA GOGOI (Minister, Finance) :—Sir, for that purpose the Police Diary is not before me now. According to the procedure it can be said that without examining the Complainant they cannot return the case in F. R.

Shri PROMODE CHANDRA GOGOI :—Sir, in this particular case the complainant was an Advocate. Whether he was examined by the Police or not ?

Shri KESHAB CHANDRA GOGOI (Minister, Finance) :—Sir, I have already replied that the Police Diary is not with me now. If the Honourable Member insists I will collect the informations and inform the House at a later date.

Shri PROMODE CHANDRA GOGOI :—Sir, I insist it The Police diary may called for and the House may be informed whether the Complainant was examined by the Police or not.

Shri KESHAB CHANDRA GOGOI (Minister, Finance) :—Sir, I can assure the House that it will be done.

Shri NOORUL HUDA :—Sir, may I know from the Honouable Finance Minister the names of the persons against whom the case under section 323 IPC was found true ?

Shri KESHAB CHANDRA GOGOI (Minister, Finance) :—There are many as 20 persons including one Shri Guna Medhi. Others are Sarvashree Gunada Bhatta, Ajit Sarma, Biren Bora, Gunindra, Khagen, Rabi Das, Probin Saikia, Sankar Das, Manik Roy, Nirmaleswar Gohain and others.

Shri RANENDRA NARAYAN BASUMATARI :—Sir, whether the Advocate who was assulted was medically examined and if he was examined whether the injuries were simple or grievous and with what kind of weapon he was assulted ?

Shri KESHAB CHANDRA GOGOI (Minister, Finance) :—The injuries were found to be simple and casused by blunt weapon.

Shri PROMODE CHANDRA GOGOI :—Honourable Finance Minister has stated many names. May I know from the Minister, Finance some particulars about Shri Nirmaleswar Gohain ?

Shri KESHAB CHANDRA GOGOI (Minister, Finance):—Particulars are not available with me.

Shri PROMODE CHANDRA GOGOI :—May I know his father's name and other particulars ?

Shri KESHAB CHANDRA GOGOI (Minister, Finance):—Particulars are not available with me now.

Shri PROMODE CHANDRA GOGOI :—Will the Honourab Finance Minister supply all these informations ?

Shri KESHHB CHANDRA GOGOI (Minister, Finance):—These were not given at the time of giving the F. I. R.

Re : **Transport Facilities in Baghbar Constituency**

Shri M. IBRAHIM ALI asked :

*101. Will the Minister, Transport be pleased to state—

(a) Whether it is a fact that the Baghbar Constituency with more than 1·25 lakh of population remains disconnected from the Subdivisional headquarter at Barpeta due to want of transport service ?

(b) If so, whether Government propose to introduce Transport Corporation buses between Barpeta and Baghbar Hill Town via Mandia during the current financial year ?

(c) Whether Government will provide Transport Corporation buses from—

(1) Mandia-Dongra to Garala Bazar and

(2) Mandia-Palhaji P. W. D. Road during this year ?

Shri ZAHIRUL ISLAM (Minister, Transport) replied :

101. (a)—Mandia mouza of the Baghbar Constituency is connected by daily bus service from Borpeta. But it is a fact that a major portion of the constituency has no bus services with the Subdivisiona headquarter.

(b) & (c)—There is no proposal to nationalise any one of the routes mentioned by the Hon'ble Member during the current year.

Shri M. IBRAHIM ALI :—Sir may I know from the Honoutable Minister that 70,000 of the total population of Baghbar area remained cut off for six months. Transport service is not sufficient. Whether this transport service will be improved and extended by introducing Transport Corporation buses to this area ?

Shri ZAHIRUL ISLAM (Minister, Transport):—This matter will be considered.

Shri M. IBRAHIM ALI :Regarding Inland Water Transport we had consultations and periodic discussion with the Minister and we were informed that some progress has been made. May I know from the Minister, Transport, what progress has been made ?

Shri ZAHIRUL ISLAM (Minister, Transport): This is a new question. This question is connected with Inland Waser Transport and not with Road Transport.

**বিঃ তেজপুৰ কেন্দ্ৰীয় সমবায় বেংক**

**শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশীয়ে সুধিছে ঃ**

* ১০২ মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেজপুৰ কেন্দ্ৰীয় সমবায় বেংকত গ্ৰৰার্চ ডিপ'জিটৰ পৰিমাণ কিমান?

(খ) এই টকাখিনি যাৰ পৰা সংগ্ৰহীত কৰিছিল তেখেত সকলক ওলোটাই দিয়া হৰ নোঁৱে?

**শ্ৰীসোনেশ্বৰ বৰা (সমবায় বিভামৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

১০২ (ক)—১২,৪৬,৯৬৩·০০ টকা।

(খ)—বিধি নিয়ম অনুসৰি বেংকে ঘুৰাই দিব লাগে।

শ্ৰীগোলোক ৰাজবংশী ঃ— সেই টকা এতিয়াও ঘুৰাই দিব পৰা অৱস্থাত আছে নেকি?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰ) ঃ— যিহেতুকে কেন্দ্ৰীয় সমবায় বেংক আৰু এপেক্স বেংকৰ মাজাৰৰ কথা লৈ হাইকোর্টত কৰ্মচাৰী সকলে গোচৰ তৰিছে সেই কাৰণে গোটেই ঘটনাটো স্হগিত থকা কাৰণে টকা ঘুৰাই দিয়া হোৱা নাই।

শ্ৰীগোলোক ৰাজবংশী ঃ— বিষয়টো শেষ হলে টকা ঘুৰাই দিয়াৰ ব্যৱস্হা হবনে?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— হয়। তেনে ব্যৱস্হা কৰিবলৈ এপেক্স বেংকে ব্যৱস্হা কৰিছে।

শ্ৰীগোলোক ৰাজবংশী ঃ— পুজিত টকা আছে নে নাই?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— নিয়ম মতে থাকিব লাগে। আছেনে নাই সেইটো বৰ্ত্তমান হাতত নাই।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ—ডেপজিট দিয়া টকা ঘুৰাই দিয়া নিয়মত কিবা ব্যতিক্ৰম হৈছে নেকি?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ—১৯৬৪-৬৫ চনত সেই সময়ত চৰকাৰৰ নিৰ্দ্দেশ অনুযায়ী বেচা কিনা সমবায় সমিতিত ধান বেচিছিল আৰু যোগে আঁঠ অনাকৈ ডিপজিট ৰাখিছিল। সেইটো আইন সম্মত ভাবে আছিল আৰু সেই হিচাবে দিব লাগে।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ—গোটেই বিষয়টো এতিয়া ব্যতিক্ৰম হৈছে নোকি?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ—নাই হোৱা।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ—তেতিয়াহলে টকা ঘুৰাই দিয়াত কি অসুবিধা আছে?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী)ঃ—যিহেতু কেন্দ্ৰীয় সমবায় বেংকত জমা লোৱা হৈছিল আৰু বৰ্ত্তমান হাই-কোৰ্টত গোচৰ উত্থাপন কৰা হৈছে সেই কাৰণে গোটেই কথাটো স্হগিত আছে।

...চুদ্দিন আহমেদ ঃ— বেংক বিলাক আগৰ অৱস্হাতেই চলি আছে বুলি ধৰি লব নোৱাৰি

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী):— বেংক বিলাক চলি আছে। কিন্তু বিজাভ বেংকে কৰি দিয়া অৱস্থাতৰ লগত এইটো জড়িত।

শ্ৰীগিয়াচদ্দিন আহমেদ :—ডেপ'জিটৰে টকা ডেপজিত দিছে গতিকে নিয়ম অনুসাৰে সেই টকা ঘূৰাই পাব লাগে কিন্তু সেই ক্ষেত্ৰত কিয় ব্যতিক্ৰম হল ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী):—বেংকে টকা ঘূৰাই দিব লাগে কিন্তু সেই অনুপাতে সঞ্চিত টকা নাই কাৰণেই দিব নোৱাৰে আৰু যিহেতু এপেক্স বেংকৰ লগত কেন্দ্ৰীয় সমবায় বেংকৰ মাৰ্জাৰৰ কথাটো আহিছে সেইকাৰণে ঘূৰাই দিব লগীয়া অৱস্থা হলেহে টকাটো ঘূৰাই দিব পৰা হব। কথাটো হাইকোৰ্টত উঠা কাৰণে বিষয়টো সম্প্ৰতি স্থগিত আছে।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— গ্ৰেৱাচ ডেপ'জিটৰে বেংকত ডেপ'জিৰ বখাৰ পিচত চাৰ্মিল নোহোৱাৰ কাৰণেই টকাঘূৰাই দিয়া নহব নেকি ? আৰু যদি নহয় জনসাধাৰণে বেংকত টকা সঁচা আগ্ৰহত চেচা পানী ঢলা নহব নেকি ?

শ্ৰীসোনেশ্বৰ বৰা মন্ত্ৰী :—নিশ্চয় চেচাঁপানী ঢলা হব। বিশ্বাস ভঙ্গ কৰিলে ব্যৱসায় নচলে। এইটো সমবায় বেংকে নিশ্চয় লক্ষ্য কৰিব।

শ্ৰীগোলক কাকতি :— আচলতে আমি মূল প্ৰশ্নৰ পৰা আঁতৰি আহিছো। গ্ৰেৱাৰ্চ ডেপ'জিটৰে দিয়া টকা শাসন যন্ত্ৰৰ সুযোগ লৈ সমবায়ৰ কিছুমান কৰ্মচাৰীয়ে আত্মসাৎ কৰাৰ যি ব্যৱস্থা কৰিছিল সেই সকলক বিচাৰি উলিয়াই চৰকাৰে সমুচিত শাস্তি বিধান কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী):—তেনে ভাৱে টকা আত্মসাত কৰা অঘটন যদি ঘটাইছে সেইবিলাক নিশ্চয় চৰকাৰে বিবেচনা কৰিব।

শ্ৰীগোলক কাকতি :— আমি গাওঁত থাকি উপলব্ধি কৰিছো যে বহুত ক্ষেত্ৰত পাঁচ বছৰ ব্যৱস্থা নাই গতিকে এই বিষয়টো অত্যন্ত জৰুৰী আৰু গুৰুত্বপূৰ্ণ। বিধান সভাতো কেইবাৰাৰো আলোচনা হৈ গৈছে। এই ক্ষেত্ৰত বৰ্ত্তমান চৰকাৰৰ মনোভাব কি জানিব পাৰোনে? আৰু টকা ঘূৰাই দিয়াৰ ব্যৱস্থা চৰকাৰে হাতত লবনে ?

শ্ৰীসোমেশ্বৰ বৰা :— এইটো খাতাং কৈ কব নোৱাৰি। বহুত ক্ষেত্ৰত বহুত সমবায় সমিতিয়ে জমা থকা ধন দান-দক্ষিণা আদি দিয়াৰ কাৰণে প্ৰস্তাৱ কৰি গৈছে। মোৰ নিজৰ ঘৰতে ফৰকাটিং বেচা-কিনা সমবায় সমিতিত মোৰ ঘৰৰ ধান বিক্ৰী কৰিছিলো কিন্তু এতিয়াও পইচা পোৱা নাই। গতিকে মন্ত্ৰী সম্পৰ্কিতে সকলোৱে উদ্বিগ্নতা এই বিষয়ত আছে, গতিকে চৰকাৰে নিশ্চয় চাব।

শ্ৰীৰমেশ চন্দ্ৰ চহৰিয়া :— মন্ত্ৰী মহোদয়ৰ পৰা এই সংক্ৰান্তত মহামান্য হাইকোৰ্টত মোকদ্দমা চলি থকা বুলি জানিব পাৰিছো। যিহেতুকে এই গোটেই কথাটো স্থগিত হৈ আছে। গতিকে চৰকাৰৰ ফালৰ পৰা মহামান্য হাইকোৰ্টক এই কেচটো সোনকালে নিষ্পত্তি কৰিবলৈ অনুৰোধ কৰিব নোৱাৰেনে সেইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— মহামান্য হাইকোৰ্টৰ ওপৰত কোনো ব্যৱস্থা লোৱাৰ চৰকাৰৰ পোনপটীয়া ব্যৱস্থা বা উপায় নাই। কিন্তু কৰ্মচাৰী সকলৰ ফালৰ পৰা বিচাৰ নিবেচনা কৰি আছে যাতে বিষয়টো সোনকালে সমাধা হয়। সেই পৰিপ্ৰেক্ষিতত ইতিমধ্যে শিৱসাগৰ সমবায় বেংকৰ পৰা তেৰা দুটা গোচৰ উঠাই লৈছে আৰু শিৱসাগৰ সমবায় বেংক স্বতন্ত্ৰীয়া ভাৱে চলাবলৈ ব্যৱস্থা কৰা হৈছে। তেনেকুৱা আলোচনা কৰ্মচাৰী আৰু চৰকাৰৰ মাজত চলি আছে আৰু সকলোখিনি সমাধান কৰিব পৰা হব বুলি আশা কৰিছো।

বিঃ ডিব্ৰুগড় জিলা পৰীক্ষাগাৰ

**শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :**

১০৩ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

**(ক) ডিব্ৰুগড় জিলাত পৰীক্ষাগাৰ আছে নেকি ?**

**(খ) যদি আছে, ক'ত আছে ?**

**শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :**

**(ক)—হয়, আছে ।।**

**(খ)—ডিব্ৰুগড়ত এটা জিলা পৰীক্ষাগাৰ আৰু তিনচুকীয়াত এটা মহকুমা পৰীক্ষাগাৰ আছে ।**

শ্ৰীভদ্ৰেশ্বৰ গগৈ :—মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই পৰীক্ষাগাৰটো নতুন নে পুৰণা, নিজা ঘৰত আছে নে ভাড়া ঘৰত আছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) :—ডিব্ৰুগড়ত এটা ভাড়া ঘৰত আছে জিলা পৰীক্ষাগাৰটো আৰু মহকুমা পৰীক্ষাগাৰটো পুৰণা পৰাপৰবীৰ এটা ঘৰত আছে।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :—নতুনকৈ ঘৰ সজা নহবনেকি ? ভাড়াঘৰত কিমান দিনৰ পৰা আছে ? কিমান ভাড়া আৰু ঘৰটো কাৰ মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) :—ঘৰটো শ্ৰীৰাজখোৱাৰ। ঘৰটোত মাহে ছয় শ সত্তৰ টকা পঞ্চাশ পইচা ভাড়া।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— উপাধ্যক্ষ মহোদয়, ৰাজখোৱা বুলিলে আমি বুজি নপাওঁ, নামটো কব লাগে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) :—নামো কব পাৰি। শশীধৰ ৰাজখোৱা, ভাড়া ৬০৭·৫০। ডিব্ৰুগড় জিলা পৰীক্ষাগাৰৰ নিৰ্মাণ কাৰ্য্য হৈ আছে আৰু অলপতে এইটো সম্পূৰ্ণ হব বুলি ভবা হৈছে।

**Mr. Deputy Speaker :** Now let us pass on to Question No. 104

**Shri NURUL HUDA :** Mr. Deputy Speaker, Sir, may I bring it to your notice that you are rushing thaught the questions. The Hon'ble members shoule be given sometime to put supplementaries.

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— উপাধ্যক্ষ মহোদয়, কিমান টকা ভাৰা সেইটো কলে, এই ঘৰটো নতুন নহয় নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— অলপতে হব।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— কিমান টকা মঞ্জুৰী দিয়া হৈছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) তাৰ কাৰণে ১৪,৯৫৩৫১ টকা মঞ্জুৰী দিয়া হৈছে, এতিয়া ১২ লাখৰ ওপৰ খৰচ কৰা হৈছে। পি, ডবলিউ ডিৰ পৰা আৰু কিছু ধন ধাৰ্য্য কৰিবলৈ কোৱা হৈছে বিশেষকৈ শব্দ শক্ত নিবৃপন কৰিবলৈ আৰু বহাৰ ব্যৱস্থা কৰিবলৈ আৰু কিছু টকাৰ প্ৰয়োজন হব। এইটো এতিয়া শিক্ষা বিভাগলৈ আহিছে আৰু শিক্ষা বিভাগে বিত্ত বিভাগলৈ মঞ্জুৰী দিবলৈ আবেদন কৰিছে। আগষ্ট মাহৰ আগ ভাগতে সম্পূৰ্ণ কৰি লোৱাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে নিৰ্দেশ দিছে।

শ্ৰীবিপিন হাজৰিকা :—উপাধ্যক্ষ মহোদয়, এই নিৰ্মাণ কাৰ্য্য কিমান দিনৰ পৰা চলিছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— এইটো পোন্নতে ১৯৭১ চনতে আৰম্ভ হৈছিল, কিন্তু ১৯৭১ চনত ৰাজহুৱা এটা দাবীৰ সন্দৰ্ভত ১৯৭২ চনলৈ কৰিব পৰা নাছিল ১৯৭২ চনত আৰম্ভ হোৱাৰ পিচত সামগ্ৰীৰ অসুবিধা হোৱাৰ কাৰণে ১৯৭৪ চনলৈকে বন্ধ হৈ আছিল। ১৯৭৪ চনত যেতিয়া সামগ্ৰী দিব পৰা হল তেতিয়া সামগ্ৰীৰ দাম বঢ়াবৰ কাৰণে আৰু এই ধৰণৰ অসুবিধাবোৰৰ কাৰণে ১৯৭৬ চনৰ পৰা ঠিকাদাৰকৈ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে অসমৰ আৰু কোন কোন জিলাত অস্থায়ী ঘৰত এনেদৰে পুথিভঁৰাল চলিআছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, জনাব পৰা যাব যদি মাননীয় সদস্যই ইয়াৰ বাবে এটা বেলেগ প্ৰশ্ন কৰে।

Shri RANENDRA NARAYAN BASUMATARI: Sir, in view of the fact that almost all the District Libraries and Subdivisional Libraries have been functioning in rented houses, whether Government has got policy to have permanent buildings of its own and, whether Government has also got a plan to construct permanent Subdivisional Library at Kokrajhar as the Kokrajhar Library is functioning in a rented house ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী :—(মন্ত্ৰী) উপাধ্যক্ষ মহোদয়, এইটো চৰকাৰী ভাবা ঘৰ, ভাবাঘৰত পুথিভঁৰাল চলোৱা কথাটো মনঃপূত হোৱা নাই আৰু সেই কাৰণে প্ৰত্যেক জিলা আৰু মহকুমাত পুথিভঁৰাল নিজৰ ঘৰত পাতিবলৈ চৰকাৰে স্থিৰ কৰিছে। তিনিচুকীয়াৰ কথাটো হৈছে মাটি বন্দবস্তৰ কাৰণে ৰাজহ বিভাগৰ পৰা সম্পূৰ্ণ সন্মতি আহিলে ঘৰ বন্ধা কাম কৰিব পৰা যাব।

কোকৰাঝাৰতো তেনে অৱস্থাই চলি আছে। প্ৰশ্নটো যিহেতু ডিব্ৰুগড়ৰ হে আছিল সেইকাৰণে কোকৰাঝাৰৰ সম্পূৰ্ণ কথাটো মোৰ হাতত নাই চৰকাৰে নিজৰ ঘৰত পুথিভঁৰাল পাতি ৰাইজক সকলো সা-সুবিধা দিয়াৰ কাৰণে চেষ্টা চলাই আছে।

শ্ৰীপ্ৰাণ মেধি :— উপাধ্যক্ষ মহোদয়, মবাইল পুথিভঁৰালৰ ব্যৱস্থা চৰকাৰে লৈছে নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— ইয়াৰ-বাবে এটা বেলেগ প্ৰশ্ন হলে ভাল হয়, তথাপি কও যে এই বিধ পুথিভঁৰালৰ ব্যৱস্থা আছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এইটো কথা জানেনে কি যে গোৱালপাৰা মহকুমাত প্ৰাক ঐতিহাসিক যুগৰ পৰাই জিলা পৰ্থি ভৰাল নোহোৱা অৱস্থাত চলি আছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, এইটো যদি এই ৰকমে হৈ আছে তেন্তে দুৰ্ভাগ্যৰ বিষয়।

(Starred Question No. 104 was not put, the member being absent)

## Re: Panel Advocates

Shri KIRON CHANDRA BEZ-BARUAH asked:

*105. Will the Minister, Judicial be pleased to state—

(a) The present strength of the Panel of Government Advocates is the Gauhati High Court?

(b) The criterion for selecting Government Advocates for the panel in the Gauhati High Court?

(c) The length of experience of each member of the existing panel together with the date of their enrolment as Advocate

Shri KESHAB CHANDRA GOGOI (Minister, Judicial) replied:

105. (a)—There are 18 (eighteen) Panel Advocates in the Gauhati High Court at present.

(b)—The panel is constituted by the Government in consultation with the senior Government Advocate.

(c)—

| Name of Advocates | Length of practice | Date of enrolment |
|---|---|---|
| 1. Shri B. M. GOSWAMI | More than 25 year | 16-2-53 |
| 2. Md. S. ALI | More than 15 years | 6-12-62 |
| 3. Shri S. R. BHATTA-CHARJEE | 11 years | 29-5-67 |
| 4. Shri M. SARMA | about 8 years | 16-6-70 |
| 5. Shri D. KONWAR | 10 years | 27-5-68 |
| 6. Shri C. R. DEY | More than 10 years | 21-11-67 |
| 7. Shri D. K. HAZARIKA | More than 15 years | 25-9-62 |
| 8. Shri J. N. SARMA | about 15 years | 4-6-63 |

| | | | |
|---|---|---|---|
| 9. | Shri KUMAR INDRA PRASSAD | More than 14 years | 7-4-64 |
| 10. | Shri A. C. DEKA | More than 7 years | 25-1-71 |
| 11. | Shri G. C. SARMA | More than 12 years | 9-3-66 |
| 12. | Shri A. C. BORA | More than 12 years | 22-2-66 |
| 13. | Smti KUNTALA DEKA | More than 10 years | 8-9-67 |
| 14. | Shri A. PHUKAN | More than 7 years | 14-12-70 |
| 15. | Shri N. M. GANGULI | More thon 23 years | 13-9-54 |
| 16. | Md. S. RAHMAN | More than 12 years | 15-2-66 |
| 17. | Shri A. S. BHATTA-CHARJEE | More than 13 years | 24-8-64 |
| 18. | HAREN DAS | More than 6 years | 17-12-71 |

Shri KIRON CHANDRA BEZBARUAH. Will the Minister incharge of Judicial Affairs be pleased to state whether the experience, as is shown against each of the individuals are experiences in the High Court or are they for the first time came to the High Court after their intments in the panel of the High Court Advocates?

Shri KESHAB CHANDRA GOGOI (Minister): Years of experience and the length of practice as an advocate is shown from tle date of enrdment. It may not be in the High Court alone may be elsewhere also.

Shri KIRON CHANDRA BEZBARUAH: Is it a fact that majority of the advocates have come for the first time in the High Court and appeared on behalf of the Government of Assam?

Shri KESHAB CHANDRA GOGOI (Minister): Might be.

Shri KIRON CHANDRA BEZBARUA: Is it considered a safe thing to the Government to appoint senior advocates to plead on behalf of the Government in High Court where a lot of criminal and civel suits are lying before the High Court?

Shri KESHAB CHANDRA GOGOI: (Minister): From the information received by me, I may disclose before the honourable House, that at least 4 persons namely, Shri A. C. Bora, Shri A. Phukan Shri A. S. Bhattacharjee and Shri H. Das were included in the panel as desired by the Ex-Minister, Law and others are incleded in consultation with the senior Government Advocate.

Shri KIRON CHANDRA BEZBARUAH: Most of the Advocate are primarily members of the Youth Congress and they are aligned to the Congress Party-is it a fact?

Shri KESHAB CHANDRA GOGOI: (Minister) I cannot agree to it. Because the list was recommended by the Senior Government Advocate.

Shri PREMADHAR BORA: May I know from the hon. minister whether some of the appointments were made on political consideration and hence their cases were given priority?

Shri KESHAB CHANDRA GOGOI: (Minister) I cannot say what the previous Government did, but I can assure the House that no appointments will be made henceforward on political consideration.

Shri PREMADHAR BORA: In view of the reply of the Minister can we expect that no appointments would be made on political consideration and only the deserving candidates would be appointed keeping in view the changed political atmosphere?

Shri KESHAB CHANDRA GOGOI: (Minister) We have appointed a new senior Government advocate and the panel of advocates are prepared in consultation with the senior Government advocate. The advocates are to help the senior Government advocate in the High Court and on his recommendations other are appointed, who are having experience and proficiency-

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—শ্ৰীসিতেশ দাস নামৰ যি জন জুনিয়ৰ এডভোকেটৰ এপইণ্টমেণ্ট দিয়া হৈছে তেওঁৰ স্পেচিয়েল কুৱালিফিকেচন হৈছে তেখেত ল' চেক্ৰেটাৰীৰ খুলশালীয়েক এই কথাটো হয়নে নহয় ?

Shri KESHAB CHANDRA GOGOI: (Minister) If a notice is given, I can reply to this question later on.

Shri KIRON CHANDRA BEZBARUAH: Will the Jucical Affairs Minister be pleased to state that in future appointments would be given only to the persons who are having experience of conducting cases in the High Court?

Shri KESHAB CHANDRA GOGOI (Minister): I can assure the honourable member and the honourable House that it would be done.

Shri SHAMSUL HUDA: May I know whether the desire of the Law Minister is also taken as a basis of such appointments?

Shri KESHAB CHANDRA GOGOI (Minister): The Law does not permit that, but this has been done.

Shni SAMSUL HUDA: Would it be revised?

Shri KESHAB CHANDRA GOGGI: (Minister) I have already stated that this practice would be discontinued.

শ্ৰীমতী আনন্দবালা টাইমুৰ ঃ— তেজপুৰত শ্ৰীমহীকান্ত দাস চিনিয়ৰ গভৰ্মেণ্ট এডভোকেটক আঁতৰুৱা হৈছে তেখেতে জনতা পাৰ্টিক সমৰ্থন নকৰাৰ কাৰণে, ৰাজনৈতিক কাৰণত। এই কথাটো হয়নে নহয় ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী):— তেওঁলোকৰ চিনিয়ৰ এডভোকেট নাই। সদস্য গৰাকীয়ে শব্দটো খবৰটো আনিলে পৰীক্ষা কৰি চাব পৰা হ'ব।

শ্ৰীগোলোক কাকতি: তেওঁলোকৰ শ্ৰীপ্ৰফুল্ল বৰঠাকুৰ যদুৰ্ক কংগ্ৰেছৰ নোহোৱাৰ কাৰণেই আত্ম-হত্যা হৈছে এই কথা সচানে ?

শ্ৰী কেশৱ চন্দ্ৰ গগৈ :—(মন্ত্ৰী) শ্ৰী বৰঠাকুৰক মই চিনি পাওঁ। তেওঁ এজন ভাল এডভোকেট। তেওঁক কিয় আত্মহত্যা হল সেই কথা পৰীক্ষা নকৰাকৈ কব নোৱাৰি।

Shri SAMSUL HUDA: Whether the present Government would do away with the system of appointment of advocates as per desires of the Ministers ?

Shri KESHAB CHANDRA GOGOI: (Minister) It has already been done away with. I have stated about the procedure being followed in respect of appointment of Government advocates. Let me say it elaborately. The Government advocates in the district courts would be appointed on the recommendation of the Deputy Commissioner and the D. C. is to recommend such cases in consulation with the District Judge. The Assistant Public prosecutors would be appointed on the recommendation of the D. C. and S. D. Os. which they should submit in consultation with C. J. Ms. & S. D. J. Ms.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—ভৱিষ্যতে যাতে ল চেক্ৰেটাৰীৰ খলশালীয়েকক এপইণ্টমেণ্ট দিয়া নহয় এইটো এচিওৰেন্স দিব পাৰিব নে ?

শ্ৰী কেশৱ চন্দ্ৰ গগৈ :—(মন্ত্ৰী) এইটো এচিওৰেন্স দিব নোৱাৰি। ল' চেক্ৰেটাৰীৰ খলশালীয়েক কুৱালিফাইড হলে আৰু তেওঁৰ নাম পেনেলত আহিলে লব লাগিব।

Shri GIASUDDIN AHMED. Whether the political consideration would be continued in the matter of appointment of Government advocates ?

Shri KESHAB CHANDRA GOGOI: (Minister) I have already answered this question and I have categorically stated about it.

Shri KIRON CHANDRA BEZBARUAH: There is a bar as per Bar Council Act to approach the Minister for the purpose of getting himself enrolled in the panel.

Shri KESHAB CHANDRA GOGOI (Minister): I was a member of the Bar Council and I know that under the Act no Advocate can come to anybody soliciting appointment as Government advocate public prosecutor etc.

Shri KIRON CHANDRA BEZBARUA: Then is it a fact that some of the advocates have approached the Minister personally to get their names enrolled in the panel list ?

Shri KESHAB CHANDRA GOGOI: (Minister) I agree to this I have asked them not to approach in such a manner in future.

বিঃ বাঘবৰ পাহাৰত শিলৰ কুৱেৰী খোলাৰ আঁচনি

শ্ৰীএম, ইব্ৰাহিম আলিয়ে সুধিছে ঃ

* ১০৬ মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বাঘবৰ পাহাৰত শিলৰ কুৱেৰী খোলাৰ কিবা আঁচনি আছে নেকি ?

(খ) যদি আছে, তেন্তে এই কাম কেতিয়া আৰম্ভ হব ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বন বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে ঃ

(ক)—নাই।

(খ)—প্ৰশ্ন নুঠে।

শ্ৰী ইব্ৰাহিম আলি ঃ— উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে—যে, কি কাৰণত শিলৰ কোৱাৰী খুলিব পৰা নাই ?

শ্ৰী সমৰ ব্ৰহ্ম চৌধুৰী ঃ— (মন্ত্ৰী) কোৱাৰীলৈ যাবলৈ ৰাস্তা নাই কাৰণে।

শ্ৰী ইব্ৰাহিম আলি ঃ— ৰাস্তা হলে খুলিব পাৰিবনে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ—ৰাস্তা হলে লোকেলি দিমাণ্ড আহিলে খুলিব পৰা হব।

শ্ৰীআক্ৰাম হুচেইন ঃ— এই পাহাৰটো শিলৰ পাহাৰ নহয় মাটিৰহে পাহাৰ এইটো কথা হয়-নেকি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) এইটো পৰীক্ষা কৰি চাবলাগিব।

শ্ৰীআক্ৰাম হুচেইন ঃ—এইটো শিলৰ পাহাৰনে মাটিৰ পাহাৰ এইটো কথা কেটেগৰিকেলি কব লাগে।

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) ঃ—স্পেচিফিক প্ৰশ্ন দিলে খবৰ কৰা হব।

বিঃ পানী যোগানৰ বাবে চৰকাৰী ঋণ

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ঃ

* ১০৭ মাননীয় প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নগৰ বিলাকত পানী যোগানৰ ক্ষেত্ৰত কেইখন পৌৰ নিগমৰ পৰা চৰকাৰী সাহাৰ্য্যৰ কাৰণে আবেদন কৰিছে ?

(খ) এই আৰ্থিক সাহায্যৰ ক্ষেত্ৰত, আগস্থান দিয়াত চৰকাৰে কেনে নীতি গ্ৰহণ কৰিছে ?

(ঘ) বঙাপাৰা টাউন কমিটিৰ তৰফে এনে আবেদন পঠোৱা হৈছে নেকি ?

(ঘ) যদি তেনে আবেদন চৰকাৰে পাইছে, তেনেহলে তাৰ ওচৰত চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীজহিৰুল ইছলাম (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১০৭ (ক)—যোৱা পাঁচ বছৰৰ ভিতৰত ১৬ (ষোল্ল) খন পৌৰ প্ৰতিষ্ঠানৰ পৰা আবেদন পোৱা হৈছে ।

(খ) — সাধাৰণতে পৌৰ প্ৰতিষ্ঠানত পানী যোগানৰ শিতানত পৰ্যাপ্ত অৱস্থালৈ চাই আৰু আবেদনকাৰী পৌৰ প্ৰতিষ্ঠানৰ ঋণ পৰিশোধ কৰাৰ বিত্তীয় ক্ষমতা বিবেচনা কৰি পানী যোগানৰ ব্যৱস্থা কৰিবলৈ চৰকাৰী ঋণ দিয়াত আগস্থান দিবলৈ ঠিক কৰা হয়।

(গ)—হৈছে।

(ঘ)—বঙাপাৰাৰ নগৰ সমিতিৰ বৰ্তমান বিত্তীয় অৱস্থালৈ চাই দেখা যায় যে এই নগৰ সমিতিয়ে নগৰত পানী যোগানৰ ব্যৱস্থা হাতত লব পৰাকৈ ঋণ লব পৰা অৱস্থালৈ অহা নাই।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী ঃ—যি বিলাক সৰু টাউনৰ বিত্তীয় অৱস্থা বেয়া অথচ খোৱা পানীৰ আবশ্যক খুব বেচি, সেই দৃষ্টিভঙ্গীত ঋণ দিয়াৰ ক্ষেত্ৰত বিবেচনা কৰা হৈছে নেকি ?

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী) ঃ—ইমান দিনে বিবেচনা কৰা হোৱা নাছিল ।

শ্ৰীগোলোক ৰাজবংশী ঃ— নতুন চৰকাৰে বিত্তীয় সমস্যাটোলৈ নাচাই আবশ্যকতাৰ কথাটো বিবেচনা কৰি ঋণ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী) ঃ—ঋণ দিয়াৰ ক্ষেত্ৰত অসুবিধা হবা গ্ৰান্ট দিয়াৰ ক্ষেত্ৰত বিবেচনা কৰা হব

Shri PROMODE CHANDRA GOGOI— Sir, the Hon'ble Minister in reply to (A) has stated that 16 municipalities have applied for this scheme May I know from the Hon'ble Minister whether these water supply schemes are implemented through the Public Health Engineering Department or through the Municipalities ?

Shri ZAHIRUL ISLAM (Minister)— Sir, through the Public Health Engineering Department.

Shri PROMODE CHANDRA GOGOI— Sir, whether it is a fact that in some municipalities there are many anomalies with regard to the accounts between the Municipal Boards and the Public Health Department ?

Shri ZAHIRUL ISLAM (Minister)— There might be, sir.

Shri PROMODE CHANDRA GOGOI—Sir, may I know from the Hon'ble Minister whether a large number of municipalities have submitted representations to the Government to finalise the irregularities that are existing between the Municipalities and the Public Health Department

Shri ZAHIRUL ISLAM (Minister)— Sir, it is a new question.

Shri PROMODE CHANDRA GOGOI— Sir, the Hon'ble Minister has stated that it is a new question. But, sir, it is not a new question. I am asking whether Government is aware of the fact that some Municipalities have submtted representations to the Government to finalise the existing anomalies between the Municipalities and the Public Health Department ?

Shri ZAHIRUL ISLAM (Ministers)— Sir, if a specific allegation is brought it will be enqured into.

শ্ৰীকিৰণ বেজবৰুৱা ঃ—মন্ত্ৰী মহোদয়ে কলে যে ১৬ খন দৰ্খাস্ত চৰকাৰৰ ঘৰত পৰি আছে। এই খিনি কেতিয়াৰ পৰা পৰি আছে ?

শ্ৰীজেহিৰুল ইছলাম ঃ—(মন্ত্ৰী) বহুদিনৰ পৰা পৰি আছে।

শ্ৰীকিৰণ বেজবৰুৱা ঃ—আগৰ চৰকাৰৰ দিনৰ পৰা পৰি আছে নেকি?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ—আগৰ চৰকাৰৰ দিনৰ পৰা পৰি আছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ—অধীক্ষ মহোদয়,—

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ—বৰপেটাত দিয়া হৈছে ১৫ লাখ ৬৩ হাজাৰ, মঙ্গলদৈত দিয়া হৈছে ১৩ লাখ ৫০ হাজাৰ, অভয়াপুৰীত দিয়া হৈছে ৪ লাখ, চিলচৰত ৫ লাখ, কৰিমগঞ্জত ৫ লাখ, নাজিৰাত ৪ লাখ ৫০ হাজাৰ, টিহুত ২লাখ ৪৭ হাজাৰ, নগাঁৱত ৮লাখ, হোজাইত ৩ লাখ। নলবাৰীত ৪ লাখ ৫০ হাজাৰ, হাইলাকান্দিত ৪ লাখ ৫০ হাজাৰ, ঢেকিয়াজুলিত ৩লাখ, আমগুৰীত ৩লাখ দিয়া হৈছে।

শ্ৰীকিৰণ বেজবৰুৱা ঃ—পুৰণা খিনিৰ কাৰণে নে নতুন বিনেভেট কৰিবৰ কাৰণে?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ—পুৰণাও আছে আৰু নতুনও আছে।

শ্ৰীখগেন বৰবৰুৱা ঃ—কিছুমান মিউনিচিপেলিটি বা টাউন কমিটিত এনেই পানীযোগান দিয়া হৈছে আৰু কিছুমানত ঋণ লবৰ কাৰণে বাধ্য কৰা হৈছে, এই পাৰ্থক্য কিয় কৰা হৈছে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ—এইটো চাব লাগিব।

চৈয়দা আনোৱাৰা টাইমুৰ ঃ— মন্ত্ৰী মহোদয়ে মঙ্গলদৈত ১৩ লাখ টকাৰ সাহায্য দিয়াৰ কথা কৈছে মঙ্গলদৈৰ খোৱা পানী ৰব বেয়া, গতিকেপলম নকৰি এইটো কেতিয়া কাৰ্য্যকৰী কৰা হব জনাবনে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ—মঙ্গলদৈ ১৯৭৩ চনত দৰ্খাস্ত কৰিছিল আৰু ১৫ লাখ ৫২ হাজাৰ টকা বিচাৰিছিল। নতুন চৰকাৰে ১৩ লাখ ৫০ হাজাৰ টকা চেংচন কৰিছে।

শ্ৰীগোলোক ৰাজবংশী :—এই টাউন কমিটি বা মিউনিচিপেলিটি বোৰক গ্ৰান্ট দিয়া হয়নেকি।

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী) :—গ্ৰান্ট দিয়াহোৱা নাই।

শ্ৰীঅতুল গোস্বামী :—মঙ্গলদৈ টাউনত—

Mr. Deputy Speaker : I request the Hon'ble Members to speak one after another. When one Hon'ble Member speaks, other Hon'ble Members should not interfere.

শ্ৰীঅতুল গোস্বামী :—মঙ্গলদৈত পানী যোগান আঁচনিৰ কাৰণে ১৯৭৩ চনত দৰ্খাস্ত কৰিছিল আৰু মঙ্গলদৈৰ পানী বেয়া বুলি আগৰ প্ৰশ্নকৰ্ত্তাই কৈছে। ১৯৭৩ চনৰ পৰা ১৯৭৮ চনলৈ এই সময় চোৰাত দিয়া হৈছিল নেকি ?

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী) :—পানী যোগান দিয়া হোৱা নাই।

শ্ৰীচামচুল হুদা :—যি বিলাক মিউনিচিপেলিটি বা টাউন কমিটিৰ টকা ধাৰে লোৱা ক্ষমতা নাই, অথচ সেই বিলাকক পানী লাগে। সেই সৰু সৰু টাউনৰ গাতে লাগি থকা গাঁও বিলাকত খোৱা পানী যোগান ধৰাত কিবা বাধা আছেনেকি ?

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী) :—এইটো টাউন কমিটিয়ে কৰে।

শ্ৰীএ, এন, আক্ৰাম হুছেইন :—পানী যোগানৰ বাবে টকা চাবেন্দাব কৰা হৈছে, নেকি ?

শ্ৰীজোহিৰুল ইছলাম (মন্ত্ৰী) :—চহৰত পানী যোগানৰ ক্ষেত্ৰত চাবেন্দাব কৰা হোৱা নাই।

**বি : বুঢ়ীদিহিং নদীৰ এৰাসুতীত মাছৰ মহল**

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

১০৮ মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বুঢ়ীদিহিং নদীত কেইখন এৰাসুতী আছে ?

(খ) এৰাসুতী বিলাকৰ মাছৰ ডাক হয় নেকি ?

(গ) যদি হয়, বুঢ়ীদিহিং নদীত মাছৰ মহল কেইটা আছে ?

শ্ৰীলীলাময় দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১০৮ (ক)—বুঢ়ীদিহিং নদীত ছয়খন এৰাসুতী আছে।

(খ)—ছয়খন এৰাসুতীৰ ভিতৰত চাৰিখনৰ ডাক হয়।

(গ)—বুঢ়ীদিহিং নৈৰ এৰাসুতীক লৈ দুটা মাছৰ মহল আছে।

শ্ৰীভদ্ৰেশ্বৰ গগৈ ঃ— বৰ্দৈচিদিহিং নদী যিকেইজন দাক লয়, সেই একে কেইজনেই এৰা-সৃতীৰ দাক লয় নেকি ?

শ্ৰীলীলাময় দাস ঃ— বৰ্দৈচিদিহিংৰ ছয়টাএৰাসৃতী আছে। সেই কেইটা হল -মেৰেমীয়া, হাতীবন্ধা, কেন্দ্ৰগদ্ৰবী, গদ্ৰবীয়া, নতুন বলাই, কলাখোৱা, চাৰালি। ইয়াৰে মেৰেমীয়া, হাতীবন্ধা, আৰু কেন্দ্ৰগদ্ৰবী এৰসৃতী তিনিখন দিহিং তৃতীয় খণ্ড মীন মহলৰ অন্তৰ্ভূক্ত। গদ্ৰবীয়া এৰাসৃতী দিচাংজান মীন মহলত অন্তৰ্ভূক্ত। বাকী নতুন বলাই এৰাসৃতী আৰু কলাখোৱা চাৰিআলি এৰা-সৃতী চৰকাৰী পঞ্জীভূক্ত মীন মহল নহয়।

শ্ৰীভদ্ৰেশ্বৰ গগৈ ঃ—এৰাসৃতী সৃষ্ট হোৱাৰ পিচত অৰ্বাজিন নৈ আৰু এৰাসৃতীৰ দাক দিওঁতে পৃথক কৰিব নোৱাৰিনেকি?

শ্ৰীলীলাময় দাস (মন্ত্ৰী) ঃ—তেনেকুৱা প্ৰপদ্ৰজেল আমাৰ হাতত নাই।

শ্ৰীএ, এন, আক্ৰাম হুচেইন ঃ—এই এৰাসৃতী বিলাক কাক দিয়া হৈছে আৰু কাক কাক দিয়া হোৱা নাই? কি নীতিত এৰাসৃতী বিলাক দিয়াহয়? এই এৰাসৃতীৰ পৰা চৰকাৰৰ লাভ হৈছে নে লোকচান হৈছে?

শ্ৰীলীলাময় দাস (মন্ত্ৰী) ঃ—এইটো বেলেগ প্ৰশ্ন।

শ্ৰীফণি মেধী ঃ—ফিচাৰী কৰপেৰেচনে অসমৰ কেইটা বিল লৈছে?

শ্ৰীলীলাময় দাস (মন্ত্ৰী) ঃ—এইটো বেলেগ প্ৰশ্ন।

শ্ৰীকিৰণ বেজবৰুৱা ঃ—এই যে দাক দিয়া হয়, এই বিলাক কংগ্ৰেছী মেম্বাৰক দিয়া হয়নেকি?

শ্ৰীলীলাময় দাস (মন্ত্ৰী) ঃ—তেনেকৈ নিদিও।

শ্ৰীকিৰণ বেজবৰুৱা ঃ—অধ্যক্ষ মহোদয়, আগৰ চৰকাৰে দিছিলনেকি?

শ্ৰীলীলাময় দাস (মন্ত্ৰী,) ঃ—চৰকাৰে যদি দিছিল তেনেকুৱা খবৰ মোৰ হাতত নাই।

শ্ৰীঅতুল গোস্বামী ঃ— উপাধ্যক্ষ মহোদয়, এৰাসৃতী আৰু অন্য মহলৰ মাজত কি পাৰ্থক্য আছে?

শ্ৰীলীলাময় দাস (মন্ত্ৰী,) ঃ—তেনে প্ৰশ্নৰ যৰ্থাক্ত মই দেখা নাই। এই এৰাসৃতী কোনবিলাক এইটো পৰীক্ষা কৰি থকা হৈছে আৰু ব্যৱস্থা লোৱাৱা হব।

Starred Question No. 109 was not put, the member **being absedt.**

বিঃ চাহ বাগানৰ শিক্ষিত নিৱনুৱা

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ঃ

১১০ মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চাহ বাগানৰ মজদুৰ সকলৰ মাজত ক্ৰমান্বয়ে শিক্ষিত যুৱকৰ সংখ্যা বাঢ়ি নিবনুৱা সমস্যাৰ সৃষ্টি হোৱাৰ কথা চৰকাৰে জানেনে?

(খ) যদি জানে, তেন্তে এই যুৱকসকলক নিয়োগৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ কিবা বিশেষ ব্যৱস্থা লবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১০ (ক)—চাহ বাগানৰ শিক্ষিত নিবনুৱাৰ প্ৰকৃত তথ্য-পাতি চৰকাৰৰ হাতত নাই। কিন্তু এইটো সঁচা যে চাহ বাগানতো শিক্ষা বিস্তাৰৰ লগে লগে শিক্ষিত নিবনুৱাৰ সমস্যা দিনে দিনে বাঢ়ি আহিছে।

(খ)—চাহ বাগানৰ অনুসূচীত জাতিৰ আৰু অনুসূচীত জনজাতিৰ আৰু অন্যান্য পিচ পৰা সম্প্ৰদায়ভুক্ত লোকসকলে বিধিগত ভাবে অগ্ৰাধিকাৰ পাব। কিন্তু অকল চাহ বাগানৰ শ্ৰমিক বুলি অগ্ৰাধিকাৰ দিব পৰা কোনো বিধিগত ব্যৱস্থা নাই।

শ্ৰীগোলোক ৰাজবংশী ঃ— উপাধ্যক্ষ মহোদয়, চাহ বাগান বিলাকত নিয়োগৰ ব্যৱস্থাত যাতে শিক্ষিত লৰা বিলাকে অগ্ৰাধিকাৰ পায় তাৰ বাবে চৰকাৰে ব্যৱস্থা কৰিবনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) ঃ—সাধাৰণতে চাহ বাগান বিলাকত নিযুক্তি বাগানৰ মালিক সকলে দিয়ে। চৰকাৰৰ হাতত তাৰ কোনো হাত নাই।

শ্ৰীফণি মেধি ঃ—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এইটো জনাবনে যে, চাহ যোগান বিলাকত আগৰ যিটো মেন পাৱাৰ আছিল সেইটো এতিয়া একেবাৰে কমি গৈছে আৰু কেজুৱেলেটিত ৰূপান্তৰিত হৈছে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) ঃ— এইটো এটা বেলেগ প্ৰশ্ন।

চৈয়দা আনোৱাৰা টাইমুৰ ঃ—উপাধ্যক্ষ মহোদয়, বাগান বিলাকত শিক্ষিত নিবনুৱা আৰু আমাৰ যিবিলাক শিক্ষিত যুৱক নিবনুৱা আছে সেই সকলৰ নিযুক্তিৰ বাবে চৰকাৰে চিন্তা কৰিবনে ? আৰু এই সমস্যা সমাধানৰ কাৰণে চৰকাৰে কিবানতুন আঁচনিৰ কথা চিন্তা কৰিছেনেকি ? কেন্দ্ৰীয় চৰকাৰে ১০ বছৰৰ ভিতৰত নিবনুৱা সমস্যা সমাধান কৰাৰ কথা কৈছে আমাৰ অসম চৰকাৰে ৫ বছৰৰ ভিতৰত নিবনুৱা সমস্যা সমাধান কৰাৰ আঁচনি লোৱাৰ কথা চিন্তা কৰিছেনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) ঃ—এইটো এটা বেলেগ প্ৰশ্ন।

শ্ৰীনুৰুল হুদা ঃ—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় বলেছেন যে চা-বাগানে শিক্ষিত যুবকদের সংখ্যা কত সেটা নিরূপন করা হয় নি। আমি জিজ্ঞাসা করতে চাই যে বর্তমানে চা-বাগানে শিক্ষিত যুবক কতজন আছেন এবং তাদের শিক্ষাগত যোগ্যতা কি কি সেটা সরকার নিরূপন করার ব্যবস্থা করবেন কি ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) ঃ— আৱশ্যক বোধ কৰিলে তথ্য পাতি যুগুত কৰা হব।

শ্ৰীমোজামিল আলি চোধুৰী ঃ— উপাধ্যক্ষ মহোদয়, চৰকাৰে কৈছে যে, চাহ বাগান বিলাকত শিক্ষিত বিনুৱাৰ নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰৰ কোনো হাত নাই, এই কথাটো কিয় এনে হৈছে আমি বুজি পোৱা নাই।

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) ঃ—নিয়োগৰ ওপৰত আমাৰ কোনো হাত নাই। এইটো বাগান বিলাকৰ মেনেজাৰ বিলাকে কৰে।

শ্ৰীবিপিন হাজৰীকা :—উপাধ্যক্ষ মহোদয়, চাহ বাগান বিলাকত নিয়ুক্তিৰ ক্ষেত্ৰত বৰ্ড আছে আৰু এনে ধৰণৰ বৰ্ড ডিব্ৰুগড়তো আছে। যোৱা ৩০ বছৰে কিমান চাকৰিয়ালক নিযুক্তি দিয়া হল তাৰ কিবা হিচাব আছেনেকি ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী):—এই প্ৰশ্নৰ উত্তৰ আগতে দিয়া হৈছে। তথ্য পাতি চৰকাৰৰ হাতত নাই। তথ্য পাতি যুগুত কৰা ব্যৱস্থা কৰা হব।

শ্ৰীবানেশ্বৰ শইকীয়া :—উপাধ্যক্ষ মহোদয়, বাগানৰ মালিক সকলৰ নিয়োগৰ ক্ষেত্ৰত চৰকাৰৰ হাত নাই। মন্ত্ৰী মহোদয়ে জানেনে যে, নিয়োগৰ ক্ষেত্ৰতচৰকাৰৰ দিবেকচন থাকিব পাৰে আৰু নিয়োগৰ ক্ষেত্ৰত আমাৰ চৰকাৰৰ কিবা দিবেকচন আছেনে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :—নিয়োগৰ ক্ষেত্ৰত এম্পলইমেণ্টৰ পৰা নাম ভৰ্ত্তি কৰিব লাগে।

**Re : Illegal Sale of distilled liquor in different bazars under Rangapara Police Station**

Shri GOLOK RAJBANSHI asked :

*111. Will the Minister, Excise be pleased to state—

(a) Whether Government is aware that distilled liquor is sold openly on bazar days in diffenrent bazars under Rangapara Police Station area ?

(b) If so, the steps taken by Government to stop such open sale of liquor ?

Dr. KOSHESWAR BORA (Minister of State, Excise) replied :

111. (a)—The possibility of illegal sale of distilled liquor on bazar days in different bazars under Rangapara Police Station cannot be ruled out.

(b)—To stop illegal sale of liquor the following steps are taken :—

(i) Surprise raids and freequent partrolling by the Excise Staff

(ii) Measures to educate people in favour of prohibition.

শ্ৰীগোলোক ৰাজবংশী ঃ—উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান যিখন আইন আছে, সেই আইনত দোষীৰ যি শাস্তি হয় আৰু জৰিমনা ভৰিব লগা হয় সেইটো সলনি কৰাৰ বাবে চৰকাৰে চিন্তা কৰিবনে ?

ডাঃ কোমেশ্বৰ বৰা (মন্ত্ৰী) ঃ—আইনত কিছু দুৰ্ব্বলতা আছে সেইটো চৰকাৰে চিন্তা কৰি বিবেচনা কৰিব।

শ্ৰীভদ্ৰেশ্বৰ গগৈ ঃ—উপাধ্যক্ষ মহোদয়, আমাৰ বিভিন্ন ঠাইত যিবিলাকত মদৰ দোকান বন্ধ কৰিবলৈ কোৱা হৈছে, সেইবিলাকত যে দিনে মদৰ দোকানৰ সংখ্যা বাঢ়ি গৈছে সেই কথা মন্ত্ৰী মহোদয়ে জানেনে ? যদি জানে সেইবিলাক গুচাবলৈ চৰকাৰে নিৰ্দ্দেশ দিছেনেকি?

শ্ৰীকোমেশ্বৰ বৰা (মন্ত্ৰী) ঃ—চৰকাৰে খুলিবলৈ দিয়া নাই। যিবিলাকৰ লাইচেন্স আছে সেই-বিলাকহে দোকান খুলিবলৈ দিয়া হৈছে।

**Undisposed starred Question dated 7-6-78**

**বিঃ তেজপুৰ মহকুমাৰ কৃষি বিভাগৰ ফাৰ্ম**

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেজপুৰ মহকুমাত কৃষি বিভাগৰ অন্তৰ্গত কেইখন ফাৰ্ম আছে ?

(খ) এই পাম বিলাকৰ বৰ্ত্তমান অৱস্থা কেনেকুৱা ?

(গ) পামবিলাক লাভজনক কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীসোনেশ্বৰ বৰা (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক)—তেজপুৰ মহকুমাত পাঁচ খন কৃষি ফাৰ্ম আছে। ইয়াৰে তিনিখন পোণপটীয়াকৈ আৰু দুখন অসম বীজ নিগমৰ যোগেদি চলোৱা হৈছে।

(খ)—বীজ নিগমে চলাই থকা পাম দুখনৰ বৰ্ত্তমান অৱস্থা সন্তোষজনক বুলিব পাৰি। কিন্তু বীজ নিগমে ঘুৰাই দিয়াত কৃষি বিভাগে পোনপটীয়াকৈ চলোৱা তিনিখন পামৰ অৱস্থা এতিয়াও সন্তোষজনক নহয়।

(গ)—কৃষি বিভাগে পোনপটীয়াকৈ চলোৱা প্ৰত্যেকখন পামতে খেতিৰ উপযোগী গোটেইখিনি মাটিতে বছৰি একাধিক ফচলৰ উন্নত সঁচৰ প্ৰমাণিত, বীজ নিৰ্দ্দিষ্ট পৰিমাণত উৎপাদন কৰিবৰ কাৰণে আঁচনি কাৰ্য্যকৰী কৰা হৈছে। নিগমৰ হাতত থকা পাম দুখনতো অধিক বীজ উৎপাদনৰ আঁচনি কাৰ্য্যকৰী কৰা হৈছে।

Mr. DEPUTY SPEAKER— Question hour is over, before we are going to take up item No. 2, there is another short notice question to be asked by Shri Promode Gogoi.

## SHORT NOTICE QUESTIONS AND ANSWERS

### Sibasagar Commerce College

Shri PROMODE CHANDRA GOGOI asked :

2. Will the Minister, Education be pleased to state—

(a) Whether the Government have received Resolution No. 10 of the Assam College Teachers' Association, dated 20th April, 1978 relating to the Sibsagar Commerce College ?

(b) Whether it is also a fact that the Teachers' Unit of the Sibsagar Commerce College has submitted resolutions adopted on 1:th may, 1978 to the D. P. I., Assam relating to the abnormal situation prevailing in the College ?

(c) If so, what actions have been taken by the Government so far in the matter ?

Shri LAKHYADHAR CHOUDHURY (Minister, Education) replied:

2. (a)—Yes.

(b)—Yes.

(c)—The Governing Body of the Sibsagar Commerce College has already been dissolved and the Director of Public Instruction had taken over the control and management of the College from 17th April, 1978. The Director of Public Instruction is also instructed to take appropiate action after proper enquiry into the allegations and other anomalies in the College during the period of his direct control and management.

Shri DEBANANDA BORA— Mr. Deputy Speaker, Sir, may I know who was the Chairman of the Governing body of the College ?

Shri LAKHYADHAR CHOWDHURY (Minister)— In the former Managing Committee as far as I know Mr. Gogoi was the Chairman.

Shri PRAMODE CHANDRA GOGOI : Deputy Speaker, Sir, may I know from the Minister how many representations from the Teacher's Unit were received by the D.P.I. or by the Government during this period ?

Shri LAKHYADHAR CHOWDHURY (Minister)— We received one representation from the College Teacher's Association and the none from Teachers' Unit of Sibsagar College.

Shri PROMODE CHANDRA GOGOI : And secondly, Mr. Deputy Speaker, Sir, whether it is a fact that the D.P.I. inspite of repeated representations from Teachers' Unit of the College did not take any action to redress the grievances of the Teachers ?

Shri LAKHYADHAR CHOWDHURY (Minister)— No, sir. The representations received from the Teachers' Unit were say on 23-5-78 and the resolution was dated 12-5-78. So immediately after receiving, this allegation D.P.I. has taken some action against the Principal ?

Shri PROMODE CHANDRA GOGOI : Now Mr. Deputy Speaker, Sir, the Governing Body is not functioning since 1977. During this period how many representations were received by the D.P.I. from the Teachers' Unit and whether any action was taken by the D.P.I. on these representations to redress the grievances of the Teachers.

Shri LAKHYADHAR CHOWDHURY (Minister)— Sir, after assuming office as the Education Minister, I gave some representations of the Teachers and A.C.T.A in April, 1978 to D.P.I. and immediately action was taken to and the governing body was dissolved.

Shri PHANI MEDHI— May I know the name of the Principal of the Sibsagar Commerce College.

Shri LAKHYADHAR CHOWDHURY (Minister)— She is Mrs. Dipali Chaliha.

শ্ৰীবীৰেন্দ্ৰ চৌধুৰী ঃ—মাননীয় উপাধ্যক্ষ মহোদয়, শিবসাগৰ কমাৰ্চ কলেজৰ প্ৰিন্সিপেল গৰাকীৰ বিৰোদ্ধে কিবা ক্ৰিমিনেল কেছ আছে নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ—তেনেকুৱা ধৰণৰ কেছ এটা থকা দেখা যায়, ১৯৭৩ চনতে এইধৰণৰ এটা কেছ ৰজু কৰা হৈছিল।

Shri GIASUDDIN AHMED— Sir, what are the allegations.

শ্ৰীলক্ষ্যধৰ চৌধুৰী ঃ—(মন্ত্ৰী)ঃ—এন, এছ, অাৰ্চনিৰ টকা আত্মসাৎ কৰা বুলি অভিযোগ থকাত এটা কেছ উৎথাপিত হৈছিল সেইবোৰ

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—উপাধ্যক্ষ মহোদয়. এইযে অভিযোগ বোৰ উৎথাপিত হৈছিল হেইবোৰ গভাৰ্ণিং বডি "ডিজলভ" কৰিবৰ কাৰণে কথা হৈছিল নে প্ৰিন্সিপালক আতৰাবৰ কাৰণে কৰা হৈছিল ? প্ৰিন্সিপাল জন এতিয়াও তাঁত আছেনেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী)ঃ— এতিয়াও তাতে আছে। তেওঁৰ বিৰুদ্ধে কিছুমান "এনেমেলি" অভিযোগ উৎপাসিত হৈছিল।

Shri GIASUDDIN AHMED— Sir, on receipt of the allegation what steps or actions Government took. In reply to this question the hon'ble Minister has replied that serious steps were being taken, i.e. the governing body has been dissolved. Now it appears from the reply that a serious case of allegation of embazz-lement of public money has been instituted against certain office bearers of the College. What action Government has taken against the accused ?

শ্ৰীলক্ষধৰ চৌধুৰী (মন্ত্ৰী) :—এইকাৰণেই যে,খবৰ পোৱাত গৰ্ভৰ্ণিংবডিখন ভাঙি দিয়া হৈছে। এই কেছটো ১৯৭৩ চনতে উৎথাপিত হোৱা কেছ। ১৯৭৮ চনত 'উন্নতি চাওঁ আহক" বুলি ইমান দিনে এই বিষয়ে কোনো ব্যৱস্থা নোলোৱাৰ কাৰণে এই বিষয়ে অনুসন্ধান কৰি কাৰ্য্য ব্যৱস্থা লবৰ কাৰণে বৰ্ত্তমানৰ চৰকাৰে ব্যৱস্থা কৰিছে?

Shri PREMADHAR BORA - Sir, I want to know from the Minister, whether usual term of theg (verni)ing body was expired.

শ্ৰীলক্ষ্যধৰ চৌধাৰী (মন্ত্ৰী):– এতিয়াও এক্সপায়াৰি কৰা নাই।

Shri PREMADHAR BOR Then may I know whether it is a fact that for only the reason poin ed out here the Managing Committee of the College has been dissolved

শ্ৰীলক্ষধৰ চৌধুৰী (মন্ত্ৰী) :—যিহেতু চৰকাৰী গতিবিধি মতে কোনো এখন শিক্ষানুষ্ঠানত কিবা 'এনমেলি' আদি থাকিলে সেই অনুষ্ঠানৰ 'গভাৰ্ণিং বডি' ভাঙি দিব পৰা যায়। সেই ফালৰ পৰা বিছাৰ কৰি এই কলেজ খনতো 'এনমেলি' থকাত আজিৰ চৰকাৰে ব্যৱস্থা লোৱাৰ সিদ্ধান্ত কৰিছে।

Shri DEWAN JAINAL ABEDIN— Mr. Deputy Speaker, Sir, I am a member of the Assam College Teachers' Association, Executive Member and therefore I know something regading this Sibsagar Commerce College. I think that the trouble in Sibsagar Commerce College is very big and deep roted and prolonged one. So may I request the hon'ble Minister to enlighten the house regarding the trouble.

শ্ৰীলক্ষধৰ চৌধুৰী (মন্ত্ৰী) :—সধাৰণতে দেখা যায় যে, প্ৰিন্সিপাল জনৰ কাৰ্যকলাপত অধ্যাপক অধ্যাপিকা সকল বৰ সন্তুষ্ট নহয়। নানা কাৰণত সময় মতে গভাৰ্ণিং বডিৰ মিটিং সময় মতে নপতাৰ দীঘলীয়া অভিযোগ আছে। মাননীয় সদস্যজন মোৰ চেম্বাৰত বহিলে মই সকলো কথা জনাব পাৰিম।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী :—মাননীয় অধ্যক্ষ মহোদয়, কাৰ আপত্তিত এই কেছটো ৰুজু কৰা হৈছিল?

শ্ৰীলক্ষধৰ চৌধুৰী (মন্ত্ৰী) :—শ্ৰীৰফিউদ্দিন আহমেদ বুলি এজনৰ অভিযোগ মতেই কেছটো ৰুজু কৰা হৈছিল।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী :—মাননীয় উপাধ্যক্ষ মহোদয়, পুলিছে গভাৰ্ণিং বডিৰ সহযোগ পাইছিলনে নাই?

শ্ৰীলক্ষধৰ চৌধুৰী (মন্ত্ৰী) :—মই সেইটো কবনোৱাৰিম।

শ্ৰীফণি মেধি :—প্ৰিন্সিপালৰ বিৰোদ্ধে ৰাজহুৱা ধন অপচয় কৰাৰ কিবা গুৰুত্বপূৰ্ণ অভিযোগ আছেনেকি? আদালতত 'ক্ৰিমিনেল কেছ' চলি থকা অৱস্থাতো এই প্ৰিন্সিপাল জনক কিয় 'চাছপেণ্ড' কৰা হোৱা নাই?

শ্ৰীলক্ষধৰ চৌধুৰী (মন্ত্ৰী) :—১৯৭৩ চনতে ৰুজু হোৱা এইটো কেছ কিয় এনেকৈ আছে সেইটো চাবৰ কাৰণে ব্যৱস্থা কৰা হৈছে?

শ্ৰীগোলোক কাকতী :—এই 'গভাৰ্ণিং বডি' ভাঙি দিয়াৰ পিচত মন্ত্ৰী ডাঙৰীয়াই উপলব্ধি কৰিছে নেকি যে কলেজৰ অধ্যক্ষ ডাঙৰীয়াই দোষৰ পৰা অব্যাহতি পাইছে?

## UNSTARRED QUESTION

শ্ৰীলক্ষধৰ চৌধুৰী (মন্ত্ৰী) :—ভবা নাই, প্ৰিন্সিপাল বা চেক্ৰেটাৰীৰ হাতত যি ক্ষমতা আছিল সেইবিলাক কৰ্ত্তন কৰা হ'ল।

বিঃ প্ৰাক্- প্ৰাথমিক বিদ্যালয়

শ্ৰীএম ইব্ৰাহিম আলীয়ে সুধিছেঃ

১৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ বিভিন্ন মহকুমাত কিমান প্ৰাক্- প্ৰাথমিক বিদ্যালয় আছে ?

(খ) এই প্ৰাক্- প্ৰাথমিক বিদ্যালয়বোৰত বৃত্তিধাৰী শিক্ষয়িত্ৰী শিক্ষক কিমান আছে ?

(গ) উক্ত বিদ্যালয় সমূহত কেতিয়া পূৰ্ণ মঞ্জুৰী দিয়া হব আৰু তাঁত কাম কৰা চাকৰিয়াল সকলক কেতিয়া regularise কৰা হব ?

(ঘ) প্ৰাক্- প্ৰাথমিক বিদ্যালয়বোৰ উঠাই দিয়াৰ চিন্তা কৰা হোৱা কথাটো সচাঁনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

১৯। (ক)—অসমৰ বিভিন্ন মহকুমাত ৪০১ খন প্ৰাক্-প্ৰাথমিক শাখা আছে।

(খ)—১৩০ গৰাকী বৃত্তিধাৰী শিক্ষয়িত্ৰী আছে।

(গ)—১৩০ গৰাকী শিক্ষয়িত্ৰীৰ চাকৰি নিয়মিয়া কৰাৰ বাবে যথাযথ ব্যৱস্হা লোৱা হৈছে।

(ঘ)—এই বিষয়ে চিন্তা কৰা হোৱা নাই।

বিঃ ৰাঙাপাৰা-ভোমোৰাগুৰিৰ ৰেল পথ

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছেঃ

২০। (ক) ৰঙাপাৰৰ পৰা ভোমোৰাগুৰিলৈ ৰেলপথ এটা নিৰ্মাণৰ কাৰণে জৰীপ হোৱাৰ বিষয়ে চৰকাৰে জানে নেকি ?

(খ) যদি জানে, এই ৰেলপথ নিৰ্মাণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৰাজ্য চৰকাৰৰ পৰা কিবা প্ৰস্তাৱ আগবঢ়োৱা হৈছে নেকি ?

শ্ৰীজহিৰুল ইছলাম (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

২০। (ক) —হয় জানে।

(খ)—তেনে কোনো প্ৰস্তাৱ আগবঢ়োৱা হোৱা নাই।

**Re : Introduction of Assam State Transport Corporation Service from Gossaigaon to Bongaigaon via lateral Road**

Shri MATHURA MOHAN SINHA asked :

21. Will the Minister, Transport be pleased to state—

(a) Whether there is a proposal to introduce Assam State Transport Corporation Service from Gossaigaon to Bongaigaon and vice-versa via lateral road ?

(b) Whether Government had received public representation in this regard ?

(c) If so, when State Transport Bus services will be introduced in this said route ?

Shri ZAHIRUL ISLAM (Minister, Transport) replied :

21. (a)—No.

(b)—The informations, as are presently available with Government, do not reveal receipt of any public representation in this regard.

(c)—Does not arise in view of reply to (b) above.

---

## VOTING ON DEMANDS FOR GRANTS

শ্ৰীপ্ৰেম বৰা :—এই দিমান্ড সম্পৰ্কে মই এটা নিবেদন কৰিব বিচাৰিছো, ৭টা গ্ৰাণ্টৰ এজেণ্ডা দিয়া হৈছে, প্ৰায় ২৮ টাৰ কাৰণে সময় নিৰ্দ্ধাৰণ কৰা হৈছে মাত্ৰ ৪ ঘণ্টা। এইটো অৱশ্যে বিজিনেচ এডভাইজাৰী কমিটিয়ে নিৰ্দ্ধাৰণ কৰিছে যেতিয়া আমি বদলীং মানি লৈছোঁ, আগৰ আলোচনাৰ সময় ইয়াতকৈ বেচি আছিল। এতিয়া ৪ ঘণ্টা সময়ত ২৮ টা বিষয় আলোচনা কৰাতো কোনোমতেই সম্ভৱ নহয় তেনেস্থলত এই বিষয় বিলাক আলোচনা কৰিব নোখোজে নেকি নে মন্ত্ৰীয়ে সকলো কৈ শেষ কৰিব।

শ্ৰীখগেন বৰবৰুৱা :—এই ৪ ঘণ্টা সময় ২৪০ মিনিট ৭ টা গ্ৰাণ্টৰ কাৰণে ভাগ কৰিলে প্ৰতিটোত ৩৪ মিনিটকৈ পৰিব, মন্ত্ৰীয়ে ১০ মিনিট কোৱাৰ পাচত মাত্ৰ ২৫ মিনিট থাকিব। ৫০ জন সদস্যৰ মাজত ভাগ কৰিলে মাত্ৰ ৫ চেকেণ্ডকৈ পৰিব। মোটামোটিকৈ হিচাব কৰিলে দেখা যায় এই ৭ টা গ্ৰাণ্টৰ ২৮ টা বিষয়ে আলোচনা কৰিবলৈ গলে ৭ চেকেণ্ডতকৈয়ো কম পৰিব যদিহে ৫০ জন সদস্যই যোগদান কৰে। গতিকেই বিজিনেচ এডভাইজাৰী কমিটি পুনৰ বহিব লাগে, এই বিলাক অভিজ্ঞতা নথকা সদস্য যি এই সময় নিৰ্দ্ধাৰণ কৰিছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—এডভাইজাৰী কমিটিয়ে যি খন সময় নিৰ্দ্ধাৰণৰ তালিকা সদনত দাখিল কৰিলে সেইখন সদনে সন্মতি জনাইছে, গতিকেই এতিয়া আলোচনা আৰম্ভ হওক আৰু সেইমতে যেতিয়াই আবশ্যক বুলি বিবেচনা কৰিব সদনে মাননীয় সদস্য সকলৰ পৰামৰ্শমতে বিবেচনা কৰিব পাৰিব।

Mr. DEPUTY SPEAKER—Voting on Demands for Grants; it was approved by the House but still let us start the discussion and if necessary, according to the opinion of the House, it would be done.

শ্ৰীচামচুল হুদা :—আলোচনা আৰম্ভ হৈ গলেই পিছত আৰু অসুবিধা হব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী): That is not the intention of the Business Advisory Committee· আটাইবিলাক দৰকাৰী বিষয়, মাননীয় সদস্য সকলে আলোচনাত যোগ দিব নোৱাৰাৰ কাৰণে এইটো কৰা হোৱা নাই, এতিয়া আমি আলোচনা আৰম্ভ কৰি দিও পিছলৈ আলোচনাৰ ম্যাজেদি আবশ্যক হলে বিবেচনা কৰিব।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :—মই দৃষ্টি আকৰ্ষন কৰিছোঁ আজি যি কেইটা দিমান্ড দিয়া হৈছে পি,ডব্লিউ দি, মেডিকেল, একসাইজ আৰু পাব্লিক হেল্থ এই গোটেই বিলাক অতি দৰকাৰী বিভাগ এই বিভাগৰ বিষয়ে আলোচনা কৰিবলৈ মাত্ৰ ৪ ঘন্টা সময় কম হব। সেইকাৰণে মই অনুৰোধ কৰিছোঁ যাতে গোটেইবিলাক ইম্পৰটেন্ট গ্ৰান্ট একেদিনাই অনা নহয়, যিহেতু বিজিনেচ এডভাইজাৰী কমিটিয়ে সিদ্ধান্ত দিছে সেইটো চেঞ্জ কৰাৰ কাৰণে কোনো উপায় নাই, এইটো পুনৰ বিবেচনা কৰাৰ কাৰণে অনুৰোধ জনালো।

Mr. DEPUTY SPEAKER—I shall look into it.

Shri DULAL CHANDRA BARUA (Minister)—Sir, these are the same nature of Grants; should I move all the 3 Grants together?

Mr. DEPUTY SPEAKER: Yes.

*Shri DULAL CHANDRA BARUA (Minister)—Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 8,71,84,200 be granted to the Minister in-Charge to complete the sum of Rs. 11,62,45,600 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1979 for the administration of the head—"259-Public Works (I), 277-Education (III) 280-Medical (I), 282-Public Health, Sanitation and water Supply-A-Public Health and Sanitation (II), 459-Capital Outlay on Public Works, 477—Capital Outlay on Education, Art and Culture, 480—Capital Outlay on Medical, 481—Capital Outlay on Family Welfare, 482—Capital Outlay on Public Health, Sanitation and Water Supply, 488—Capital Outlay on Social Security and Welfare-E-Other Social Security and Welfare Programe, 495—Capital Outlay on other Social Services and Community Services, 510—Capital Outlay on Animal Husbandry, 544—Capital Outlay on other Transport and Communication Services."

---

*Speech not corrected.

Now, **Grant No. 74 : Sir,** on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 23,56,98,400 be granted to the Minister-in-Charge to complete the sum of Rs. 31,42,64,600 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1979 for the administration of the head—"337—Roads and Bridges, 537—Capital Outlay on Roads and Bridges".

Now, Grant No. 40 : Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 2,09,01,900 be granted to the Minister-in-Charge to complete the sum of Rs. 2,78,69,300 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1979 for the administration of the head "283—Housing—C—Government Residential Buildings (III) 483—Capital Outlay on Housing—A—Government Residential Buildings (I), 498—Capital Outlay on Co-operation (I)".

Mr. **DEPUTY SPEAKER** : The Grants moved. There are two Cut Motions on each Grant; now, the honarable members are to move the Cut Motions.

*Shri **NOORUL HUDA**—I move, Sir, that total provision of Rs. 11,62,45,600 under Grant No. 23 Major head "259-Public Works (I), 277-Education III, 280-Medical II, 282-Public Health, Sanitation and Water Supply-A-Public Health and Sanitation I(I), 459-Capital Outlay on Public Works, 477-Capital Outlay on Education, Art and Culture, 480-Capital Outlay on Medical, 481-Capital Outlay on Family Welfare, 482-Capitaly Outlay on Public Health, Sanitation and Water Supply, 488-Capital Outlay on Social Security and Welfare-E-other Social Security and Welfare Programme, 495-Capital Outlay on other social services, and Community Services,510-Capital Outlay on Animal Husbandry, 544-Capital Outlay on other Transport and Communication Services", at pages 1 to 59 of Volume (II) Part (VI) of the Budget, be reduced to Re. 1, i.e. the amou t of the whole grant of Rs. 11,62,45,600 do stand reduced to Re. 1.

*শ্ৰীবনেন্দ্ৰ বসুমতাৰী :– উপাধ্যক্ষ মহোদয়, বাজেটৰ দাবীৰ দ্বিতীয় খণ্ডৰ অংশ চিক্সৰ ১৫৯ পৃষ্ঠা "২৫৯ গড়কাপ্তানী যোগান-ক-জন স্বাস্থ্য আৰু অনাময় (।।), ২৮২ জনস্বাস্থ্য, অনাময় ও পানীযোগান-ক-জনস্বাস্থ্য আৰু অনাময় (।।) ৪৫৯-গড়কাপ্তানীৰ বাবে মূলধন ব্যয়;৪৭৭-শিক্ষা, কলা আৰু সংস্কৃতিৰ বাবে মূলধন ব্যয়, ৪৮০- চিকিৎসাৰ বাবে মূলধন ব্যয় ৪৮১– পৰিয়াল কল্যানৰ বাবে মূলধনী ব্যয়, ৪৮২—জন স্বাস্থ্য, অনাময় আৰু পানীযোগনৰ বাবে মূলধন ব্যয়, ৪৮৮—সামাজিক নিৰাপত্তা আৰু কল্যান-ঙ —অন্যান্য সামাজিক নিৰাপত্তা আৰু কল্যানমূলক কাৰ্যক্ৰমৰ বাবে মূলধন ব্যয়, ৪৯৫- অন্যান্য সামাজিক আৰু সমূহীয়া সেৱা সমূহৰ মূলধনী ব্যয়, ৫১০-পশুপালনৰ বাবে মূলধনী ব্যয় ৫৪৪ অন্যান্য পৰিবহন আৰু বাণিজ্যিক সেৱা সমূহৰ বাবে কৰা দাবীৰ ১১, ৬২, ৪৫, ৬০০ টকা ১০০ টকালৈ হ্ৰাস কৰা হওক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ১১,৬২,৪৫,৬০০ টকা ১০০ টকালৈ হ্ৰাস কৰা হওঁক।

Mr. Deputy **Speaker**—**Cut** motion moved. Now cut motion on Grant No. 74.

---

*Speech not corrected.

*Shri **NOORUL HUDA**—I bag to move that the total provision of Rs. 31,42,64,600 under Grant No. 74 Major head "337-Roads and Bridges, 537-Capital Outlay on Roads and Bridges, at pages 72-91 of Volume II, Part VI of the Budget, be reduced to Re. 1, i.e. the amount of the whole grant of Rs. 31,42,64,600 do stand reduced to Re. 1.

*শ্ৰীবনেন্দ্ৰ বসুমতাবী ঃ—উপাধ্যক্ষ মহোদয়, বাজেটৰ দাবীৰ দ্বিতীয় খণ্ড অংশ চিক্সৰ ৭২-৯১ পৃষ্ঠাত "৩৩৭-পথ আৰু দলং, ৫০৭-পথ আৰু দলংৰ বাবে মূলধনী ব্যয়" শিতানৰ ৭৪ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৩১,৪২,৬৪,৬০০ টকা ১০০ টকালৈ হ্ৰাস কৰা হওঁক অৰ্থাৎ সমুদায় মঞ্জুৰী ৩১,৪২,৬৪,৬০০ টকা ১০০ টকালৈ হ্ৰাস কৰা হওঁক। ...

**Mr. Deputy Speaker**—Cut motion moved. Now, next one Grant No. 40, cut motion to be moved

*Shri **BIRENDRA NATH CHOUDHURY**—I bag to move that the total provision of Rs. 2,78,69,300, under Grant No. 4o, Major head "283-Housing-C-Government Residential Buildings (III), 483-Capital Outlay on Housing-A-Government Residential Buildings (I), 498-Capital Outlay on Cooperation (II) at pages 60-71 of Volume II, Part VI of the Budget be reduced to Re. 1 i.e. the amount of the whole grant of Rs. 2,78,69,300 do stand reduced to Re. 1.

*Smti **SYEDA ANWARA TAIMUR**—I beg to move that the total provision of Rs. 2,78,69,300 under Grant No. 40 Major head "283-Housing-C-Government Residential Buldings (III), 483-Capital Outlay on Housing-A-Government Residential Buldings (I), 498-Capital Outlay on Cooperation (II)" at pages 60-71 of Volume II, Part VI of the Budget be reduced by Rs, 100, i.e. the amount of the whole grant of Rs. 2,78,69,300 do stand reduced by Rs. 100.

* শ্ৰীবনেন্দ্ৰ বসুমতাবী ঃ — বাজেটৰ দাবীৰ দ্বিতীয় খণ্ডৰ অংশ চিক্সৰ ৬০-৭১ "২৮৩-গৃহ নিৰ্ম্মাণ-গ-চৰকাৰী বাসভৱন (III), ৪৮৩-গৃহনিৰ্ম্মানৰ বাবে মূলধন ব্যয়-ক-চৰকাৰী বাসভৱন সমূহ (I) ৪৯৮—সমবায়ৰ বাবে মূলধন ব্যয় (II) শিতানৰ ৪০ নম্বৰ মঞ্জৰীৰ বাবে কৰা দাবীৰ ২,৭৮,৬৯,৩০০ টকা ১০০ টকালৈ হ্ৰাস কৰা হওঁক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ২,৭৮,৬৯,৩০০ টকা ১০০ টকালৈ হ্ৰাস কৰা হওঁক।

**Mr. DEPUTY SPAEKER**—All the cut motions have been moved. Now let us discuss.

শ্ৰীনুৰুল হুদা ঃ—উপাধ্যক্ষ মহোদয়, এই সরকার মাত্র তিনি মাসে হলো নতুন ভাবে ক্ষমতার অধিষ্ঠিত হয়েছে। সুতরাং আমাদের পক্ষে এখনই এই সরকারেৰ কার্য্যবলী চূড়ান্তভাবে আলোচনা করার সময় আসেনি। কিন্তু আজ আমরা শুধু কয়েকটি বিষয় সম্বন্ধে আমাদের আলোচনা সীমাবদ্ধ রাখবো। কয়েকটি প্রশ্ন আমাদের আছে এবং কিছু মতামত ও আমরা দেব ।

উপাধ্যক্ষ মহোদয়, গত ৩১ বছর যাবত্ আসাম রাজ্যের রাস্তা-ঘাটের অবস্থা কি পর্য্যায়ে এসে পৌছেছে সেটা আপনি নিশ্চয়ই জানেন। শোচনীয় অবস্থা বললে কমই বলা হবে এবং এই রাস্তা-ঘাট গুলি এবং পি, ডব্লিও, ডি বিভাগেৰ অন্তর্গত যে সমস্ত কাজ, সেগুলির উন্নত করার ব্যাপারে বর্তমান সরকার কোনও নীতি অবলম্বন কৰেছেন কি না সেটা স্পষ্টভাবে এই সদনকে এখনও জানানো

---

*Speech not corrected.

হয়নি। আমি যে জেলা থেকে এসেছি, কেবল সেই অঞ্চলই নয়, আসামের প্রায় সর্বত্রই অনুন্নত এবং পচাতপদএলাকা আছে। কাছাড় ছাড়াও এক্ষেত্রে গোয়ালপারা, লক্ষীমপুর এবং দরং জেলার কথা বিশেষভাবে বলতে পারি। এই সমস্ত অঞ্চলে বহুদিন, বহু বৎসর যাবত কোন কাজ করা হয়নি। কমপক্ষেও তো ১০।১৫ বৎসর যাবত কোন কাজ হয়নি। সুতরাং এইসব এলাকায় পি ডবিলও ডি বিভাগ যাতে বিশেষ মনোযোগ দেন তার জন্য আমি আপনার মারফতে বর্তমান সরকারের কাছে দাবী জানাচ্ছি। নতুন রাস্তার কথা। ন। হয় ছেড়েই দিলাম, কারণ নতুন রাস্তা কি হবে না হবে সেটা হয়টো কিছুদিন পরে জানবো। কারণ, এই সদনের যে, সব সদস্য রোড্ বোর্ডে রয়েছেন তারা একথা বিচার বিবেচনা করে দেখবেন। কিন্তু যেসব রাস্তা রয়েছে যেমন শিলচর, করিমগঞ্জ, কিংবা হাইলাকান্দি মহকুমায় কিংবা রাজ্যের অন্যান্য জেলায় (কারন আমি সব জেলার খবর জানি না, তাই আমি আমার নিজের জেলার কথাই বলবো।) যে সমস্ত রাস্তা রয়েছে এই-গুলি মেরামত বা ম্যান্টিনেন্সের কাজ ঠিকভাবে হচ্ছে না। পি। ডাব্লিও, ডি মন্ত্রী মহোদয় নিশ্চয়ই জানেন যে সরকার প্রতিবৎসর এই ব্যাপারে বহু টাকা সেংশন করেণ এবং কাগজে কলমে অনেক কাজই দেখানো হয়। কিন্ত টাকা খরচ হলেও রাস্তা ডাটের কোন উন্নতিই আমরা দেখিনা। প্রায়ই দেখা যায় বর্ষাকালে অর্থাৎ এই মে জুন মাসে কাজের মরশুম পড়ে। আর বর্ষা শেষ হলে পড়ে দেখা যায় এইসব কাজ ৩।৪ মাসের বেশী স্থায়ী হয় না, আবার মেরামতের প্রয়োজন দেখা যায়। তারজন্য আমাদের বক্তব্য হলো এই ব্যাপারে repair and maintenance of roads, buildings and other k wors under the P. W. D· এই ব্যাপারে বর্তমান সরকারের যদি কোন সুসঙ্গত নীতি না থাকে তাহলে আগের পুনরাবৃত্তি হবে যা আমরা বহু বৎসর ধরে দেখে এসেছি। অবশ্য আমি আর নতুন করে পূর্বের সরকারের দোষ দেখাবো না। এ নিয়ে এই সদনে বহু আলোচনা হয়েছে। কিন্ত এই নতুন জনতা সরকার যদি আগের সরকারের মতো চলেন তাহলে আমরা মুশকিলে পড়ব এবং তীব্র সমালোচনার সম্মুখীন হতে হবে এই সরকারকে। সুতরাং প্রতিটি পদক্ষেপ তাদেরে সঠিকভাবে নিতে হবে। এই ব্যাপারে আমরা দেখেছি যে কিছুদিন আগে এই অধিবেশন চলার আগেই আমদের কাছে অভিযোগ এসেছে (এই মে মাসের প্রথম এবং এপ্রিল'এর শেষের দিকের কথা বলছি) যে শিলচর-চেংকুড়ি যে রাস্তা আছে সেই রাস্তায় যে পরিমান পাথর দেওয়ার কথা ছিল, সেই পরিমান পাথর দেওয়া হয়নি। কেন হয়নি একথা জানার জন্যএ অঞ্চলের বহু লোক পি, ডব্লিও, ডি বিভাগের অফিসে গিয়ে এক্জিকিউটিভ ইঞ্জিনীয়ারের সঙ্গে দেখা সাক্ষাত করেও কোন সদুত্তর পাননি। অবশ্য আমি এই ১৫ দিনের কোন খবর জানিনা, ২০।২৫ দিন আগের খবর অনুযায়ী বলছি যে এই ভাবে কাজ চলছে।

আমার তৃতীয় কথা হলো যে, যেসব কন্ট্রক্টরদেরে কাজ দেওয়াহয় এই কন্ট্রাক্টরদের মধ্যে বিভিন্ন শ্রেণী আছে। যেমন ক্লাস ওয়ান, ক্লাস টু,ক্লাস থ্রি এবং ক্লাস ফোর। ক্লাস ওয়ান এবং ক্লাস টু কন্ট্রাক্টররা বড় বড় কাজ করে এবং ক্লাসথ্রি ও ফোর কন্ট্রাক্টররা ছোট ছোট কাজ করে। কিন্তু আমার প্রশ্ন হলো এই যে কাজ তাদেরে দেওয়া হচ্ছে, এর ভিত্তি কি? অবশ্য পূর্বের সরকারের আমলে কোন সময়ই এসব কন্ট্রাক্ট দেওয়ার ব্যাপারে কোন ভিত্তি ছিল বলে দেখতে পাইনি। কি ভিত্তিতে বিশেষ বিশেষ কন্ট্রাক্টরদের বেশী দায়িত্বশীল কাজ দেওয়া হয় এবং অনেককে দেওয়া হয় না? আমি জনতা সরকারের কাছে দাবী করবো তারাযেন এই ব্যাপারে একটা ভিত্ত অর্থাৎ মানদণ্ড নির্ণয় করন। সেটা না করা হলে কোন কাজই সুচারুরূপে সম্পন্ন করা হবে না। ক্লাস থ্রি এবং ক্লাস ফোর কন্ট্রাক্টরা সম্ভবতঃ ৩৫।৪০ হাজার টাকার কাজ করে থাকেন, (৫০ হাজার টাকা-রও হতে পারে) কিন্তু দেখা যায় অনেক ক্ষেত্রে এই অংকেরও কাজ তাদেরে দেওয়া হচ্ছে না এবং ক্লাস ওয়ান এবং টু কন্ট্রাক্টরদেরে দেওয়া হয় যাদের লক্ষ লক্ষ টাকার কাজ করার ক্ষমতা আছে। অথচ যারা মধ্যবিত্ত কন্ট্রাক্টর, যাদের টাকা পয়সার সঙ্গতি একটু কম, তাদেরে এইসব ছোট খাটো কাজের দায়িত্ব দেওয়া কেন হবে না? এইসব ছোট ছোট কন্ট্রাক্টরগণ, ক্লাস থ্রি এবং ফোর কন্ট্রাক্টরগণ অভিযোগ করেছেন যে যারা চিরদিনই লক্ষ লক্ষ টাকার কাজ করে বেশী লাভ করছে তাদেরে সব কাজ দেওয়া হচ্ছে। অবশ্য এ কথা এই সদনের সকল সদস্যই জানেন, মহোদয়, আপনিও জানেন এবং এই সরকারও জানেন যে এইসব বড় বড় কাজে কি ভাবে টাকা খরচ হচ্ছে এবং কন্ট্রাক্টর'এর লাভ কত থাকে এবং এতে কিভাবে দুর্নীতি চলছে, একথা আমি আজ বিশদভাবে বলতে চাই না।

পরে সুযোগ পেলে নিশ্চয় বলব। কিন্তু এই ব্যাপারে একটা মানদণ্ড নিরূপন করার জন্য আমি সরকারের কাছে দাবী রাখছি।

মহোদয়, এবারে আমি যে সমস্যার কথা বলতে চাইছি সেটা আগেও একাধিকবার এই সদনে আমি তুলে ধরেছিলাম। কথাটো হলো এই পি ডাব্লিও, ডি বিভাগের কর্মচারীদের ব্যাপারে। বিশেষ ভাবে যারা ওয়ার্কচার্জ এবং মাণ্টাররোল কর্মী আছেন আমি তাদের কথা বলতে চাই। মহোদয়, মেকানিকেল ডিভিশন বলে পি, ডব্লিও, ডি'র একটা ডিভিশন আছে। যদিও আমি এই ব্যাপারে শিলচরের কথা বলছি কারণ প্রতিটি জেলার সমস্যা অনুধাবন করার সুযোগ আমি পাইনি, তবুও আমার বিশ্বাস এই ডিভিশনের শ্রমিকদের সমস্যারাজের বিভিন্ন জেলায় ও বিভিন্ন শহরেও আছে। শিলচরের এই মেকানিকেল ডিভিশনে আমি দেখেছি যে শ্রমিক আইন থাকা সত্বেও এই আইন অনুযায়ী তাদের ক্যাণ্টিনের কোন ব্যবস্হা নাই, পানীয় জলের কোন ব্যবস্হ। নাই এমনকি যারা মেশিনে কাজ করেণ কাজ শেষে তারা যাতে হাত ধুতে পারেন তারজন্য জলের ব্যবস্হা নেই, সমাধান বা অন্যান্য প্রয়োজনীয় জিনিষের কথা না বলাই ভাল। মহোদয়, বেশীর ভাগ শ্রমিক সেখানে সকাল ৮ টার সময় আসন এবং বাড়ী ফেরেন সাড়ে চারটা বা পাঁচটার সময়। কিন্তু তাদের দুপুরবেলা খাওয়ার জন্য কোন যায়গাসেখানে নাই। বাড়ী থেকে তারা টিফিন ক্যারিয়ারে করে খাবার নিয়ে আসেন কিন্তু খাওয়ার যায়গার অভাবে তাদের অসুবিধা ভোগ করতে হয়। আমি নিজে এই নিয়ে সেখানকার ভারপ্রাস্ত ইঞ্জিনীয়ার মহোদয়ের সঙ্গে আলোচনা করেছিলাম কিন্তু তিনি কোনসদুত্তর দিতে পারেন নি, কোন সমাধানের পথ তিনি দিতে পারননি। মহোদয়,এছাড়াও এই মেকানিকেল ডিভিশনের ওয়ার্কচার্জ এবং মাণ্টাররোল কর্মচারীদের বহু সমস্যা আছে। সময়ের অভাবের জন্য আমি আজ বলতে পারছি না, পরে সুযোগ পেলে সমস্ত তুলে ধরব। কিন্তু অত্যন্ত নগন্য ব্যাপার হলেও একটা কথা আমি না বলে প্যারছি না কারন একথা এই সদনের এবং এই সরকারের জানা দরকার যে শহরের বাইরে থেকে যে সব শ্রমিক আসেন তাদের সাইকেল নিরাপদে রাখার কোন ব্যবস্হা এই ডিভিশনে নাই। এ ছাড়া এই মেকানিকেল ডিভিশনে দক্ষ এবং অদক্ষ শ্রমিক যারা আছেন, বহুবৎসর কাজ করার পরে যথেষ্ট দক্ষতা অর্জন করা সত্বেও তাদেরে কোন প্রোমেশন দেওয়া হয় না, অথচ অন্য যায়গ্য থেকে লোক এনে ঐ সমস্ত কাম্দে নিয়োগ করা হয়, তাহাদের প্রমোশন দেওয়া হয় না, অথচ ১৫।২০ বৎসর ধরে ওয়ার্কচার্জ শ্রমিক হিসাবে এবং মাণ্টাররোল শ্রমিক হিসাবে অত্যন্ত দায়িত্বশীল কাজ করা এবং দক্ষতার সঙ্গে কাজ করা সত্বেও তাদের ডেইলি বেসিস'এ ৭।৮।৯ টাকা মঞ্জুরী দেওয়া হয়, চাকরীতে স্হায়ী করা হয় না, ছুটীর কোন ব্যবস্হা নাই, চাকুরীর কোন নিরাপত্তা নাই এই ধরনের বহু সমস্যা রয়েছে। তাই আমি আশাকরি, বিভাগীয় মন্ত্রী, যিনি নিজেও বহুদিন যাবত এই সমস্ত শ্রমিকদের ইউনিয়নের সঙ্গে যুক্ত ছিলেন তিনি তাদের বিভিন্ন সমস্যা সম্পর্কে অবহিত আছেন এবং তাদের অন্যান্যসরকারী ৩য় এবং ৪র্থ শ্রেণীর কর্মচারী হিসাবে গণ্য করে তাদের সকল রকম সুযোগ সুবিধা দেওয়ার ব্যবস্হা করবেন।

মহোদয়, আমি আর মাত্র দুটো কথা বলে আমার বক্তব্য শেষ করব। মহোদয়, বিধায়ক হওয়ার আগে এবং পরে আমি কয়েক বারই শিলচর পি, ডব্লিও, ডি বিভাগের ভারপ্রাপ্ত ইঞ্জিনীয়ারের সঙ্গে বিভিন্ন কাজে দেখা করতে গিয়েছিলাম এবং আজ এই সদনে আমি আমার দুর্ভাগ্যজনক অভিজ্ঞতার কথা বলব। মহোদয়, প্রায়ই এই এক্সেকিউটিভ ইঞ্জিনীয়ারকে অফিসে আমি অনুপস্হিত দেখি অফিসে তিনি কখন আসেন, কখন যান সেকথা কেউই বলতে পারেন না। সেই অফিসের কোনও কর্মচারী, তিনি হেডএসিসটেণ্টই হ'ন বা অন্য যে কেউই হ'ন, কেউই বলতে পারেন যে অফিস আওয়ারে অর্থাত্ ১০ টা থেকে ৫টার মধ্যে এই ইঞ্জিনীয়ার সাহেব কোথায় যান, তিনি বাড়ীতে থকেন ,না বাইরে কোন কাজে যান, কিছুই বলতে পারেন না। মহোদয়, অফিসাদের নিজদের দায়িত্ব আছে এবং এইসব দায়িত্বসম্পন্ন অফিসারগণ যদি নিয়মিতভাবে অফিসে না আসেন কাজের গতিবিধি না জানেন তাহলে কি করে আমরা নীচতলার কর্মচারীদের কাছ থেকে শৃংখলা বা ডিসিপ্লিন আশা করতে পারি? তাই, আমি আপনার মাধ্যমে মন্ত্রী মহোদয়েকে অনুরোধ করি তিনি যেন অফিসারদের জন্য একটা কোড অফ কণ্ডাক্ত তৈরী করার ব্যবস্হা করেন। আমি যখন স্কুলে ছিলাম, বৃটিশ আমলে এবং পরেও দেখেছিল, যে উর্দ্ধতন কর্মচারীদের মধ্যে তখন

যে একটা শৃংখলাভাব ছিল আজ সেটা একেবারে নেই বললেই চলে। শিলচরের পি ডব্লিও ডির ভারপ্রাপ্ত অফিসারের সঙ্গে এই ব্যাপারে আলোচনার ফলে, মহোদয়, স্থানীয় পত্রিকায় আমার নামে কুৎসা রটনা করা হয়েছে। আমার নামে বদনাম করা হয়েছে। যদিও আমার নাম প্রকাশ করা হয়নি তবুও স্পষ্টই বুঝা যায় যে আমার উদ্দেশ্যেই একটি সাপ্তাহিক কাগজে এইসব কথা লেখা হয়েছে। তার ফলে ক'দিন পরেই দেখলাম ঐ কাগজটিতে পি ডব্লিও ডি বিভাগের বড় বড় এড্ভারটাইস্মেন্ট ছাপা হচ্ছে। কমপক্ষে ৭।৮ শত টাকার বিল হবে। এটা একটা মস্তবড় দুর্নীতি এবং এইভাবে যদি একটা বিভাগ কর্তৃক একজন বিধায়কের বিরুদ্ধে কুৎসা রটনা করার জন্য কোন পত্রিকাগোষ্ঠিকে বিজ্ঞাপনের অন্যায় সুযোগ সুবিধা দেওয়া হয় এবং ৭।৮ শত টাকার অংকের অর্থ অপচয় করা হয় তাহলে বিধায়ক হিসেবে আমরা কি ভাবে কাজ করব ? আমি আশাকরি বর্তমান সরকার এ দিকে নিশ্চয় লক্ষ্য রাখবেন এবং প্রশাসন যন্ত্রকে এইসব দুর্নীতি মুক্ত করবেন।

মহোদয়, আমার শেষ কথা এই যে আমাদের কাছে যে অভিযোগ এসেছে যে ডিব্রুগড় সাব্ ডিভিশনে কান্কুয়া—নাহারানীতে (বিল নং ৬। ২) কাজের টেন্ডার ভ্যালুছিল ৭, ৭৬৩ টাকা অথচ বিল পেমেন্ট করা হৈছেছে ১৫,০০০ হাজার টাকার এবং সংলিপ্ট কন্ট্রাক্টর শ্রীরাজপ্রসাস সিং এর কাছ থেকে ১০,৩২২ টাকা ইতিমধ্যে রিকোভারি করা হয়েছে এবং এই কন্ট্রাক্টকে চীফ্ ইঞ্জিনীয়ার কর্তৃক ব্লাকলিষ্টেড করা হয়েছে, ভাল কথা। কিন্তু আবার সেই একই কন্ট্রাক্টরকে অতি সম্প্রতি ডিব্রুগড় সাব ডিভিশনের বরপুখুরীতে ৩৩ হাজার টকার টেন্ডার ভ্যালুর কাজ আবার দেওয়া হয়েছে। এটা অত্যন্ত আশ্বায্যের কথা যে, কন্ট্রাক্টরকে অন্যায় ভাবে সরকারী টাকা আত্মস্বাতের অপরাধে ব্ল্যাক লিষ্টেড করা হয়েছে সেই একই কন্ট্রাক্টরকে কি কারণে আবার নতুন কাজের দায়িত্ব দেওয়া হলো। আমি আশা করবো মন্ত্রী মহোদয় এ বিষয়ে একটা কঠোর ব্যবস্থা অবলম্বন করবেন।

সবশেষে এই কর্ত্তন প্রস্তাবগুলি সমর্থন করে আমি আশা করবো যে এই নতুন সরকার পূর্ব-তন সরকারের সমস্ত ভুলত্রুটি থেকে অভিজ্ঞতা সঞ্চয় করে এই পি ডব্লিও ডি বিভাগটিকে দুর্নীতিমুক্ত করবেন এবং জনসাধারনের উপকারের উপযোগী করে তুলবেন। আমার আরাও কয়েক মাস এই সরকারের কার্যাবলী লক্ষ্য করবো। কারণ, এখনি পুরোপুরি ভাবে সরকারের সমালোচনা করার সময় আসেনি। এই বলে আমি আমার বক্তব্য শেষ করলাম ।

Shri RANENDRA NARAYAN BASUMATARI :- Mr. DEPUTY SPEAKER Sir, the P.W.D. is no doubt one of the largest Departments in this State and it has got also the most important works to do. The P.W.D. as we have seen from our past experiences, this Department has earned a very bad reputation.

That is why, in this House and in the past House also this Department was criticised. Even the Honourable P.W.D. Minister who was at that time was the Deputy Leader of the Opposition, now in the treasury bench, had said that the P.W.D. was a wastage department. Now it is almost all the same. As a member of this House I have got every reason to hope that this Department under the able stewardship of Shri Barua will certainly rise to occasion and will be able to meet the demand of the people. This Department will certainly come to the expectation of the people with the works and with time bound programme. I emphasise the word "time bound" because due to non-execution of the the programme at time bound basis the plans and estimates which were prepared could not be expedited. The amount which were earmarked and the schemes were allowed to go on year after and year and after some years you would find that works which

were earmarked remained incomplete. For example, as a member of Kokrajhar I must say that the Kokrajhar Railway Over Bridge is still incomplete and I think the Honourable Minister is also aware of it. The construcation work of this bridge was started in the year 1970 and so far it remains incomplete. There are only two side walls standing on both the sides. It has spoiled the beauty of the town and also of the sub-division. This over bridge and other roads passing over the bridge have not been completed because no time-bound programme was taken up. So my request to the Minister is that we should put more emphasis on time-bound programmes. Than I would like to put stress on regional imbalances. It has been seen that those M.L.As who can raise their voices get allotment of P.W.D. roads in their constituencies. So my suggestion is that to remove regional imbalances sub-divisions where there are lesser number of P.W.D. roads should get priority over others. This way only can regional imbalances be rooted out. Regarding establishment of P.W.D. subdivisions, I have a few suggestions. As M.L.A. I am often required to meet the Executive Engineer and other Engineers of P.W.D. I hail from Kokrajhar civil subdivision which I repesent but I am often required to go to Dhubri to meet the Officers. It entails a lot of trouble. A P.W.D. Division should be co-terminous with that of a Civil subdivision. Only recently I had the occassion to meet the Secretary, P.W.D., and with him also I have raised this particular point. Then I come to the question of incomplete roads. During the 3rd and 4th Plans some roads were taking up. Many of these roads have remained incomplete and no attention seems to have been given to complete these roads. These incomplete roads should be taken up as spill-over schemes and should be completed. I have found that of the length of 10/12 KM only 2/3 Kms have been completed and the rest left over. This does not help anybody. Roads once taken up should be completed before any new road is taken up. Then I come to the question of payment of compensation for land acquired for construction of roads and also other constructions. It is a seen that for land acquired even during the 3rd and 4th Plan periods compensation has not been paid, and, as a result the poor people whose lands had been acquired are sufferring. The norm that before start of construction 50% of the acquisition money be paid has not been followed. I raised some questions on this score. My request is that the Minister would please look into this matter. My firend Shri Huda has raised the point of confirmation in service of the Masterroll workers. Very often it happens that Master-roll workers who have been working who have been working for many years continuously are retrenched without any consideration of their families and their economic lot. Therefore, my suggestion is that those Muster-roll workers and other workers of the P.W.D. like Muhirirs who have put in a service three of years should be absorbed permenently. Sir, there are some subdivisions including Kokrajhar which are not been even connected by even one blacked-topped road.

This headquarter town has not been codnected with any black topped road. In this connection I want to cite some very vital road links which are to be black topped. These are Gosaigaon-Kokrajhar via Sapatgra, Kokrajhar to Karigaon, Kokrajhar to Bahalpur. Unless and until these roads are black topped the people of that area will suffer. There are instances where the transport buses which are plying on these roads have had to be suspended due to bed road

condit on. I would submit that this Kokrajhar town should immediatly be connected with black topped roads on all sides. Not only Kokrajhar town alone, towns of similar importance should be connected with black topped roads.

About allotment of works there are lot of complaints reeeived by us. The complaints are that the local contractors are not given P.W.D. contracts even though there are some registered and reputed contractors available. The contracts are given to outsiders in preference to the local ones. This has created a lot of confusion in the minds of the promising contractors who are local and would have taken special interest. I would urge upon the Government that if local contractors the selected for doing works in an area, he would be interested to do the works better, as he himself would be benefitted by it. I understand that some very good and registered contractors are there, They should be given contracts tn preference to the outsiders.

I shall raise another matter in the House which is a local problem. In Kokrajhar there is a P.W.D. Division. Very recently the Building Sections of the Division has been taken away from Kokrajhar and been transferred to Goalpara Division. I do not know the reason why this has been done. When the honourable Chief Minister visited Kokrajhar last time, this point was brought to his notice. In Kokrajhar Division the P.W.D. is taking up Building works in many places and therefore the Building Section is to be restored immediately to the Kokrajhar Division.

I would therefore request the honourable Minister to personally look into it. At last I would say that, I have very high hope on the new Ministry and request them that whatever work they undertake should be completed as a time bound programme so that there is no wastage of public money. The honourable Minister would very carefully look into it. With these observations I conclude my speech.

শ্ৰীগিয়াচুদ্দিন আহমেদ :— উপাধ্যক্ষ মহোদয়,

উপাধ্যক্ষ :—মোভাৰ কেইজনে কওক একেলগে তাৰ পিচত কব।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— মোভাৰ বহুত আছে। সালসলনি কৰি কোৱা হওক।

উপাধ্যক্ষ :—ঠিক আছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—মই এই কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন কৰি দুআষাৰ কব খুজিছো। এই বিভাগৰ গুৰুত্ব সম্পৰ্কে আমি বহলাই কব নালাগে। গোটেই অৰ্থনৈতিক উন্নতি সম্পৰ্ণ ৰূপে নিৰ্ভৰ কৰিছে যাতায়তৰ সুবিধাৰ ওপৰত। কেন্দ্ৰীয় চৰকাৰৰ হাতত থকা কাম যেনে নেশ্যনেল হাইওৱেৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে টকা দিয়ে। তাৰ ওপৰত ব্ৰহ্মপুত্ৰত দলঙ সম্পৰ্কে বহুত আলোচনা হৈছে। ইতিমধ্যে চৰকাৰে এই সম্পৰ্কত আমি শুনিবলৈ পোৱা মতে ভালেখিনি আগ বাঢ়িছে। শিলঘাটত ব্ৰহ্মপুত্ৰৰ দলং হব বুলি শুনিছো আৰু পঞ্চ ৰতনৰ প্ৰস্তাবটো চলি আছে। ব্ৰডগজ ৰেল লাইন হোৱাৰ কথা বহুত দিনধৰি শুনিছো যদিও আজিও এই সম্পৰ্কে আশানুৰূপ অগ্ৰগতি হোৱা নাই। অসমৰ অৰ্থনৈতিক কাউন্নতি যিহেতু সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে যাতায়তৰ ওপৰত গতিকে প্ৰসঙ্গক্ৰমে এই কথাটোও আলোচনা হব পাৰে। আমি যদি ৰাজ্যখনৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰে তেনেহলে চৰকাৰে যুদ্ধকালীন ক্ষিপ্ৰতাৰে ৰাণ্টা-মটৰ উন্নতিৰ কথালৈ মন দিব লাগিব। ইয়াৰ আগতে আমি লক্ষ্য কৰিছো যে চৰকাৰে পাঁচ বছৰীয়া পৰিকল্পনা বিলাকত সমষ্টি হিচাবে ৰাস্তা ঘাট বন্ধৰ কাৰণে টকা দিছে।

Shri SANTI RANJAN DAS GUPTA : May I know from the honourable Member whose cut motion he is supporting. His name is not there. Whether he is suporting the cut motion moved by hon-member Shri Noorul Huda ?

শ্ৰীগিয়াচদ্দিন আহমেদঃ—মই মাননীয় সদস্য গৰাকীক অনুৰোধ কৰিছো মোৰ বক্তৃতা শুনিবলৈ আৰু তেখেতে ধৈৰ্য্য ধৰি শুনি থাকিলে মই কোনটো কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰিছো তেখেতে নিজেই গম পাব। প্ৰতি পাঁচ বছৰে পৰিকল্পনাত কিছু কিছু টকা সমষ্টি বিলাকত ভগাই দিয়া হয়। ইয়াৰ পৰিমাণ এক দেড় বা দুই লাখ টকা হয়গৈ আৰু প্ৰতি সমষ্টিৰে বিধান সভাৰ সদস্য গৰাকীৰ লগত আলোচনা কৰি আঁচনি গ্ৰহণ কৰা হয়।

আমি ৫ বছৰৰ কাৰণে নিৰ্বাচিত হওঁ। ৫ বছৰৰ কাৰণে যিখিনি টকা দিয়া হয় সেইখিনি টকা বিশেষ আঁচনিত খৰছ কৰি ৫ বছৰৰ মূৰত আকৌ বেলেগ কোনোবা এজন নিৰ্বাচিত হল লগে লগে আগৰ আঁচনিও প্ৰত্যাখ্যান কৰা হল আৰু সেই আঁচনি আধৰুৱা হৈয়ে থাকিল। বিধান সভাৰ সদস্য পৰিবৰ্ত্তনৰ লগে লগে আঁচনিও পৰিত্যক্ত হয়। সেইটো হব নালাগে, অৰ্থাৎ যিবিলাক আঁচনি আৰম্ভ কৰা হৈছে সেই বিলাক শেষ কৰিব লাগে। মই যি কথা কবলৈ ওলাইছো প্ৰতিটো সমষ্টিতে এই যে সমানে ভগাই দিয়ে এই কথা বিলাকৰ দ্বাৰা আমি লক্ষ্য কৰিছো গোটেইৰাজ্যতে বিভিন্ন অঞ্চলত বাণ্টাধাট সম্পূৰ্ণ নহয়। কিছুমান ঠাই দেখিছো উন্নত আৰু কিছুমান ঠাই অনুন্নত। এই কথা আমি শুনি ভাল পাইছো যে বৰ্ত্তমানৰ চৰকাৰে অনুন্নত অঞ্চল বিলাকত অগ্ৰাধিকাৰ দিব বুলি কৈছে সেইটো হলে ভাল কথা। আমাৰ চৰকাৰে গোটেই অঞ্চলটোৰ এটা চাৰ্ভে কৰি লব লাগে কোন মহকুমাত কিমান বাণ্টা আছে আৰু বাণ্টা ধাটৰ ক্ষেত্ৰত আঞ্চলিক বৈষম্য দূৰ কৰাৰ ব্যৱস্থা হাতত লব লাগে। টকাৰ যত বেছি দৰকাৰ তাত বেছি দিব লাগে আৰু যত কম দিলে হয় তাত কম দিব লাগে।বৰ্ত্তমানে সমানে ভগাই দিয়া ব্যৱস্থা এক হিচাবে বেয়া নহয় সকলোৱে সন্তুষ্ট হৈ থাকে কিন্তু প্ৰয়োজনৰ কথা চিন্তা কৰিলে সেই হিচাব অলপ বেলেগ বেলেগ হব। মই পৰামৰ্শ আগবঢ়াব বিছাৰিছো যে আঞ্চলিকবৈষম্য দূৰ কৰাৰ লক্ষ্য ৰাখি টকা মঞ্জুৰ কৰিব লাগে।

মিনিমাম নিদচ প্ৰগ্ৰেম বুলি কেন্দ্ৰীয় চৰকাৰৰ এটা আঁচনি আছে। এই আচনিৰ স্বত্ব হৈছে ৰাইজে মাটিখিনি বিনা ক্ষতিপূৰণ এৰি দিব লাগেগে। এইকথাটো একফালে ঠিকেই যে ৰাইজেও কিছু বৰঙণি দিব লাগে। কিন্তু বাণ্টাধাট উন্নয়ণ কৰিবলৈ যাওতে আমাৰ ৰাইজৰ অৱস্থা কি আৰু কি অসুবিধা হৈছে সেইটোও চাব লাগিব। প্ৰথম অসুবিধা হৈছে প্ৰত্যেকজন মানুহৰে মনোভাব একে নহয়. দ্বিতীয়-প্ৰতিজন মানুহৰ আৰ্থিক অৱস্থা সমান নহয় এনেকুৱা কিছুমান দুখীয়া মানুহ আছে যাৰ ১ বিঘা ২বিঘা বা ৫ বিঘাহে মাত্ৰ মাটি আছে আৰু সেই মাটিৰ ওপৰেদি যদি বাণ্টা দিবলগীয়া হয় তাৰ কাৰণে ক্ষতিপূৰনো নাপায় তেনেহলে সেই মানুহজনৰ অৱস্থাটো কি হব সেইটো সহজে চিন্তা কৰিব পাৰি। এই এম এন পিৰ বাণ্টা কৰিবলৈ যাওঁতে সেই কাৰণে ঠিকাদাৰক ৰেট বেছি কৰি দিবলগীয়া হয় আৰু বহুত ক্ষেত্ৰত ঠিকাদাৰে মাটি কিনিব লব লগা হয়। এনেকুৱা দেখিছো মানুহে মাটি এৰি দিব নোখোজে, ফলত মাটি মালিকক ঠিকা দিবলগীয়া হয় যাতে মাটি এৰি দিয়ে। এই অসুবিধা বিলাকৰ কাৰণে বাণ্টাৰ এলাইমেণ্টও ঠিক নহয় কাৰণ বাণ্টাটো চিধা কৰিব নোৱাৰি যিফালে মাটি এৰি দিয়ে সেইফালেদি বাণ্টাটো বেকা কৰি দিব লাগে। গতিকে একফালে মানুহৰ দৰিদ্ৰতা আৰু এই অসুবিধালৈ লক্ষ্য কৰি এম এন পি আঁচনিত মাটিৰ মালিকক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰ দ্বাৰা খুব বেছি টকা এটা খৰছ নহয় আমাৰ গড়কাপ্তানি বিভাগৰ বিষয়া সকলে প্ৰাককলন কৰোতে বৰ কাৰচাজি কৰে। এটা বাণ্টাত যদি ১০ হাজাৰ টকাৰে বাণ্টাতো সম্পূৰ্ণ হয় তেনেহলে সেই বাণ্টাতত তেওঁলোকে প্ৰাককলন কৰিব ২০ হাজাৰ টকাৰ। প্ৰাককলন কৰোতে ঠিকাদাৰৰ লাভ আৰু কিবা কিৰি সব লগ লগাই প্ৰাককলন কৰে। আৰু সেই হিচাৱে ঠিকাদাৰেও কাম লবৰ সময়ত পেমেণ্ট কৰিব লাগে, মেজাৰমেণ্টৰ সময়ত পেমেণ্ট কৰিব লাগে, লেবাৰৰ খৰছ ন্যায্যভাৱে দিবই লাগিব আৰু মেটেৰিয়েলচ কিনিব লাগে, মেজাৰমেণ্ট চাৰমিট কৰোতে পইছা দিব লাগে বিল তৈয়াৰ কৰোতো পইছা দিব লাগে বিল পাচকৰোতে বৰা চাহাবক পইছা দিব লাগে

আনকি বিল কেচ কৰোতেও কেতিয়াবা বেংকত পইছা খৰছ কৰিব লগীয়া হয়। ইমান খৰছ কৰাৰ পাছতো ঠিকাদাৰৰ মুনাফা থাকিবই লাগিব। এইবিলাক ভাবি চিন্তিয়ে প্ৰাককলন কৰোতে সেইবিলাক ঠিক কৰিথৈ দিয়ে। ইয়াৰ ফলত ৰাইজৰ লোকচান হয় কাৰণ যি কাম ১৫ হাজাৰত হল হেতেন সেই কামত ২৫ হাজাৰ খৰছ কৰিব লগীয়া হয়। এইবিলাক যেতিয়া আমি সদনত উতথাপন কৰিম তেতিয়া মন্ত্ৰী মহোদয়ে কব যে কোনো প্ৰমাণ নাই স্পেচিফিক প্ৰমাণ নাই স্পেচিফিক প্ৰমাণ দিব পাৰিলে তদন্তৰ ব্যৱস্থা কৰিম।

আমাৰ মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়েও ইফালে থাকোতে এনেধৰণৰ অভিযোগ কৰিছিল তেতিয়া তেখেতেও সেইধৰণৰ উত্তৰ তাহানিখন পাইছিল এতিয়া অৱশ্যে তেখেতে কি উত্তৰ দিয়ে নাজানো।

তাৰ পিচত আমাৰ শ্ৰমিক বাহিনীৰ কাহিনী অলপ আলোচনা হোৱা উচিত। আইদিয়াটো ভাল আছিল কাৰণ শ্ৰমিক বাহিনী পঞ্জিয়ন কৰি তেওঁলোককে কাম দিয়া হব আৰু তাৰ দ্বাৰা শ্ৰমিক সকল উপকৃত হব আৰু মুনাফাখিনি তেওঁলোকৰ হাততে থাকিব। উদ্দেশ্যটো ভাল কিন্তু কাৰ্য্য ক্ষেত্ৰত আমি কি দেখিছো ? শ্ৰমিক বাহিনীৰ নামত যথেষ্ট কেলেংকাৰী চলিছে। গড়কাপ্তানি বিভাগৰ কৰ্মচাৰী সকলে শ্ৰমিক সকলৰ শ্ৰমিক বাহিনীৰ নামত তেওঁলোকে নিজে সুবিধা আদায় কৰি আছে। এই গড়কাপ্তানি বিভাগৰ বিভিন্ন কৰ্মচাৰীৰ এটা দুটাই নহয় দহটা পৰ্য্যন্ত শ্ৰমিক বাহিনী আছে। এইটো কাৰ্য্যবাহী অভিযন্তাৰ বাহিনী, সেইটো এচ দি ও চাহাবৰ বাহিনী, অমুক তমুক শ্ৰম বাহিনী কৰি গোটেই হৰিলুট কৰিছে। শ্ৰমিক সকলে যাতে উপকৃত হব পাৰে তাৰ কাৰণে মই কিছু পৰামৰ্শ আগবঢ়াব খুজিছো। শ্ৰমিক বাহিনী ৰেজিষ্ট্ৰেচনৰ নিয়মটো সলনি কৰিব লাগে তেওঁলোকক ট্ৰেড ইউনিয়নৰ নিচিনা এটা অনুষ্ঠান কৰি বেলেগ কৰ্তৃপক্ষৰ হাতত ৰেজিষ্ট্ৰেশনৰ ক্ষমতা দিব লাগে আৰু দৰ্কাৰ হলে মূলধন খিনিও চৰকাৰে দিয়াৰ ব্যৱস্থা কৰিব লাগে। শ্ৰমিক বাহিনী ৰেজিষ্ট্ৰেচনৰ দায়ীত্ব গড় কাপ্তানি বিভাগৰ কৰ্মচাৰীক দিব নালাগে। যিজন কাৰ্য্যবাহী অভিযন্তাই তেওঁলোকৰ ৰেজিষ্ট্ৰেচন কৰায় তেওঁ আকৌ কাম দিয়ে। ফলত অন্যায় আৰু অবিচাৰৰ সম্ভাৱনা যথেষ্ট থাকে। গতিকে এই নিয়মটো সলনি কৰি আমাৰ ঠায়ে ঠায়ে লেবাৰ অফিছাৰ আছে তেওঁলোকক এই দায়ীত্ব অৰ্থাৎ ৰেজিষ্ট্ৰেচনৰ দায়িত্ব দিব লাগে। লগতে শ্ৰমিক বাহনীক তেওঁলোকৰ যিখিনি মূলধনৰ দৰ্কাৰ সেইখিনি যদি দিয়াৰ ব্যৱস্থা কৰিব পাৰে তেনেহলে হয়তো উদ্দেশ্য সফল হব নহলে শ্ৰমিকৰ নামত ন্যস্ত স্বাৰ্থ চক্ৰই সকলো সুবিধা আদায় কৰিব।

চতুৰ্থ পৰিকল্পনাত কিছুমান ৰাস্তা নিৰ্ম্মান কৰা হল, কিন্তু ক্ষতিপূৰণৰ টকা এতিয়াও আদায় দিয়া নাই।

উপাধ্যক্ষ মহোদয়, চতুৰ্থ পৰিকল্পনাত কিছুমান ৰাস্তা কৰা হল, সেইবিলাকৰ ক্ষতিপূৰণৰ টকা এতিয়ালৈকে দিয়া নাই। কিমান বছৰ পাৰ হৈ গল অথচ চৰকাৰ এই সম্পৰ্কে একেবাৰে নিমাত। দৃষ্টান্ত হিচাবে মই কওঁ যে বিলাসীপাৰা সমষ্টিত কেইবাটাও ৰাস্তা চতুৰ্থ পৰিকল্পনাত লোৱা হৈছিল। সেই ৰাস্তাবিলাকৰ ক্ষতিপূৰণৰ টকা এতিয়াও দিয়া হোৱা নাই। মোৰ মতৰ অভাৱত ৰাস্তাবিলাকৰ অৱস্থাও বেয়া হৈছে। এবাৰ টকা দিলে, ৰাস্তা নিৰ্ম্মাণ হল। পিচত যে সেই ৰাস্তা মেৰামতি কৰিব লাগে বা দৰকাৰ আছে সেই কথা চৰকাৰৰ মনত নাই। তাৰ ফলত ৰাজহুৱা সম্পদ প্ৰতি বছৰে লাখ লাখ, কোটি কোটি টকাৰ সম্পদ অপচয় হৈছে। যত দলঙৰ দৰকাৰ তাত দিয়া হোৱা নাই। ৰাস্তাত লিক হলেও মেৰামতিৰ কোনো ব্যৱস্থা নাই। গেং কুলিয়ে কাম নকৰে। গড় কাপ্তানি বিভাগৰ মজদুৰ, মাষ্টাৰ ৰোলৰ লেবাৰ সম্পৰ্কে কেইবা জনো মাননীয় সদস্যই উল্লেখ কৰিছে। কাগজ পত্ৰই বহুত শ্ৰমিকৰ নাম থাকে, কিন্তু প্ৰকৃততে কামকৰা লেবাৰৰ সংখ্যা নিচেই কম। ৩।৫।১০ জন লেবাৰে কাম কৰে, কিন্তু ৩০ জনৰ হাজিৰা আদায় হৈ থাকে। মাহেকৰ মূৰত মাতি আনি চহি একোটা কৰাই দুটা টকা দি বাকী খিনি আত্মসাৎ কৰা হয়। এইবিলাকৰ উপযুক্ত তদন্ত হব লাগে এই খিনিতে মই গড়কাপ্তানি বিভাগৰ মন্ত্ৰীমহোদয়ক উপদেশ দিব খোজোঁ যে দৰমহা দিয়া দিনা মন্ত্ৰী ডাঙৰীয়াই এচ. ডি. অ' অফিছত হৈ surprise ভিজিট দিব লাগে আৰু অনুসন্ধান কৰিব লাগে, তেতিয়া লেবাৰৰ আচল সংখ্যা ওলাই পৰিব ; মাষ্টাৰ ৰোলাৰ লেবাৰৰ চাকৰি স্থায়ী হব লাগে আৰু তেওঁলোকৰ দৰমহা বঢ়াব লাগে।

উপাধ্যক্ষ মহোদয়, ঠিকাদাৰৰ ক্ষেত্ৰত এটা কথা আমি সকলোৱে জানো যে এক শ্ৰেণী মধ্যবিত্ত ঠিকাদাৰে কোনোৰকম কম টকা পইচা ধাৰে আনি দুই এটা সৰু সুৰা কণ্ট্ৰেক্ট কৰিব খুজিলেও কৰিব নোৱাৰে, কাৰণ তেওঁলোকে পাব পৰা কণ্ট্ৰেক্টৰ কাৰণে টকা পইচা খৰচ কৰিব নোৱাৰে। এই গড়কাপ্তানি বিভাগটো দুৰ্নীতিৰ বিৰাট আড্ডা হৈ পৰিছে। দুখীয়া কণ্ট্ৰেক্টৰে কাম নাপায় আৰু পালেও নানা ৰকমৰ হাৰাশাস্তি পাব লগা হয়। মই এটা উদাহৰণ দিব খুজিছো। এজন কণ্ট্ৰেক্টৰে এজন একজিকিউটিভ ইঞ্জিনিয়াৰৰ ঘৰ মেৰামতিৰ কাম যেনে চূণ দিয়া, হোৱাইট ওৱাচ কৰা আদি কাম এটা পালে, সেইটো আছিল চৰকাৰী বাসভৱন। এষ্টিমেট মতে তেওঁ হালধীয়া পেইন্ট কৰিলে। হালধীয়া ৰং দেখা পাই মেম চাহাবৰ খং উঠি গল। সচা কথা, মেমচাহাব গৰাকীৰ এটা সৌন্দৰ্য্যবোধ আছে আৰু সেই কাৰণেই তেওঁ হালধীয়া ৰংটো বদলাই আকাশ নীলা ৰং দিবলৈ হুকুম দিলে চাহাব অফিচত থাকোঁতেই মেম চাহাবে এই হুকুম দিয়াত কণ্ট্ৰেক্টৰৰ উপায় নোহোৱা হল। একজিকিউটিভ ইঞ্জিনিয়াৰৰ সুদক্ষ মেম চাহাব।

(ধ্বনী—তেখেতে ছন্ম বেশ লৈ গৈছিল নেকি ?)

মাননীয় সদস্যই লাহে লাহে গম পাব। অবশেষত মেম চাহাবৰ মৰ্জিত ৰং পৰিবৰ্ত্তন কৰিব লগীয়া হল। ফলত এষ্টিমেটতকৈ ১০ হেজাৰ টকা বেছি খৰচ হল। তাৰ পিচত বিল দিলে, একজিকিউটিভ ইঞ্জিনিয়াৰ বিপদত পৰিল। চেংচনতকৈ এক পইচাও বেছি দিব নোৱাৰে। একাউণ্টেণ্টে বিলত আপত্তি কৰিলে। সেই বেচেৰা কণ্ট্ৰেক্টৰজনে আজিও টকা পোৱা নাই। তেওঁৰ কণ্ট্ৰেক্ট কৰাৰ সপোন ভঙ্গ হৈ গল। গতিকে গড়কাপ্তানি বিভাগটোত বহুতো বা কিবি কৰিব লগীয়া আছে। মই আশা কৰিছো আৰু নতুন চৰকাৰক অনুৰোধ কৰো নতুন উদ্যম লৈ আজি ইমান দিনে আৱৰ্জনাৰে ভৰি থকা এই বিাগভটো ঠিক ভাবে গঢ় দিবলৈ চেষ্টা কৰিব লাগে আৰু ৰাজ্যখনত যাতে যাতায়াতৰ সুবিধা হয় তাৰ কাৰণে চকু দিব লাগে। যাতায়াতৰ সুবিধাৰ ওপৰতেই ৰাজ্যখনৰ অৰ্থনৈতিক উন্নতি নিৰ্ভৰ কৰে। তাৰ কাৰণে চৰকাৰে ব্যৱস্থা লব লাগে।

এই খিনি কৈ মই প্ৰস্তাবটো সমৰ্থন কৰিছো।

Mr. DEPUTY SPEAKER : Order, Order, the discussion will continue after lunch. Now the House stands adjourned till 2-30 p.m.

( After lunch )

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ :—শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, মই গড়কাপ্তানী বিভাগৰ কৰ্তন প্ৰস্তাবটো সমৰ্থন কৰি দুআষাৰমান কব বিচাৰিছো। যদিও আমাৰ গড়কাপ্তানী, বিভাগত প্ৰত্যেক বছৰে কোটি কোটি টকা চেংচন কৰা হয় আৰু সেই টকা খৰচ কৰি থকা হয়, কিন্তু সেই অনুপাতে ৰাস্তা ঘাট, ঘৰ দুৱাৰ আদিৰ কোনো উন্নতি হোৱা নাই। বিশেষকৈ গাঁও অঞ্চলৰ ৰাস্তাবোৰৰ অৱস্থা একেবাৰে শোচনীয়। পঞ্চবাৰ্ষিক পৰিকল্পনাত প্ৰত্যেক, সমষ্টিতে বছৰি দুই তিনিটা কৈ ৰাস্তা লোৱা হয় আৰু সেই বোৰ বছৰৰ মুৰত শেষ কৰিবলৈ দিয়া হয়। কিন্তু সেইদৰে, সমভাৱে বিতৰণ কৰাৰ ফলত যিবিলাক একেবাৰে পিচপৰা অঞ্চল সেইবিলাক পিচ পৰি থাকে। গতিকে এই পিচপৰা অঞ্চল বিলাকৰ প্ৰতি বিশেষ দৃষ্টি দিব লাগে। বিশেষকৈ যত জনসংখ্যা বেছি আৰু দুখীয়া খেতিয়ক সকল বাস কৰে সেই ঠাইত বেছিকৈ ৰাস্তা ঘাট তৈয়াৰ কৰাৰ কাৰণে চৰকাৰে মনোযোগ দিব লাগে। যেনে বৰপেটাৰ দক্ষিণ অঞ্চল, মঙ্গলদৈৰ দক্ষিণ অঞ্চল, এইবিলাকত জনসংখ্যা বেছি আৰু ইয়াত দুখীয়া খেতিয়ক সকল বাস কৰে। এই বিলাক অঞ্চলৰ ৰাস্তা ঘাটবোৰ বৰ বেয়া আৰু বাৰিষা হলে মানুহ অহা যোৱা কৰিব নোৱাৰা হয় বেমাৰ হলেও মানুহ হস্পিতেললৈ যাব নোৱাৰে ফলত বহুতো মানুহ মৃত্যু মুখত পৰে।

(ভইচেচ :—এই দুটা অঞ্চলেই অকল বেয়া নেকি ?)

মই উদাহৰণ স্বৰূপেই এই অঞ্চল দুটাৰ কথা কৈছো। আমাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয় যথেষ্ঠ অভিজ্ঞ লোক আৰু এই বিষয়ে তেখেতে সদায় সমালোচনা কৰিছিল। এতিয়া তেখেতৰ নিজৰ ওপৰতেই দায়িত্ব পৰিছে। তেখেতে এই খিনি কাম ভালদৰে কৰিব বুলি মোৰ বিশ্বাস।

গড়কাপ্তানী বিভাগত যথেষ্ঠ দুনীতি আছে এই কথা বোধকৰো সকলোৱে স্বীকাৰ কৰিব। আমি যিমান টকা পইচা খৰচ কৰো সেই অনুপাতে কাম হৈ নুঠে। আমি যোৱা ৫ বছৰৰ অভিজ্ঞতাৰ পৰা কব খোজো যে যিবিলাক ৰাস্তা কৰিবলৈ বা মেৰামতিৰ কাৰণে দিয়া হৈছিল সেইবিলাকত যি পৰিমাণৰ পাথৰ দিব লাগে সেইদৰে দিয়া নাই। আৰু যেনেকৈ ৰোক টপিং কৰিব লাগে সেইদৰেও কৰা নাই। নহলে ইয়ান সোনকালে ৰাস্তা কিয় বেয়া হব। সাধাৰণতে দেখা যায় কিছুমান পাথৰ এটা ৰাস্তাৰ কাষত পেলাই আৰু কেইদিন মানৰ পিচত তাৰ পৰা অন্য ৰাস্তালৈ উঠাই লৈ যায়। অৱশ্যে টকা পইচা পাইয়েই আছে। এইবিলাক কেনেকৈ হবলৈ পাইছে এইটো ভালকৈ চাব লাগে। অফিচাৰ সকল, ঠিকাদাৰ আৰু ৰাইজে লগলাগি এই কাম বিলাক ভালকৈ চাব লাগে। লগতে ৰাইজৰ প্ৰতিনিধিও এইক্ষেত্ৰত মনোযোগ দিলে ভাল হয়। আমি এই ক্ষেত্ৰত সকলোৱে দেখিছো যে জৰুৰী কালিন সময়ত কেবাজনো ইঞ্জিনিয়াৰক চাচপেন কৰা হৈছিল এই দুনীতিৰ অপৰাধত। জৰুৰীকালিন অৱস্থা উঠাই দিয়াৰ পিচতো আকৌ দেখিছো যে দুনীতিয়ে আকৌ প্ৰশ্ৰয় পাইছে। এতিয়া দেখিছো চিমেণ্ট, লোহা ইত্যাদি আৱশ্যকীয় সামগ্ৰী সমূহৰ অনাটন হৈছে। ফলত গড়কাপ্তানী বিভাগে ঘৰ দুৱাৰ ৰাস্তা ঘাট আদি কাম বিলাক কেনেকৈ কৰিব তাত সন্দেহ আৰু ইয়াত যি টকাৰ দাবী কৰিছে সেই টকানো কেনেকৈ খৰচ কৰিব। আমি বহুত ঠাইত দেখিছো ভাল ভাল ঠিকাদাৰ আছে আৰু বহুত শিক্ষিত ধুবকেও এই ক্ষেত্ৰত আগবাঢ়ি আহিছে। কিন্তু বিভাগীয় কাম বিলাক ঠিকমতে ভগাই দিয়া হোৱা নাই। কিছুমান নামকৰা ঠিকাদাৰেই সদায় কাম পাই থাকে কাম লাগিলে ভালনহকেই। আনহাতে কিছুমান ভাল কাম কৰা নতুন ঠিকাদাৰে কাম নাপায়। উদাহৰণ স্বৰূপে খাৰুপেতীয়াত এজন ঠিকাদাৰ আছে তেওঁৰ মই নাম নকওঁ। তেও মিউনিচিপেলিটিৰ চেয়াৰম্যান। এই বিষয়ত তেওঁৰ একচেতীয়া হাত আছে। তেওঁ সকলো বিভাগতে সকলো কাম যেনে দলং সজা, ঘৰ বন্ধা, ৰাস্তা কৰা, আদি সকলো কাম লয়। তেওঁ থকাৰ কাৰণে নতুন ঠিকাদাৰ সকলে কাম নাপায়। যেনে—'বৰ গছ এজোপা থাকিলে তাৰ তলত অন্য গছ হব নোৱাৰে।' ঠিক তেনেকৈয়ে তেওঁ একচেতীয়া কাৰবাৰ চলাই আছে। তেওঁলোকক এইবিলাক কামৰ দায়িত্ব দিব লাগে আৰু বিশেষকৈ ধুলুৱা উঠি অহা ইঞ্জিনিয়াৰ সকলক এই ক্ষেত্ৰত অগ্ৰাধিকাৰ দিবলৈ মই গড়কাপ্তানী বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিছো।

আমাৰ কিছুমান চৰকাৰী স্কুল ঘৰ আছে। এইবিলাক গড়কাপ্তানী বিভাগে মেৰামতি কৰে। কিন্তু আমি জনাত এই গড়কাপ্তানী বিভাগৰ ঘৰ বিলাকৰ কিছুমান পেটাৰ্ণ আছে আৰু সেই পেটাৰ্ণৰ লগত মিলিলেহে তেওঁলোকে মেৰামতি কৰে। নহলে নকৰে। এটা কম্পাউণ্ডত যদি দুটা ঘৰ থাকে যিটো ঘৰৰ পেটাৰ্ণ গড়কাপ্তানী বিভাগৰ মতে মিলে সেইটোহে মেৰামতি কৰে আনটো নকৰে। গতিকে এই নিয়ম বিলাক শিথিল কৰি বহল মনোভাব লৈ এই ঘৰ বিলাক মেৰামতি কৰিব লাগে। উদাহৰণ স্বৰূপে নগাঁও চৰকাৰী ছোৱালী হাইস্কুল, আৰু গোৱালপাৰাৰ ছোৱালী হাইস্কুল দুখন এই পেটাৰ্ণত নপৰে কাৰণে মেৰামতি নকৰে। ফলত এনেদৰে ৰাজহুৱা সম্পত্তি নষ্ট হৈ আছে।

মাষ্টাৰবোলৰ কথা কেইজনমান মাননীয় সদস্যাই কৈ গৈছে। এইটো কথা সকলোৱেই জানে। মাষ্টাৰ বোলত যি সকলে কাম কৰি আছে তেওঁলোকৰ এটা সুনিশ্চিত ভবিষ্যতৰ কাৰণে কিবা এটা ভাল ব্যৱস্থা কৰিব লাগে। কাৰণ এইটো এটা বেমেজালিয়া কথা হৈ আছে। গতিকে এইটোৰ এটা ভাল ব্যৱস্থা কৰিবলৈ অতি সোনকালে চেষ্টা কৰিব লাগে। যি সকলে মাষ্টাৰ বোলত বহুত দিন ধৰি কাম কৰি আহিছে সেই বিলাক চাই চিতি উপযুক্ত লোকক স্থায়ী ভাবে চাকৰিত নিযুক্তি দিব লাগে আৰু তাৰ দ্বাৰাই তেওঁলোকৰ ভবিষ্যত সুনিশ্চিত হব।

আমাৰ মেডিকেল বিভাগৰ যি বিলাক ঘৰ দুৱাৰ আছে আৰু আমাৰ যি বিলাক ডাক্তৰ আছে সেই সকলৰ ঘৰ দুৱাৰ হোৱা অতি আৱশ্যকীয় কথা। আমাৰ মেডিকেল বিভাগৰ ফালৰ পৰা ইয়াৰ

কাৰণে আগৰে পৰাই ষ্ট্ৰাইক কৰি আহিছেঁ। এই ষ্ট্ৰাইক কৰাটো তেওঁলোকৰ কাৰণে সমীচিন হৈছে। আমি জানো যে আমাৰ যি সকল ডাক্তৰ আছে সেই সকলে দিনে ৰাতিয়ে কাম কৰিব লাগে। অন্যান্য চাকৰিয়ালৰ দৰে ১০ বজাৰ পৰা ৪টা বজালৈ চাকৰি কৰিলে নহয়। ৰাতি ১২টা ১টা বজালৈকে তেওঁলোকে কাম কৰিব লাগে। কাৰণ তেওঁলোকে মানুহৰ স্বাস্থ্যৰ কাৰণে কাম কৰে। সেই কাৰণে এই ডাক্তৰ সকলৰ যি বিলাক দাবী, নাৰ্চ বিলাকৰ যি বিলাক দাবী সেই বিলাক সমীচিন বুলি মই ভাবো। ডাক্তৰ নাৰ্চৰ কাৰণে যি বিলাক ঘৰ দুৱাৰ কৰে সেই বিলাক প্ৰাইমাৰী হেল্থ চেণ্টাৰৰ ওচৰতে কৰিব লাগে। যাতে যেতিয়াই ঔষধ পাতি ৰাইজে বিচাৰে তেতিয়া তেনে ভাবেই দিব পাৰে। এই কুৱাৰ্টাৰ বিলাক আতৰত কৰিলে ৰাইজক ঔষধ পাতি দিয়াত বেমেজালি হোৱা দেখা যায়। সেই কাৰণেই ডাক্তৰৰ ঘৰ , কম্পাউণ্ডাৰৰ ঘৰ আৰু নাৰ্চৰ ঘৰ হেল্থ চেণ্টাৰ বিলাকৰ ওচৰত হব লাগে। ডাক্তৰ সকলৰ থকা মেলাৰ সুবিধা বিলাক ভাল ধৰণেৰে কৰি দিব লাগে। ইয়াত হাউচিঙৰ কথাও আহিছে। আমাৰ যি বিলাক চাকৰিয়াল আছে সেই বিলাক চৰকাৰী চাকৰিয়ালেই হওক বা ডাক্তৰেই হওক সেই সকলে সকলো ঠাইতে ঘৰ দুৱাৰ পোৱা টান কথা কিছুমান ঠাই আছে যি বিলাকত ভাৰা ঘৰৰ দাম বৰ বেচি আৰু এনে কিছুমান ঠাই আছে যি বিলাকত ভাৰা ঘৰ বিচাৰি পাবলৈ নাই। সেই কাৰণে এজন অফিচাৰ ট্ৰেন্সফাৰ কৰিলেও যাব নিবিচাৰে। যাব নিবিছৰাৰ মূল কাৰণ হল যে তেওঁলোকে গৈয়ে ঘৰ নাপায়। গতিকে কত থাকিব কি কৰিব সেই বিলাক কথা ভাবিয়েই যাবলৈ ইচ্ছা নকৰে। সেই কাৰণে যদি কুৱাৰ্টাৰৰ ব্যৱস্থা কৰি দিব পৰা হয় তেতিয়াহলে সেই সকলৰ ট্ৰেন্সফাৰ হলেও যাবলৈ অনিচ্ছুক নহব। গতিকে কথা চিন্তা কৰি যি বিলাক চাকৰিয়াল বা ডাক্তৰ আছে সেই সকলে কুৱাৰ্টাৰ আদি পাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে এই বিলাক নোপোৱাৰ কাৰণেই মেডিকেল বিভাগে আজি বহুত দিন ধৰি দাবী উথাপন কৰি আহিছে। এই বিলাক কথা বহুত দিনীয়া পুৰণি কাৰণে মই এই বিষয়ত কবলৈ বিচৰা নাই। আমাৰ যি বিলাক কাম হৈ আছে সেই বিলাক কাম খৰটকীয়া কৰিবলৈ মই অনুৰোধ জনালো। অৱশ্যে এই কাম কেৱল যে গড়কাপ্তানী বিভাগৰ মন্ত্ৰীৰ দ্বাৰাইহে সম্ভৱপৰ হব সেই কথা নহয়। টকা যি হিচাবে চেংচন হয় সেই হিচাপেই অফিচাৰ সকলেও এই বিলাক কামত সহযোগ কৰিব লাগিব। মন্ত্ৰীৰ দূৰদৰ্শীতা, নীতি, পলিচিৰ সুবিচাৰ কৰাটোৱেই হৈছে মাই কাম। অফিচাৰ সকলে সহযোগ কৰিলে ঘৰ দুৱাৰ মেৰামতিৰ কাম, ৰাস্তা ঘাটৰ কাম আৰু দলঙৰ কাম, আদি কামত আগবাঢ়ি যাব পৰা হব। আমি দেখিছো যে আমাৰ অসমত বহুত বিলাক দলং, হৈছে। কিন্তু দলং আদি হোৱাতে হৈছে নোহোৱাত হোৱা নাই। তাৰোপৰি কিছুমান ঠাইত ডাঙৰ দলঙৰ প্ৰয়োজন আছে। মঙ্গলদৈৰ শিঙৰিৰ ওচৰত ধনশীৰিত এখন ডাঙৰ দলঙৰ অতি আৱশ্যক। থৰালি দিনত এই ঠাইত বাহৰ দলং দিয়া হয়। এই দলংখন হলে তেজপুৰলৈ ২২ মাইল কমি যাবা সেই বাবে এনে ধৰণৰ যি বিলাক ঠাইত ডাঙৰ দলং দিছে এই বিলাকৰ দ্বাৰা যাতে ৰাইজক সুবিধা হয় আৰু কাম হয় আৰু ৰাস্তাও চমু হয় তাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ চুটী ৰাস্তা হলে সকলো ফালৰ পৰাই ভাল। আমাৰ কিছুমান ঠাই ৰাস্তা ঘাট দলং আদিত আগবাঢ়ি গৈছে কিন্তু কিছুমান ঠাই পিচপৰি আছে। আমি জনাত বাঘবৰ অঞ্চলটো অতি পিচপৰি আছে। গতিকে যিবিলাক অঞ্চল এতিয়াও অতিকৈ পিচপৰি আছে সেই বিলাক ঠাই ৰাস্তা ঘাট কৰি আগবঢ়াই আনি বৈষম্য দূৰ কৰিব লাগে। থিক তেনেকৈ আন আন অঞ্চল বিলাক, যি বিলাকত এতিয়াও ভাল ৰাস্তা, দলং আদি হোৱা নাই সেই বিলাক সমস্তিত গুৰুত্ব দি পিচপৰা অঞ্চল বিলাকত অগ্ৰাধিকাৰ দি আমাৰ প্ৰদেশৰ ৰাস্তা ঘাট দলং তৈয়াৰ কৰিবলৈ বিশেষ দৃষ্টি দিবলৈ মই গড়কাপ্তানী মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। মূঠ কথা হল এতিয়া যদিও সময় কম হৈছে তথাপি আমাৰ যিখিনি কাম বৰ্ত্তমান আৰম্ভ কৰিব লাগিছিল তেনে ধৰণৰ আশা আমি দেখা পোৱা নাই। সেই বাবে আমাৰ ইয়াৰ পৰা যি বিলাক অবদান যায় তাৰ কাৰণে দৃষ্টি ৰাখিব লাগে। আমাৰ কথা বিলাক যেনেকৈ কোৱা হয় তেনেকৈ নহলে ৰাইজৰ বিশ্বাস হেৰাই যায়। আৰু মনত সন্দেহ আহি পৰে। সেই কাৰণেই ইমান কোটি টকা চেংচন কৰিবলৈ যাওতে আমি গোটেই কথা বিলাক ভাল ধৰণেৰে বিবেচনা কৰিব লাগৰ। তেতিয়াহে চেংচন দিব পৰা হব। আমি জানো যে যি বিলাক ৰাস্তা বেয়া হয় সেই বিলাক গড়কাপ্তানী বিভাগে মেৰামতি কৰে। কিন্তু গড়কাপ্তানী বিভাগে কি মেৰামতি কৰে সেই কথা সকলোৱে জানে। অলপ অচৰপ বং চং দি বিল পাচ কৰি ঠিকাদাৰে লৈ যায়। কোটি কোটি টকা আমাৰ প্ৰদেশ খনক আগবঢ়াবলৈ দিয়া হৈছে। আমাৰ প্ৰদেশৰ ৰাস্তা ঘাট তৈয়াৰ কৰিবলৈ দিয়া হৈছে।

চাৰ্কিয়াল সকলক ঘৰ দুৱাৰ দিয়া হৈছে, অফিচ দিয়া হৈছে সেইবিলাক যদি ভাল ধৰণে ব্যৱহাৰ নহয় তেন্তে বাইজে টকা খৰচ কৰিবলৈ দিবৰ কাৰণে কেনেকৈ সন্মত হব পাৰে? পইচা বিলাক যাতে ভাল ধৰণে খৰচ হয়, গড়কাপ্তানী বিভাগত যাতে দুনীতি নহয় আৰু বৃজন অংশ যাতে কামত লগাব পাৰো তাৰ ব্যৱস্থা নিশ্চয় চৰকাৰে গ্ৰহণ কৰিব। যদি তেনে ধৰণৰ ব্যৱস্থা নলয় তেন্তে টকা বিলাক আগৰ দৰেই এনেই যাব, ভালকৈ ব্যৱহাৰ নহব। ৰাস্তা-ঘাট কৰিবৰ কাৰণে শিল এফালে দিব আকৌ আন ফালে লৈ যাব, ঘৰ এক্সটেনচনৰ নামত বিল লৈ যাব। এই দৰে হলে দেশৰ উন্নতি সাধিত নহব এই কথা সকলোৱে স্বীকাৰ কৰো। সেই বাবে এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Shri BIRESH MISRA : Sir, we have already entered our name We want to speak; we are also the proposers of certain Cut Motion should we not get chance to speak ?

Mr. SPEAKER : You will get chance. The movers will speak first.

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই কবলৈ বিচাৰিছো বিগত ৩০ বছৰত গড়কাপ্তানি বিভাগৰ নামত কোটি কোটি টকা খৰচ কৰা হৈছে আৰু আগৰ মাননীয় সদস্য গৰাকীয়ে ভাল ভাৱেই কৈছে প্ৰকৃততে ৰাস্তা ঘাট নিৰ্ম্মাণ কৰাৰ নামত বা চৰকাৰী বিল্ডিং নিৰ্ম্মাণ কৰাৰ নামত টকা খৰচ কৰা হৈছে, তাৰ এটা বিশেষ অংশ ব্যক্তিগত কিছুমান মানুহৰ ধনৰ ভঁৰালত শক্তিশালী কৰাৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হৈছে। আজি আমি নতুন চৰকাৰ পাইছো আৰু ইয়াত এই বাজেট উত্থাপন কৰিছে। ইয়াতো এইবাৰ দেখিছো গড়কাপ্তানি বিভাগৰ নামত কোটি কোটি টকা লোৱা হৈছে। কিন্তু প্ৰথম অৱস্থাত এই চৰকাৰক সোঁৱৰাই দিব খুজিছো যে আগৰ নিচিনা যাতে নহয়। বিশেষকৈ ইয়াৰ প্ৰতি বিভাগে দৃষ্টি ৰাখিব লাগিব। আমি দেখিছো সকলো কাম মাৰ্চ মাহত আৰম্ভ হয় আৰু শেষত টকা ব্যৱহাৰ কৰিব নোৱাৰি, টকা বিলাক ঘুৰাই পঠোৱা হয়। বিক্ষাণ্ড কৰা হয়। লাখ লাখ টকা গড়কাপ্তানি বিভাগৰ পৰা যোৱা মাৰ্চ মাহত উভতাই পঠিয়াই দিয়া হৈছে, যেন গোটেই ৰাজ্যত ৰাস্তা ঘাট বা চৰকাৰী বিল্ডিং আদিত খৰচ কৰিবৰ কাৰণে কোনো ঠাই নাই। অথচ আমি দেখিছো সমগ্ৰ ৰাজ্যত ৰাস্তাৰ ক্ষেত্ৰত, বিল্ডিংৰ অৱস্থাৰ ক্ষেত্ৰত কি অৱস্থা হৈ আছে। কিন্তু বিভাগে খৰচ কৰিবৰ ঠাই নাপায়। এইটো অদ্ভুত কথা। ইয়াৰ কাৰণ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই অনুসন্ধান কৰি চাব বুলি আশা কৰিছো। আৰু ভৱিষ্যতে যাতে টকা ঘুৰাই পঠোৱা নহয়। প্ৰকৃত কামত প্ৰয়োগ হৈ দেশৰ ৰাস্তা ঘাট যাতে উন্নত হয় তাৰ বাবে যত্ন লব। এই সন্দৰ্ভত দুটা বিশেষ কথাৰ প্ৰতি দৃষ্টি গোচৰ কৰিব বিচাৰিছো। কৰিমগঞ্জত এটা কোৰ্ট বিল্ডিং সজাৰ নামত ২৮ লাখ টকা কন্ট্ৰেক্টৰক দিয়া হৈছে, কিন্তু তাত সামান্য মাটিৰ কাম কৰাৰ বাহিৰে একো কৰা হোৱা নাই। টকা দিয়া হৈ গৈছে। এইটো কেনেকৈ হব পাৰিলে বিভাগে অনুসন্ধান কৰিব আৰু এই অপচয় কৰাৰ কাৰণে যি দোষী তাৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিলো। তাৰোপৰি গোটেই ৰাজ্যখনত চৰকাৰী কিছুমান বিল্ডিংৰ কি দুৰৱস্থা হৈ আছে আমি প্ৰত্যেকেই নজনা নহয়। এই নতুন মন্ত্ৰী সভাৰ বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো সমগ্ৰ অসমৰ বিভিন্ন অঞ্চলত চৰকাৰী বিল্ডিং বিলাক কি শোচনীয় অৱস্থাত আছে। মই দৃষ্টান্ত ৰূপে আকৌ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে কৰিমগঞ্জৰ যি ট্ৰেজাৰী বিল্ডিং, বেংক বিল্ডিং কি অৱস্থাত আছে তালৈ এবাৰ গলে বা খবৰ কৰিলে বুজি পাব। তেনে অৱস্থাত চৰকাৰী ঘৰ এটা থকাটো অবাঞ্ছনীয় কথা। গোৱালপাৰাত এটা কোৰ্ট বিল্ডিং আছে। এই কোৰ্ট বিল্ডিংটো আজি ইমান বছৰে এটা জেইল হাজোতত চলি আছে। ইমান দিনে গোৱালপাৰা চহৰ বাসীয়ে, গোৱালপাৰাৰ ৰাইজে বিভিন্ন ভাৱে দাবী কৰি আহিছে—তাৰ এটা ব্যৱস্থা কৰিব লাগে। কিন্তু তাক কৰিব পৰা নাই। দৃষ্টান্ত ৰূপে দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে গোৱালপাৰাত এটা জুনিয়ৰ টেকনিকেল ট্ৰেইনিং ইন্সটিটিউট আছিল। এই অনুষ্ঠান বহুদিনৰ পৰা বন্ধ এই বিৰাট ঘৰটো কাহানিবাই কৰিছিল। এতিয়া সেই জুনিয়ৰ টেকনিকেল ট্ৰেইনিং ইন্সটিটিউটটোত ভূতে বাঁহ লৈছে। যোৱা ধুমুহাত চাল উৰুৱাই লৈ গৈছে। এই ঘৰটো অব্যৱহৃত হৈ পৰি আছে আৰু বিল্ডিংটোৰ প্ৰতি নজৰ ৰখাৰ ব্যৱস্থা কৰা হোৱা নাই। অথচ মই জানো বহুতো বিভাগৰ ঘৰৰ অভাৱ, বিল্ডিংৰ অভাৱ। ঠিক সেই দৰে গোৱালপাৰাৰ আগিয়াত থকা চৌকিদাৰৰ বিল্ডিংটোত

ভুতে বাঁহ লৈছে। ভাঁও চিঁঙি যাব ধৰিছে। কাৰ সম্পত্তি কোনোও নাজানে ঠিক তেনে অৱস্থাত চলি আছে। গোৱালপাৰাত চিভিল হাস্পাতাল এটা আছে। আপোনালোকে সকলোৱে জানে দক্ষিণ গোৱালপাৰা পিচপৰা, শিক্ষাৰ বিকাশ নাই। যান-বাহন, ৰাস্তা-ঘাট আদি বিকাশৰ কাৰণে আজিলৈকে ৩১ বছৰে কোনো নজৰ দিয়া নাই। এই চিভিল হাস্পাতালটোৰ ওপৰত এটা বিৰাট অঞ্চলৰ ৰাইজে নির্ভৰ কৰিছে। এই বিল্ডিংটো চহৰৰ মাজত আছে। বিল্ডিংৰ অৱস্থা কি? এইবোৰ খবৰ কৰিবৰ কাৰণে চেষ্টা কৰা নাই। এজন আই-স্পিচিয়েলিষ্ট দিছে, বহাৰ কাৰণে কোনো ঠাই নাই। আউট-দ'ৰত ডাক্তৰ বহাৰ ঠাই নাই। এই চাৰিডিভিজনেল চিভিল হাস্পাতালটো এটা বিৰাট অঞ্চলৰ স্বাস্থ্য ৰক্ষাৰ কাৰণে সেৱা আগবঢ়াবলৈ পতা হৈছে। কিন্তু তাত মাত্র ৪৬খন বেড ৰাখিছে। তাত টি, বি অবজাৰভেনচন ওৱাৰ্ড আছে। গোৱালপাৰাৰ শতকৰা ৮০ জন মানুহৰ টি, বি, বেমাৰ, চিকিৎসাৰ ব্যৱস্থা নাই। বিশেষকৈ কামলা কাম কৰা, ইমিগ্ৰেণ্ট সকলৰ শতকৰা ৮০ ভাগৰ টি, বি। চিকিৎসাৰ ব্যৱস্থা কিন্তু নাই। মই বিভাগীয় কর্তৃপক্ষক আহবান জনাইছো যাতে এই বিলাকৰ প্ৰতি নজৰ ৰাখে। মই আন এটা বিশেষ সমস্যাৰ প্ৰতি দৃষ্টি গোচৰ কৰিব বিচাৰিছো। আপোনালোক সমলোৱে জানে আৰু আমি গৌৰব কৰো অসমত সৈনিক স্কুল আছে। গোৱালপাৰাৰ ওচৰত মৰনৈত এই স্কুল অৱস্থিত। মাটি দিয়া হৈছে ৩ হাজাৰ ৭৮ বিঘা। এই ৩ হাজাৰ ৭৮ বিঘা মাটিৰ কি অৱস্থা হৈছে সেই বিষয়ে এতিয়া কোৱা সময় নহয়। তাত খেতি চলিছে, তাৰ আয় প্ৰিন্সিপালৰ নিজৰ হৈছে, এই বিলাক কথা কবলৈ নাযাওঁ।

অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ সংক্ৰান্তত মই এটা কথাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিবলৈ বিচাৰিছো। সেইটো হৈছে মৰনৈ আৰু কৃষ্ণাই ৰাষ্টাটো। সেই অঞ্চলৰ প্ৰায় ৫০ হাজাৰ মানুহ এই ৰাষ্টাটোৰ লগত ওতঃপ্ৰোত ভাবে জৰিত। স্কুলীয়া ছাত্র, চিকিৎসা, ব্যৱসায় আদি সকলোৱে লগত জৰিত। সৈনিক স্কুলত ৩ হাজাৰ ৭৮ বিঘা মাটি দি সেই ৰাষ্টাটো বন্ধ কৰি দিয়া হৈছে। আৰু এই ৰাষ্টাটো বন্ধ কৰি দিয়াৰ বাবে মৰনৈৰ মানুহয়ে প্ৰায় ৮ কিলোমিটাৰ ৰাষ্টা ঘূৰি যাবলগীয়া হয়। চিকিৎসাৰ ক্ষেত্ৰতো আজি একেই অৱস্থা হৈছে। আনকি আন আন সৰু সৰু কিছুমান কামতো না না ৰকমৰ খেমেজালীৰ সৃষ্টি হয়। আজি ৪ বছৰে এই চৰকাৰৰ ওচৰত কিমান অনুনয় বিনয় কৰা হল, কিমান স্মাৰক পত্ৰ দিয়া হল আগৰ মুখ্য মন্ত্রী সিংহ ডাঙৰীয়া থাকোতে তেখেতকো এবাৰ মাতি নি দেখুৱা হল, আৰু সেই ৰাস্তা খুলি দিবৰ বাবে বহুতো আবেদন নিবেদন কৰা হল কিন্তু আজিলৈকে কাৰ্য্যক্ষেত্ৰত একো হোৱা নাই। সেই অঞ্চলৰ মানুহৰ যথেষ্ট কষ্ট হৈছে। আজি পৰ্য্যন্ত তাৰ বাবে কোনো বিশেষ ব্যৱস্থা কৰা হোৱা নাই।

অধ্যক্ষ মহোদয়, এইবাৰ বিহুৰ সময়তে আমাৰ জনতা চৰকাৰৰ নতুন মুখ্য মন্ত্রী বৰবৰা ডাঙৰীয়াইও এই ৰাস্তা চাই আহিছে আৰু তেখেতৰ ওচৰতো স্মাৰক পত্ৰ দিয়া হৈছে যে অনতিপলমে এই সমস্যাটো সমাধান কৰিব লাগে। কিমান অপেক্ষা কৰিম? গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ৰ ওচৰত মই নিজেও ৰিপ্ৰেজেনটেচন দিছো, এতিয়া কি অৱস্থাত আছে নাজানো ,কিন্তু আশা কৰো এই বন্ধ ৰাস্তাটো অতি সোনকালে খুলি দিব লাগে। ইয়াৰোপৰি হাঁহি উঠা কথা তাত এটা বেপাৰো চলি আছে সেইটো হৈছে যে, তাত দুয়ো ফালৰ গেটত চকিদাৰ ৰাখিছে আৰু ১০ পইচাৰ টিকট ললে সেইফালেদি যাবলৈ দিয়ে কিন্তু টিকট নললে নিদিয়ে।

ভইচঃ (ৰেট বৰ চিপ হৈছে।)

সেই ৰাস্তাটোৰেদি মানুহ যাবলৈ হলে চিকিঅৰিটিৰ প্ৰশ্ন উঠে আৰু ১০ পইচাৰ টিকট কাটি গলে তাত চিকিঅৰিটিৰ প্ৰশ্ন নাহে, এইটো বৰ আচৰিত কথা। ৰাইজৰ তৰফৰ পৰা বহুতো আবেদন কৰা হৈছে আৰু আমি আশা কৰিছো আৰু বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিছো যাতে এই কাম অতি সোনকালে কৰি দিব লাগে।

অধ্যক্ষ মহোদয়, সদৌ শেষত মই কবলৈ বিচাৰিছো যে, আগৰ নিচিনাকৈ যাতে অপচয় নহয় ইয়াৰ প্ৰতি দৃষ্টি ৰাখিব লাগে। কাৰণ গড়কাপ্তানী বিভাগৰ ঠিকা কৰিলে ৰাতাৰাতি ধনী হব পাৰে, এই ধনী হোৱাৰ পৰা যাতে মুক্তি দিব পাৰি আৰু এইটো যাতে আমাৰ মন্ত্ৰী মহোদয়ৰ নেতৃত্বতে হছ তাৰ বাবে চেষ্টা কৰিব বুলি আশা কৰিলো। তাত ৰাস্তা ঘাটৰ যি অৱস্থা চলি আছে তাৰ যাতে উন্নতি হয় তাৰ বাবে যেন চেষ্টা চলায়। এইখিনিকেই আশা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri SANTI RANJAN DASGUPTA : Mr. SPEAKER, Sir.........

Mr. SPEAKER : Hon'ble members should remember that we have to finish these demands within four hours, that means up to 5 O clock. If we are to do this every members in average would be allowed only two minutes and from the list I have found there are as many as 15 members to speak of which I think four have spoken. Now 12 members means average 15 minutes, not more than that, provided that members who are in the list only will speak. Mr. Misra is not in the list.

Shri PREMADHAR BORA : We have cut motions of different groups. These are amalgamated and included and by convention a group leader or his nominee is allowed to speak but this procedure is not followed here. All leaders of the different groups should be given preference to speak.

Shri SANTI RANJAN DASGUPTA : Mr. SPEAKER, Sir. I will be very brief in my speech. After all I am supporting the main demand and opposing the cut motion.

Shri BANESWAR SAIKIA : It is appears even before the members are allowed to speak already the reply is allowed to be given

Shri Md. SHAMSUL HUDA : There is a list of movers of cut motions. We have not got any chance to move our cut motions.

Mr. SPFAKER : Both sides should be allowed to participate.

Shri SANTI RANJAN DASGUPTA : Regarding the parliamentary procedure I draw the attention of the members to this. "Members of the ruling party do not by convention give notice of, or move, cut motions to the demands for grands but they take part in the discussion and may in their speeches criticise or question the policy of Government or wisdom of any expenditure of financial prospect.

Shri BANESWAR SAIKIA: We do not deny the practice. But the movers of the cut motions should be given preference and unless this coverage is allowed how the ruling party can be allowed to give reply.

Mr. SPEKER: The first movers have already been given chance

Shri Md. SHAMSUL HUDA: There are different movers. All our cut motions have been tagged together and this difficulty have been created.

Shri DULAL CHANDRA BARUA (Minister): The cut motion is moved by only one member, others support it. But there is no bar if these are tagged together.

Shri Md. SHAMSUL HUDA: There should be arrangement for different groups to speak. Here it appears the reply has started before moving the cut motion.

Mr. SPEAKER: I see your point. But we must remember there are as many as 20 or 25 members who are moving the cut motions; all of them cannot get chance to move the cut motion

Shri SANTI RANJAN DASGUPTA: Mr. Speaker, Sir. I support the main demand that I have already said. Why I support, because there has been a great change in the policy for rural area development and there has been remarkable change in the policy hitherto been followed by previous Govt This Government is committed to make development of the rural areas particularly development of roads and communication. My second point is that the Minister-in-charge of the Department is the person who relentlessly fought in this House for last 16 years against the injustices, inaction of the Congress Govt. As Minister in charge of the P.W.D., as he is still young I think he will do it. Shri Premodhar Bora : this time he will defend the department. (Shri Dulal Chandra Barua : I will not defend). Now under the minimum need programme one member knows how much money has been given in his Constituency (samasti) even before the Budget has been passed. By that the member will know the amount ear-marked for his 'Samasti'. So Sir, there is a remarkable change in the working procedure in comparision with the previous Govt.

Another most important point is Sir, we are passing by the road of Assam particularly the National Highway and we can see the type of road now compared to the road previously. There is not only the remarkable change in the policy, but there has been a total change in the implementation of schemes. Therefore, I support the main demand Sir. why I oppose the hon'ble members who moved the cut motion is that they have moved the cut motion under Rule 145(1). Sir, I first stood up to raise a point of order but at that time I did not do that though I ......

Mr SPEAKER: At this stage you cannot.

Shri SANTI RANJAN DAS GUPTA: I am not raising the point of order Sir What I want to say is that the hon'ble members should realise the scope of their discussion. They wanted to reduce the demand to

Re.1/- and to disapprove the entire demand. They wanted to disapprove the policy by raising specific grievances. They cannot do this. The other motion raising specific grievances by reducing the grant by Rs.100/- is in order. In that case we have no objection. But when they want to wipe out the entire amount of the demand by citing specific grievances is not in order. When they have moved the cut motion under Rule 145(I) this is simply disapproval of the Policy I can show the rule.

Shri PREMODHAR BORA : Has he challenged your ruling Sir ?

Shri SANTI RANJAN DAS GUPTA : I have not challenged. But I want to say that they should be restricted to their scope. The Chair has given him the liberty and he will rostrict to the disapproval of the policy.

Shri Md SHAMSUL HUDA : It is disapproval of the policy. In order to justify it we must bring in the instances and references to specific cases. Whatever we spoke in the House it was with the permission of the Chair.

Shri SANTI RANJAN DAS GUPTA: It is a disapproval of the policy. He said about contractors, labour, muster roll services and other things.

Shri Md SHAMSUL HUDA : It is a qustion of policy. We are criticising the policy. For last 30 years Government has been doing it. This is definitely a criticism of the policy.

Mr. SPEAKER: He was giving the instances while criticising the the policy.

Shri BIRESH MISRA : I have got something to say. The cut motions were tagged together and when these come up we have every right to criticise the policy by bringing in the grievances. He should not raise such a question.

Shri SANTI RANJAN DAS GUPTA : I have already said that the point which has been agaitated by the hon'ble members is that they want to speak about the policy matters, i.e. about the lapses of the previous Government for last 30 years. We also say that. We have also the same feeling with those hon'ble members. But now if they bank upon the bankeruptsy of the previous Government and make us responsible we shall challenge. We also criticised the previous Government. I can give here many instances and site so many examples that up to 1975-76 the department surrendered 26 crores ; they could not spend the maney.

Shri GIASUDDIN AHMED: Sir, another point of order against the point of order. The hon'ble member raised the point of order and he should speak in short. He should not make a long speech.

Shri SANTI RANJAN DAS GUPTA : Per haps the hon'ble member was outside the House and he could not know on what I was speaking. I am speaking on the demand. Sir, the previous Government totally failed, they could not spend the money for development of the State as a whole. They could not spend the money which were sanctioned for construction of baidges, buildings etc. For this we all criticies the previous Government. What amount will be spent for the rural development ? Even for the whole year the previous Government could not decide But now the first meeting of the Road Board has already been held. What decision they have taken in the meeting is now know to was All members know all the conditions of the roads. All members should encourage this Government so that the Government can work with a sincere approach and purposeful conviction. We should extend our co-operation to the Government so that Government can do something concrete for the people and can make all round development. With these few words, Sir, I oppose the cut motion and support the demand.

শ্ৰীখগেন বৰবৰুৱা ঃ—মাননীয় অধ্যক্ষ মহোদয়, প্ৰত্যেক জীৱ-জন্তুৰে দুটাকৈ চকু আছে। সেইদৰে আমাৰো দুটা চকু আছে। চৰকাৰৰো দুটা চকু আছে। চৰকাৰৰ এই দুটা চকু হৈছে চৰকাৰী কৰ্ম্ম-চাৰী সকল যাৰ যোগেদি চৰকাৰে চায়। সেইদৰে পাৰ্টিৰ যোগেদিও শাসনৰ কথা বিলাক যোগায়। পাৰ্টি থিকমতে নচলিলে সেই দলৰ চৰকাৰো থিকমতে চলিব নোৱাৰে যেনেকৈ মানুহৰ চকু থিক নেথাকিলে ভালদৰে একো বস্তুকে দেখা নেপায়। মাননীয় অধক্ষ্য মহোদয়, মই এতিয়া অন্য দেশৰ কথা কলেই মোক বিপ্লৱী কমিউনিষ্ট দলৰ লোক যেতিয়া অন্য দেশৰ কথা কবই বুলি কব। হলেও কও যে, চীন এখন দেশ, যি খন দেশে আমাতকৈ বহুত পিচত স্বাধীনতা লাভ কৰিছে। আমি স্বাধীনতা পাইছো ১৯৪৭ চনত আৰু এই দেশে পাইছে ১৯৪৯-৫০ চন মানত। এনেকুৱাকৈ চিমেণ্ট আৰু বালি ৰাস্তাত দিয়াৰ ক্ষেত্ৰত সেই পাৰ্টিৰ নিজা জোখ মাফ কৰাৰ পদ্ধতি আছে। কিন্তু আমাৰ ইয়াত কি দেখিবলৈ পাইছো যে কাৰোবাক বদলি কৰা কাৰোবাক বেলেগ ধৰণে সুবিধা দিয়া সেইবিলাক চলি আছে। কিন্ত ৰাস্তা পদুলিৰ ক্ষেত্ৰত চৰকাৰৰ যি ঘোষিত নীতি আৰু যি নীত মতে ৰাইজৰ কাম-কাজ আৰু আৱশ্যকীয় ৰাস্তা পদুলি বনাব লাগে সেই বিলাক কাম মুঠেই হোৱা নাই। গতিকে এই চৰকাৰক মই অনুৰোধ কৰিব বিচাৰিছো যে ক'ত দোষতো হয় বা থাকে সেইটো সোনকালে বাহিৰ কৰিবলাগে আৰু সেটমতে ভুলটো উলিয়াই তাক শুদ্ধ কৰি কামটো কৰিব লাগে। নহলে এই চৰকাৰ কিয় কোনো চৰকাৰেই শাসনত আহিলে টিকি থাকিব নোৱাৰিব আৰু ৰাইজৰ কাম কৰিব নোৱাৰিব। কৰ্মচাৰী সকলে ভূলমতে পৰিচালিত হব যাতে নোৱাৰে তালৈ দৃষ্টি দিব লাগে। এজন কৰ্মচাৰীয়ে জীৱনটো বিয়োগ কৰি দিয়াৰ পাচত তেওঁ দৰমহাটো পাবই গতিকে সোৰে বাৰে যিখিনি সুবিধা পায় আদায় কৰিবলৈ চেষ্টাত থাকে। যিহেতু চৰকাৰে নতুন নীতি লব খুজিছে তেনে ক্ষেত্ৰত কৰ্মচাৰী সকলৰ ওপৰতো নতুন চৰকাৰে শপত লব লাগিছিল। কিয়নো সেই কৰ্মচাৰী বিলাকে আগৰ চৰকাৰৰ নিয়ম নীতিতেই চলি আছিল। এতিয়া আমি গড়কাপ্তানীৰ আন এটা কথালৈ আহো সেইটো হব আমাৰ অসমৰ জলবায়ু কোন ফালে ধাল খায় সেইটোলৈ লক্ষ্য কৰিহে ঘৰ বিলাক ৰাখিব লাগে। যোৰহাট, গোলাঘাটৰ হাইস্কুল চাওঁক, ঠিক পূৰ পশ্চিমাকৈ বৃটিছৰ দিনত বান্ধিছিল। অসমৰ জলবায়ু দক্ষিণৰ পৰা দক্ষিণ-পূৱ আৰু উত্তৰলৈ আৰু উত্তৰৰ পৰা দক্ষিণলৈ বয়। গতিকেই পূৰা-পশ্চিমা ঘৰ বিলাকত যিবিলাকৰ মাজেৰে বায়ু চলাচল কৰাত সুবিধা হয়। ঠিক তেনেকৈ অসমৰ জলবায়ু পয্যবেশণ কৰিহে ঘৰ বিলাক বনাব লাগে। শিৱসাগৰৰ যিটো টুৰিষ্ট বিল্ডিঙ সেইটো এটা চকত আছে। সেইকাৰণে মই কওঁ অসমৰ জলবায়ু কোনফালে বৈছে সেইটো নিৰ্নয় কৰিব লাগে আৰু তাৰ পিচত ঘৰ নিৰ্মাণ কৰিব লাগে। কিন্ত আমাৰ ইয়াত চিমেণ্ট কিমান লৈছে জোখা যন্ত্ৰ নাই, দায়িত্বও তেনেকৈ নাই। সেই কাৰণে বহু সম

*Speech not corrected.

য়ত এই নিৰ্মাণ কাৰ্য্যত বেমেজালি হোৱা দেখা যায়। মেডিকেল কলেজৰ কাষতেই দেখিব এখন দেৱাল আছে। সেইখন তিনিবাৰ মান ভাঙিলে। এতিয়াও প্ৰায় ৪০ হাত মান ভাঙিয়েই আছে। এনেকুৱাও দেখা যায় যে এই নিৰ্মাণ কৰা বিভিন্ন বিল্ডীং আৰু দলং ইত্যাদিত আঙুলীৰে লবাই দিলে তাৰ পৰা বালি ওলাই অহাও দেখিবলৈ পোৱা যায়। গতিকে এনেবিলাক কাৰ্য্য কৰোঁতে আমাৰ কৰ্ম্মচাৰী বিলাকে চিনাচিয়াৰলি কাম কৰিছে নে নাই সেইটো চোৱাৰ কাৰণে কোনো উপায় নাই। কৰবাত মাটি দিব লাগে দি যায় কি ওখ ঠাইত অলপ কম বা দ ঠাইত অলপ বেচিকৈ দিব লাগে সেইটো নাই, মাটি দিব লাগে কাৰণেই যধে মধে দি যায়। বাৰিষা আহিলেই এতিয়া লৰা-ছোৱালী বিলাকে স্কুল যোৱাতো বন্ধ হব, লৰা-ছোৱালী বিলাকে আৰু শিক্ষক সকলে স্কুল বন্ধ থাকিলেতো ভালেই পায়। আকৌ এস্কপাৰ্ট বিলাকে নো কি ধৰণে দলং বান্ধে কব নোৱাৰো গাৰব বৰ্ঢ়াজনক সদ্ধিয়েই কলেহেতেন কিমান ওপৰত দলংখন হব লাগে। নামদাং শিলৰ শাকো বোলে ভাগিব পৰা নাই সেইখন হেনো বৃটিছ এস্কপাৰ্টে বান্ধিছিল। গতিকে মই মাত্ৰ এটা কথা কব বিচাৰিছো সেইটো হল আপোনালোকৰ চকু আৰু পাৰ্টিৰ চকু থিক কৰি লওক যাতে অপাৰেশ্যন কৰিব নালাগে।

শ্ৰীভুবনেশ্বৰ বৰ্ম্মণ:— মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উত্থাপন কৰা ডিমাণ্ডটো সমৰ্থন কৰিছো আৰু বিৰোধী পক্ষৰ পৰা যিটো কৰ্ত্তন প্ৰস্তাৱ আহিছে তাক মই বিৰোধিতা কৰিছো। এই মঞ্জুৰীটো সমৰ্থন কৰি এই জনতা চৰকাৰে গড়কাপ্তানী বিভাগৰ কাম-কাজৰ যিটো কাৰ্য্য সূচি হাতত লৈছে সেইটো প্ৰকৃততেই বৈপ্লবিক পদক্ষেপ আৰু ইয়াৰ কাৰণে আমি ভাল পাইছো। কিয়নো যোৱা ৩১ বছৰে আগৰ চৰকাৰে যোগাযোগৰ যাতায়তৰ ক্ষেত্ৰত যিমানখিনি আগবাঢ়িব লাগিছিল সেই ক্ষেত্ৰত চৰকাৰে একেবাৰে ব্যৰ্থ হৈছে আৰু জনসাধাৰণৰ যাতায়তৰ ব্যৱস্থা সুচল কৰাৰ কাৰণে একেবাৰে আওকাণ কৰি আহিছে। এতিয়া নতুন চৰকাৰে এই ৰাস্তা-পদূলী বিলাক লোৱাৰ ক্ষেত্ৰত ৰাইজক যি আশ্বাস দিয়ে আৰু ইয়াৰ পৰা আমি আশা কৰিছো আমাৰ প্ৰতিখন গাৱৰ যোগাযোগ ব্যৱস্থাৰউন্নতিকৰণ হব, সেইকাৰণেই আমি আনন্দ পাইছো।

সেই কাৰণে চৰকাৰৰ যিটো নীতি, অৰ্থাৎ জনতা চৰকাৰৰ বিশেষকৈ গড়কপ্তানী বিভাগৰ মন্ত্ৰীয়ে গোটেই গাঁওৰ ৰাস্তা পদূলিবোৰ ঘূৰি পাকি চাই, গাঁওৰ ৰাস্তা পদূলি উন্নতিকৰণ কৰাৰ যি অশ্বাস দিছে আৰু বাজেটতো লৈছে, এইটো এটা বিশেষ ধৰণৰ ভাল কথা হৈছে। এটা কথাত আমি বিশেষ ভাল পাইছো যে যিবিলাক তীৰ্থ স্থানলৈ যোৱা ৰাস্তা পদূলি আছে, তাৰ যোগাযোগৰ অৰ্থে খি উন্নতিকৰণৰ ভাল ব্যৱস্থা লবলৈ সিদ্ধান্ত লৈছে সেইটো এটা ভাল নীতিৰ ভিতৰতে পৰিছে। আন ফালে ব্ৰহ্মপুত্ৰৰ ওপৰত জোগিঘোপাৰ দলং আৰু বিশেষকৈ শিলঘাটৰ দলংও হব বুলি ইতিমধ্যে যিবোৰ আশ্বাস দিছে আৰু আমি নথৈ আনন্দিত হৈলো। আৰু বিশেষকৈ এই কথাত আজি বিৰোধী সদস্য কেইজনমানে যি কৰ্ত্তন প্ৰস্তাৱ আগবঢ়াইছে তেওঁলোকেও চৰকাৰৰ নীতিৰ বিৰোদ্ধে বেচি সমালোচনা কৰা নাই কাৰণ আগৰ চৰকাৰে ইতিমধ্যে বহুতো ভুল কৰি গৈছে। আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে, দুটা চকুৰ এট চাকুৰে চাব নালাগে। সেই মতটোত সকলোৱে সমৰ্থন কৰিব লাগে। পূৰ্বৰ চৰকাৰে কাম বিলাক কলোষিত কৰি গৈছে। এই কলোষিত কাম কৰি যোৱা কৰ্ম্মচাৰী সকলৰ ভিতৰত ভাল আৰু বেয়া দুয়ো পক্ষৰে লোক আছে। বেয়া কাম কৰা সকলৰ ভিতৰত ভাল কৰ্ম্মচাৰীও দোষযুক্ত হৈ আছে। গতিকে এইবিলাক অনুসন্ধান কৰি ভাল উদাহৰণ থকা লোক সকলক ৰাখি বেয়া দৃষ্টান্ত থকা লোক সকলক আতৰাব লাগে। আৰু লগতে উপযুক্ত শাস্তিৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, মই এই খিনিতে এটা কথা উল্লেখ কৰিব খুজিছে ইতিমধ্যে চৰকাৰে যিবিলাক ৰাস্তা-ঘাট কৰি "পাব্লিক মানি ওৱেচষ্টেজ" কৰিছে অৰ্থাৎ গড়কাপ্তানী বিভাগটো ৰাজহুৱা ধনৰ অপচয় বিভাগ বুলিহে অভিহিত কৰিছিল। এইটো পুনৰ গঠন কৰি ৰাইজৰ অতঃ প্ৰতঃ ভাবে জৰিত উন্নয়ন মূলক কাম যাতে কৰিব পৰা যায়, তাৰ ব্যৱস্থা কৰিব লাগে এই বিভাগৰ জৰিয়তে। ইয়াৰ কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। তেখেত এজন বহুতো অভিজ্ঞতা থকা লোক। তেখেতে গড়কাপ্তানী বিভাগৰ দায়িত্ব লৈ যি পদক্ষেপ দিছে সেইটো আমি ভাল পাইছো। এই খিনিতে মই এটা পৰামৰ্শ আগবঢ়াব বিছাৰিছো, বিশেষকৈ গাঁৱৰ যিবিলাক আলি পদূলি আছে আৰু তৃতিয় আৰু চতুৰ্থ পৰিকল্পনাত যিবিলাক ৰাস্তা হৈছিল তাৰে কিছুমান দুই ফালৰ পৰা বান্ধি

আহিছে কিন্তু মাজতে সংযোগ বিচিন্ন হৈ আছে। এই বিলাকৰ কিছুমান মাজে মাজে ভাঙি গৈছে। সেই ৰাস্তা বিলাক অৰ্থাৎ যিবিলাকক মিচিং লিং বুলি কোৱা হয়, সেইবিলাক সম্পূৰ্ণ কৰিব লাগে। এইখিনি কৰিলে আমাৰ মানুহৰ কিছু দাবী পূৰ হব। উদাহৰণ স্বৰূপে নাওআলি হুদু নামৰ ৰাস্তাটো গড়কাপ্তানী বিভাগৰ ৰাস্তাৰ কালাদীয়া নদীৰ ওপৰত দলঙখন নোহোৱা বাবে তিনিটা সমষ্টি সংযোগ বিচিন্ন হৈ আছে। আগৰ বিধায়কক কওতে হব হব বুলি কৈ আছিল যদিও আজিলৈকে কিও নহল। মন্ত্ৰী গলেও হব বুলি কয়, কিন্তু নহয়। বহু কেজন মন্ত্ৰী এম, এল, এ গল কিন্তু নহল। নিৰ্বাচনৰ সময়ত ৰাইজে এইবাৰ দলঙ নহলে এম, এল, এ সমষ্টিত সোমাব নোৱাৰে বুলি দাবী কৰিলে। তাৰ পাচত দেখাগল একেলগে দুই তিনি ঠাইৰ পৰা টেনডাৰ দিয়া হল। বৰপেটা আৰু নলবাৰী পৰা। আৰু ২ লাখ টকাৰ চেঙচনো হোৱা বুলি ৰাইজক দেখুৱালে। ৰাইজে তেতিয়া কলে যে টেনডাৰ দেখুৱালে নহব, কাম হব লাগিব। তাৰ পাচত দেখা গল অফিচত চেঙচনে হোৱা নাছিল। তাঁত বোলে এগাড়ী কাঠো পেলোৱা হৈছিল। এনে কামৰ অদ্ভুত কথাও হৈ আছে। ৰাজনীতিক চক্ৰই ক্ষমতাত থকাৰ পাচত চৰকাৰী কৰ্ম্মচাৰীৰ জৰিয়তে এই বিলাক কৰিছে। গতিকে এই বিলাক অনুসন্ধান কৰি ইয়াৰ এটা বিহিত ব্যৱস্থা লব লাগে বুলি মই ভাবো। নহলে এনে ধৰণৰ বাধা অতিক্ৰম কৰি সমস্যা সামাধান কৰাতো সক্ষম নহব। অভয়াপুৰিৰ পৰা বৰপেটালৈ যাওতে ৬৫ মাইল, যদি কলগেছিয়া হৈ পোনপটীয়া ভাৱে ৰুণ্টা হয় তেনেহলে ৪০ মাইল উজু হয়। অভয়াপুৰিৰ পৰা গুৱাহাটীলৈ ভায়া বৰপেট। হৈ যিটো ৰাস্তা আছে তাৰ বাবে মই গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ক দৃষ্টি গোচৰ কৰিলো এই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে এই ৰাস্তাটো বৰপেটাৰ দক্ষিণপাৰে ৰাজ্যিক পথ হিচাবে লৈ বৰপেটাৰ পৰা গোৱালপাৰালৈ সংযোগ কৰি দিব লাগে। আনহাতে আৰু চেন্ট্ৰেল কৃষি ফাৰম যিখন কোকলাবাৰিত আছে পাথশালা পথৰ যিটো ৰাস্তা, সেই ৰাস্তাৰে ফাৰমলৈ বস্তু নিয়া ট্ৰাক আদিৰ অহা যোৱা কৰোতে ৰাস্তাটো নষ্ট হৈ গৈছে। গতিকে ফাৰমলৈ বস্তু অনানিয়া কৰিবলৈ আৰু গাড়ী মটৰৰ সুবিধাৰ কাৰণে এই ৰাস্তাটোত ব্লেক টপিং কৰিব লাগে। পাটাচাৰকুচিৰ ওচৰত পৰেহৰেশ্বৰী যিটো মন্দিৰ আছে এই মন্দিৰটোলৈ অসমৰ সকলো ঠাইৰ পৰা মানুহ আহে। গতিকে পাটাচাকুচি অঞ্চলী এই ৰাস্তাটো ব্লেক টপিং কৰিব লাগে। এই মন্দিৰ টোলৈ যিবিলাক যাত্ৰী আহে সেই সকল থাকিবলৈ ঘৰ নাই। গতিকে ইয়াত জিৰণি ঘৰ কৰিবলৈ মই আগতেই কৈছো।

অধ্যক্ষ মহোদয়, আগৰ চৰকাৰে ৰাস্তা বিলাক ব্লেক টপিং কৰাৰ কাৰণে ৰাজনৈতিক ভাৱে সিদ্ধান্ত কৰিছিল গতিকে মন্ত্ৰী মহোদয়ে হিচাব কৰি চায় প্ৰত্যেক চাব ডিভিজনত ব্লেক টপিং ৰাস্তা চহৰত কিমান আছে আৰু চহৰৰ বাহিৰত আন ঠাইত কিমান আছে সেইটো ওলিয়াই সকলোতে ব্লেক টপিং কৰিব লাগে। প্ৰথমতে ব্লেক টপিং কৰিলে যিমান খৰছ হয় পাচলৈ ৰাস্তাৰ নামত গড়কাপ্তানী বিভাগৰ ঠিকাদাৰ আৰু কৰ্ম্মচাৰী সকলৰ অপচয় কৰা ধনতকৈ নিশ্চয় কম হব। পুৰণিৰাস্তা বিলাক নতুনকৈ বান্ধোতে বহুত টকাৰ অপচয় আৰু অপব্যৱহাৰ কৰা হয়। যদি ব্লেক টপিং কৰা হয়, তেতিয়াহলে ৰাস্তা বিলাকৰ উন্নতি হব আৰু টকাৰ অপচয় বন্ধ হব। আনহাতে মই আৰু এটা কথা কব বিছাৰিছো যে, মোৰ সমষ্টিত সাদেৰী যাবিশামকু লেচবা নামৰ এটা ৰাস্তা মিচিংলৈ যবিত হৈ আছে। মোৰ সমস্তিৰ কেৱল পাটাছাৰকুছিৰ ই নহয়,ভবানীপুৰ চাপাগুৰি বৰমা কোমঠাত এইবাৰ পহুমৰা নদীৰ দলং নোহোৱাৰ বাবে এইকেইটা সমষ্টিৰ সংযোগ বিচিন্ন হৈ আছে।

অধ্যক্ষ মহোদয় আশা কৰো, মোৰ আশা এই হৈটাত চৰকাৰে গুৰুত্ব দিব, আৰু পহুমৰাৰ দলং নিৰ্ম্মাণ কৰিব এই খিনিকে আশা ৰাখি মই কৰ্ত্তন প্ৰস্তাবটোৰ বিৰোধীতা কৰি মূল দাবী সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীবীৰেশ মিশ্ৰ :—মাননীয় অধ্যক্ষ মহোদয়, প্রথমে আমি আমাদের সরকারের পি, ডব্লিউ,ডি, সংক্রান্ত পালাস সম্পর্কে ২।১ টি কথা বলতে চাই আমাদের আসামে যে সমস্ত এন, এইচ, ওয়ে আছে সে সম্পর্কে গত রোড বোর্ডের মিটিং এ সর্বসম্মতিক্রমে একটা প্রস্তাব নেওয়া হয়েছিল যে ব্রহ্মপুত্রের নর্থ ব্যাংকে নেফা পর্যন্ত মোকিন্তৃত রাস্তা আছে এবং কাছাড় জেলা ও ত্রিপুরা রাজের সংযোগকারী বদরপুর

আগরতলা রাস্তা এবং শিলচর থেকে ইম্ফল হয়ে বার্মা বর্ডার পর্যন্ত যে রাস্তা, ও আইজল থেকে শিলচর, হাফলং হয়ে লামডিং পর্যন্ত যে রাস্তা এই ৪টি রাস্তাকে ন্যাশানেল হাইওয়ে হিসাবে যাতে ঘোষনা করা হয় সেজন্য কেন্দ্রীয় সরকারর কাছে আমাদের রাজ্য সরকারর তরফ থেকে প্রস্তাব পাঠাতে হবে। আমি জানিনা এই সম্পর্কে আমারদের পি, ডব্লিউ, ডি মন্ত্রী এবং পি ডব্লিউ ডি বিভাগ কতটুকু অগ্রসর হয়েছেন। কিন্তু এর গুরুত্ব আমি আর এখানে বিস্তৃত ভাবে বলতে চাই না কারন আমাদের বর্তমান সরকারের ঘোষিত যে নীতি সেইনীতির সঙ্গে সঙ্গতিপূর্ণ ভাবেই এই হাইওয়ের কথা রয়েছে। অধ্যক্ষ মহোদয়, যে সমস্ত অঞ্চল দিয়ে এইসব রাস্তা গিয়েছে সেইসব অঞ্চল পশ্চাদপদ এবং জনজাতিদের বসতিপূর্ণ, এইসব অঞ্চলের অর্থনৈতিক উন্নতির জন্য এইসব রাস্তার প্রয়োজন। তাছাড়া এই রাস্তাগুলির আন্তর্জাতিক গুরুত্বও রয়েছে। কারণ এক্ষেত্রে দুইটি বিদেশী রাস্তা বার্মা এবং বাংলাদেশে এই প্রস্তাবিত রাস্তার এলাকার সঙ্গে সংলগ্ন। আর অন্যদিকে 'নেফা'র অপর পারে আমাদের জাতীয় প্রতিরক্ষা ব্যবস্থার সঙ্গে এই রাস্তাগুলি অঙ্গাঙ্গিভাবে জড়িত। সুতরাং এই সম্পর্কে টালবাহানা না করে এই রাস্তা গুলিকে ন্যাশানেল হাইওয়ে হিসাবে ঘোষণা করার জন্য আমারদের তরফ থেকে অনতিবিলম্বে কেন্দ্রীয় সরকারর কাছে দাবী জনাতে হবে। এই সম্পর্কে আর একটি কথা বলব। এটা হলো বর্তমানে আমাদের রাজ্যর দক্ষিণ অঞ্চলের সঙ্গে অর্থাৎ কাছাড় জেলার সঙ্গে সংযোগকারী একমাত্র রাস্তা মেঘালয়ের ভিতর দিয়ে। আমরা চাই আমাদের আসাম রাজ্যের অভ্যন্তরীন যোগাযোগের ব্যাপারে অপর রাজ্যর উপরয়েন আমারা নির্ভরশীল না থাকি। কারণ আমাদের প্রয়োজন অপার রাজ্য সরকার অনুভব করবেনা, আমাদের প্রয়োজনে তারা রাস্তার সংস্কার সাধনও করবে না এবং আমারদের মতামতও তারা গ্রহণ করবে না। সুতরাং আসাম রাজ্যের ভিতর দিয়ে যদি রাজ্যের এই অঞ্চলের সঙ্গে সংযোগ স্থাপন করতে হয় তাহলে আইজল থেকে শিলচর এবং শিলচর থেকে লামডিং হয়ে লংকা পর্যন্ত যে রাস্তা, এই রাস্তাকে অত্যন্ত গুরুত্ব দেওয়া প্রয়োজন।

মহোদয়, কর্তন প্রস্তাবের বিতর্কে গ্রহণ করে মাননীয় সদস্য শ্রী দাশগুপ্ত মহাশয় সরকারের পলিসি সম্পর্কে আলোচনা করার জন্য আমাদের দৃষ্টি আকর্ষণ করেছেন। একথা ঠিক যে বিগত ৩০ বৎসর যাবত যে ভাবে রাস্তার কাজ হয়ছে তার পরিনতি হিসাবে আমরা দেখতে পাচ্ছি যে বর্তমান সরকারের উপরে সারা রাজ্যে রাস্তার ভগ্নস্তুপ এসে পড়েছে। কেবল ন্যাশানেল হাইওয়েগুলির ক্ষেত্রে সামান্য আমরা দেখতে পাচ্ছি। একথা মাননীয় সদস্য দাশগুপ্ত মহাশয়ও বলেছেন। তার বাহিরে কেবল রাস্তার ধ্বংসাবশেষ আছে অথচ কোটী কোটী টাকা আমাদের তরফ থেকে ফেরৎ গিয়েছে, আর সমস্ত রাজ্যে রাস্তার দুরাবস্থার জন্য আমরা দেখতে পাচ্ছি গাড়ীঘোড়া, ট্রেন্সপোর্ট এর অচলাবস্থা, মাত্রাধিক দুর্ঘটনা, অথচ কত টাকা যে অপচয় হয়েছে তার ঠিক ঠিকানা নাই। অধ্যক্ষ মহোদয় আমি সরকারকে অনুরোধ করছি তারা যেন এ দিকে নজর দেন। নতুন সরকার কাজ হাতে নেওয়ার আগে এই রাস্তা গুলোকে মেরামতির কাজো অগ্রাধিকার দেওয়া হয়।

আমরা দেখতে পাচ্ছি, লক্ষ টাকা খরচ হওয়া সত্বও রাজ্যের অনেক রাস্তার সংযোগ নাই। গ্যাপ আছে, ফলে রাস্তা করে জনসাধারনের উপকার সাধন করার সমস্ত চেষ্টা ব্যর্থ হয়েছে। জনতা সরকার নিশ্চয়ই এই সংযোগহীন রাস্তাগুলির সংযোগ বিধান করে চলাচলের উপযোগী করবেন এবং এইসব কাজ আগে নেওয়া উচিত বলে আমি বিবেচনা করি।

মহোদয়, ব্যাপারে পশ্চাদপদ এলেকাগুলিকে অগ্রাধিকার দেওয়ার নীতি এই সরকার ঘোষনা করেছেন আমাদের রাজ্যের বৃহৎ অঞ্চল এই ব্যাপারে পশ্চদপদ এবং আমর সমষ্টিও একেবারে পশ্চদপদ। কারনা আমার সমষ্টি লামডিং মৌজায় পি ডব্লিও ডির এক কিঃ মিটারও রাস্তা নাই, আর কাকী মৌজায় কেবল এক কিঃমিঃ রাস্তার ব্লেক টপিং হয়ছে। এই ধরনের অবস্থা কেবল আমার সমষ্টিয়েই নয়, আসামের বৃহৎ যায়গায় আছে।

গোয়ালপাড়া, নর্থলক্ষীমপুর এবং আরও অন্যান্য বহু পশ্চদপদ জনজাতীয় এলাকা আছে যেখানে রাস্তার অবস্থা বর্ণনা করা যায় না। এই অবস্থার পরিপেক্ষিতে এই সরকারের একটা নীতিকে আমি বিরোধিতা নাকরে পারিনা তারা যে ঘোষনা করেছেন, প্রতি সমষ্টিতে দুই লক্ষ টাকা

করে প্রতি এম, এল, এর ডিসক্রিশনারী খরচ করার বরাদ্দ রাস্তার উন্নতির জন্য দেওয়া হবে সেটা আমাদের পক্ষে গ্রহনযোগ্য প্রস্তাব নয়। এটা অত্যন্ত ত্রুটিপূর্ণ নীতি কারণ সমগ্র রাজ্যে সব অঞ্চল রাস্তার অবস্থা একই রকম নয়। নানা রাজনৈতিক কারনে, প্রভাবশালী রাজনৈতিক নেতার চাপে বহু এলেকায় রাস্তার বহু উন্নতি হয়েছে এবং অন্যদিকে বহু এলেকায় এক কিঃমিঃ রাস্তাও পি ডাব্লিও ডি ব্লেক টপিং করে নাই। আমার নিজের সমষ্টিতে আমি বলব ৫ লক্ষ টাকা এবাবের বান্ধ থেকেই দরকার। প্রয়োজন হলে অন্য এলাকা থেকে, যে এলাকা যথেষ্ট উন্নত, কেটে এনে দেওয়া উচিত। সুতরাং এই নীতির পরিবর্তন করার জন্য আমি সরকারের কাছে দাবী করছে। আমার সমষ্টিতেই একটা বিরাট অঞ্চল নুতন করে জনবসতি তৈরী হয়েছে অথচ একটা রাস্তাও চলাচলের জন্য নাই। কন্সিটিউয়েন্সির ভিত্তিতে সমান ভাবে টাকা দেওয়ার নীতি পরিবর্ত্তন করা উচিত।

পি ডাব্লিও ডির যথেষ্ট বদনাম রয়েছে। বিল ভাঙ্গাতে টাকা লাগে, ক্রেডিড মেমো ইসু করতে টাকা লাগে, কনট্রেক্ট পেতে হলে টাকা লাগে, এইসমস্ত নানা বকমের অভিযোগ পি ডব্লিও ডির বিরুদ্ধে শোনা যাচ্ছে। তবে পি ডব্লিও ডি বিভাগকেই কেবল এই ভাবে আঙুল দেখিয়ে সমালোচনা বা দোষ দিলেই চলিব না। কারণ আমি মনে করি বর্ত্তমানে পি ডাব্লিও ডি বিভাগ থেকে এডুকেশন বিভাগ আরও বেশী দুর্নীতি পরায়ন, আরও বেশী খারাপ। যাই হউক, এই ব্যাপারে এখন আমি আলোচনা করতে যাচ্ছি না কিন্তু আমি আপনার মারফৎ এক নতুন দৃষ্টিভঙ্গী গ্রহণ করে এই সমস্ত দুর্নীতি বিরুদ্ধে তীব্র লড়াই চালিয়ে যাওয়ার জন্য জনতাসরকারের অনুরোধ জনাচ্ছি।

অধ্যক্ষ মহোদয়, পি ডাব্লিও ডির কাজের ব্যাপারে কন্ট্রাক্ট বিতরনের ক্ষেত্রে প্রতিটি মহকুমার এলাকায় এক একটা কমিটি গঠন করে দেওয়া উচিত। এই সব কমিটিতে বিভিন্ন পাব্লিক প্রতিষ্ঠানের লোকেদের প্রতিনিধিত্বের ব্যবস্হা করা উচিত। এতে সরকারী কর্মচারী এবং পঞ্চায়তের বিভিন্ন ষ্টেজেরে লোকেদেরও সামিল করে এই কন্ট্রাক্ট দেওয়ার ব্যাপারে তাদের সুচিন্তিত অভিমত নেওয়া দবকার বলে আমি মনে করি এবং কাজের তদারকির জন্য ও দুর্নীতি দূর করার জন্য এই সব কমিটি যাতে কাজ চেকআপ করতে পারে তারও ব্যবস্হা করা প্রয়োজন। পি ডব্লিও বিভাগের কাজ এতদিন কি ভাবে হয়েছে তার দু-একটি দৃষ্টান্ত দিচ্ছি। আজ যে রাজধানীতে বসে আমারা আলোচনা করছি এই রাজধানী নির্মানের ক্ষেত্রে দেখা যায় প্রায় ৭ কোটি টাকার মত খরচ হয়েছে।

শ্রী দুলাল বরুয়া (মন্ত্রী)ঃ—৭ [সাত] কোটী নয়, আরও বেশী।

শ্রী বীরেশ মিশ্র ঃ—হতে পারে, কিন্তু এই সমস্ত কাজের যে কোয়ালিটি তা দেখলে হতভম্ব হতে হয়। আমারা প্রতিনিধিরা এক্সপার্ট নই, ইঞ্জিনীয়ার নই, কিন্তু আমারাও তো বাড়ীঘর তৈরী করেছি, বহু প্রতিষ্ঠানের কাজকর্ম দেখেছি এবং করেছি কিন্তু এই রাজধানীর কাজ দেখে মনে হচ্ছে যে টাকার কি রকম যে অপব্যয় এখানে হয়েছে তা বোধহয় কেউ কল্পনাও করতে পারবে না। অন্য রাজ্য থেকে কেউ এসে দেখলে মুখে চুনকালি দেবে।ভারতের অন্যান্য রাজ্যেও নতুন করে তৈয়রী করা রাজধানী তো দেখিছে-চন্ডীগড় দেখেছি, ভুবেনেশ্বর দেখেছি, কিন্তু আমাদের রাজ্যর কনট্রাকশনের যে কোআলিটি তা যে এত নিম্নমানের তা কল্পনাও করা যায় না। আমাদের এম, এল, এ, কোয়াটারে সুন্দর কার্পেট সবাই দেখিছেন, কিন্তু এই সুন্দর কার্পেটের তলায় কিভারে দুর্নীতির নমনা ঢেকে রাখা হয়েছে সেটা একবার দেখতে অনুরোধ করছি। কার্পেট তুলে মেঝের সিমেন্টে পামষলে প্লাষ্টার উঠে একেবারে মাটি ও পাথরের নুড়ি বেরিয়ে পড়ে। সে জন্যই তো কার্পেটের এই ঢালাও ব্যবস্হা। তাছাড়া দরজা জলানা বন্ধ করা যায় না।

সমস্ত থার্ড ক্লাস কাঠ দিয়ে এই সব তৈরী হয়েছে। এই ব্যাপারে জনৈক পি ডব্লিও কর্মী শ্রী দিলীপ দাস এবং অন্যান্য কয়েকজন অফিসারকে দুর্নীতির দায়ে সাসপেন্ড করা হয়েছে বলে শুনেছি। কিন্তু একটি নাম আমারা প্রায়ই শুনে থাকি অথচ তার বিরুদ্ধে কেন যে তদন্ত হয় না জানি না। তিনি হলেন এস ডি ও শ্রী এম্ এম্ দেওয়ান। ঐ ভদ্রলোকের সঙ্গে আমার কোন পরিচয় নাই, শত্রুতাও নেই কিন্তু শুনতে পাচ্ছি এই সমস্ত দুর্নীতি মূলক কাজে তার যথেষ্ট হাত রয়েছে।

এই ব্যাপারে মন্ত্রী মহোদয় যদি একটু নজর দেন তাহলে অনেক তথ্য জানতে পারবেন এবং ভবিষ্যতে যাতে এই ধরনের কাজ না হয় সে দিকে তীক্ষ্ন দৃষ্টি রাখবেন বলে আমি আশা করি। তাছাড়া মাননীয় সদস্য শ্রী খগেন বরবরুয়া মহাশয়ও বলেছেন যে সিমেন্টর মিক্সর তৈরী করার যে পদ্ধতি চলছে সে দিকেও যেন দৃষ্টি দেন। আমার সমষ্টিতে উদালি বাজারে পাবলিক হেল্থ সেন্টর তৈরী করতে মিক্সার এর প্রোপরশন দেওয়া হচ্ছিল ১২·১ অর্থাৎ ১২ ভাগ বালি আর ১ ভাগ সিমেন্ট। গ্রামের লোক দেখেছে তিন দিন আগে গড়া বিল্ডিং এর ইট খসে পড়ে যাচ্ছে। আর সমস্ত উদ্বৃত্ত সিমেন্ট যাচ্ছে কালোবাজারীদের হাতে।অন্য দিকে আসামের সর্বত্র সিমেন্ট হয়েছে দুষ্প্রাপ্য। কালোবাজারে প্রতিবস্তা ৩৫ টাকা করে না দিলে সিমেন্ট পাওয়া যায় না। বিশেষজ্ঞরা ফোরকাস্ট করেছেন যে আসামে অদূর ভবিষ্যতে বড় রকমের একটা ভূমিকম্প হবে। হবে কি না জানি না, ভবিতব্য বলতে পারে, কিন্তু যদি হয় তাহলে আসামে সরকারী বিল্ডিং কয়টা অক্ষত থাকবে জানি না।

মহোদয়, বি আর টি এফ আসামের রাস্তার কি উন্নতি করছে আমি জানি না, কিন্তু আমাদের রাজ্যের বেকার সমস্যা সমাধানের ব্যাপারে কোন রকম সাহায্য তারা করছে না। অথচ রেট তাদের আমাদের রাজ্যের রেটের দেড়গুন। দিন-মজুর পর্যন্ত তারা বাইরের রাজ্য থেকে আমদানী করছে। বাইরের লোককে তারা কাজ দিচ্ছে, বাইরের লোক সমস্ত বকমের জিনিষ সাপ্লাই দিচ্ছে, তাদেরেই বিভিন্ন কনট্রেকট দিচ্ছে। অথচ আসাম সরকার নীরবে এসব মেনে নিচ্ছেন। আমি বলব আমাদের রাজ্যে কি ইঞ্জিনীয়ার নাই, যথেষ্ট সংখ্যক নামকরা ইঞ্জিনীয়ার আমাদের রাজ্যে রয়েছেন। এই সব ইঞ্জিনীয়ারদেরে নিয়ে সমস্তা কাজকর্ম যেন বি আর টি এফ এর হাতে থেকে পি ডাব্লিও ডির নিয়ন্ত্রনে আনার ব্যবস্থা করা হয় এবং উপযুক্ত সংগঠন করে জনসাধারনের তত্বাবধানে যেন কন্ট্রাক্ট দেওয়া থেকে আরম্ভ করে এক্সিকিউশন পর্যন্ত অরগেনাইজ করার ব্যবস্থা সরকার করেন। যদি তা করা হয় তবে লক্ষ লক্ষ টাকার কন্ট্রাক্ট থেকে আরম্ভ করে, বিভিন্ন ধরনের সাপ্লাই এবং ডেলেবারার দের কাজে কয়েক লক্ষ বেকারের কর্মসংস্থান এই পি ডাব্লিউ ডির মাধ্যমে করা যেতে পারে। এই সঙ্গে আমি আর একটি কথা বলব। আমাদের যে লেবার ফোর্স আছে, এ নিয়ে এই সদনেও আলোচনা হয়েছে। রোড্ বোর্ডের মিটিং এ আমি একথা বলেছি এবং আজও এই সদনে বলছি যে, বিধান সভার প্রতিনিধিদের সহায়তা নিয়ে লোকাল লেবার অরগেনাইস্ করার এবং বিডব্লিও ডির স্হানীয় কাজ তদারকি করার দায়িত্ব দিলে করাপশন কিছুটা চেক করা যেতে পারে এবং কিছু লোকের কর্ম সংস্হান করার ব্যবস্হা হবে। এ সম্পর্কে আমি বলেতে চাই যে এম,এন, পি ওয়ার্ক এর ব্যাপারে আমরা দায়িত্ব নিতে রাজী আছি, গাওঁ পঞ্চায়তের সাহায্যে আমরা স্হানীয় বেকার দেরে সংগঠিত করে কাজ করব এবং সঙ্গে সঙ্গে বেকার সমস্যার সামাধান হবে আপনারা যে রেট এখন দিচ্ছেন সেই রেট দিলেই শতকরা ৩৩ ভাগ কাজ বেশী হবে, কারন এখনতো বহু টাকাই লোপাট হয়ে যায় আমলা কর্মচারী এবং কন্ট্রাক্টরদের জন্য।

মহোদয়, আমি বলেছিলাম যে লামডিং—লঙ্কায়ে রাস্তা আমাদের ভবিষ্যৎ ন্যাশানেল হাইওয়ের একটা পার্ট—এই রাস্তাতে বড় বড় ট্রাক চলছে, ১ টা স্টেট বাস গেলে আর একটা রিক্সা পর্যন্ত যেতে পারে না। এটা বনবিভাগের একটা পুরাতন রাস্তা এবং অত্যন্ত বিপদজনক। গত ৩১ বৎসরেও তার কোন পরিবর্তন বা উন্নতি হলো না। গত নির্বাচনের সময় ত্রিপুরার মুখ্যমন্ত্রী মহাশয় এসেছিলেন এখানে। এই রাস্তা দেখে তিনি বলেছিলেন যে—"সারা ত্রিপুরা রাজ্যে ঘুরে ২০০। ৩০০ কিঃ মিঃ মোটরে এসেছি, কিন্তু আপনার এ ৩০ কিঃ মিঃ রাস্তায় আমার শরীরে ব্যাথ হয়ে গেছে।" সুতরাং আমি পি-ডাব্লিও ডি মন্ত্রী মহোদয়কে অনুরোধ করবো যে এই সব হাইওয়েগুলিকে যেন বি আর টি এফ এর হাতে থেকে পি ডাব্লিও ডির আওতায় আনার ব্যবস্হা করে এই বৎসরের সেংশনে যেন লঙ্কা লামডিং রাস্তার পরিসর বৃদ্ধি এবং ম্যাটেলিং এর কাজ আরম্ভ করার ব্যবস্হা করেন, আর যে সমস্ত মোটর রাস্তা মাটির কাজ করে এমনিতে ফেলে রেখেছেন, পাথর দেওয়া হয়নি, বর্ষার আগেই যেন এ গুলিতে পাথর দেওয়ার ব্যবস্হা করা হয়। কারন এই সব রাস্তায় বর্ষার সময় বাস যায় না, বর্ষার সময় একজন ডাক্তার পর্যন্ত সেখানে আনা যায় না। এই সমস্ত ব্যাপার চলছে এই রাজ্যে। আপনারা যে কাজ আরম্ভ করবেন সেটা যেন শেষ করেন। রাস্তাকে বছরের অর্ধেক সময় অচল রাখার ব্যবস্হা করলে জনসাধারনের কোন উপকার হবে না। এই ব্যাপারে আপনাদের পলিসি চেঞ্জ করতে হবে।

মাষ্টার রোল্ কর্ম্মীদের দূরদর্শার অন্ত নাই।এদের স্থায়ী চাকুরীর ব্যবস্থা অবিলম্বে হওয়া চাই জনতা সরকার এব্যাপারে প্রতিশ্রুতিবদ্ধ।

আমার শেষ কথা হলো, আপনার মারফতে আমি মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করতে চাই যে কাটালে ৬নং ব্যাটেলিয়ানর হেড্ কোয়াটারের যে রাস্তা রয়েছে সেই রাস্তায় এখনো মেটালিং হয়নি। যার ফলে এই অত্যন্ত গুরুত্বপূর্ণ একটি সরকারী প্রতিষ্ঠানে প্রতি বৎসর বিভিন্ন খাতে কয়েক লক্ষ টাকা অপচয় হচ্ছে। আর সবচেয়ে মজার কথা এই যে ১৯৭৬ ইংরাজীর বন্যার পরে কাঠাল বাগানের কর্তৃপক্ষ ট্রাক দিয়ে ইট এই রাস্তায় ফেলেছিল, পি ডব্লিও ডি বিভাগের কিছু সংখ্যক দুর্নীতিপূর্ণ অফিসার এই ইটেরজন্য ভুয়া বিল করে এই টাকাটা আত্মস্মাত করেছেন বলে শুনা যায়। অথচ একটা প্রাইভেট কোং এই কাজ করেছে। আমি এ বিষয়ে একটি তদন্ত দাবী করছি, তাছাড়া এব্যাপারে দ্বিতীয় কথা হলো এই যে এই কাটালের ব্যাপারে তদন্ত হলে দেখবেন যে সিক্স ব্যাটেলিয়েন এর মতো একটা ওলডেষ্ট ব্যাটেলিয়েন হেড কোয়ার্টারে অফিসার বা কনিষ্টবলদের জন্য একটা স্থায়ী ঘর নাই। সেখানকার কমানডেন্ট প্রতি বছর ছন বাঁশের কাজ করিয়ে ৭০।৮০ হাজার টাকা খরচ করে ফলস বিল দিয়ে বেশ আনন্দেই আছেন।

তাছাড়া যে সব করাপ্ট অফিসার এই পি ডাব্লিও ডি বিভাগে ৬।৭ বৎসর ধরে একই যায়গায় আছেন তাদের ট্রান্সফার যেন অবিলম্বে করা হয়। শিলচরের মেকানিকেল ডিভিশনের একজন এস ডি ওর কথা আজ নুরুল হুদা মহাশয় বলেছেন। এই বিভাগে দুইজন অফিসার ৬।৭ বৎসর ধরে একই যায়গায় বসে আছেন। সমস্ত রাজ্যে এই সব পি ডব্লিও ডি অফিসারদের যেন ৩ বৎসর হলেই ট্রান্সফার করা হয়, এই রকম নীতি এই সরকার যেন নেন তার দাবী আমি এই সদনে আজ রাখছি। কেবল নীতি ঘোষণা করলেই চলবে না। অত্যন্ত বলিষ্ঠ হাতে এবং সংগঠিত ভাবে, করাপ্ত অফিসার—যারা সমস্ত সমাজকে, দেশকে নিম্নস্তরে নিয়ে এসেছে তাদের দমন করতে না পারলে, দুর্নীতি দূর করা সম্ভব হবে না। সে জন্যই আমি বলেছিলাম, আপনাদের খোড়া ইন্দিরাগান্ধীর ট্রেইড ঘোড়া। একে নির্মম ভাবে কাটা-লগাম লাগিয়ে দমন করতে না পারলে আপনাদের সমস্ত পলিসি ব্যর্থ হতে বাধ্য। এই বলে আমি আমার বক্তব্য শেষ করলাম।

শ্রী অতুল চন্দ্র গোস্বামীঃ মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানি বিভাগৰ কাম-কাজৰ কথা এই কৰ্ত্তন প্ৰস্তাবৰ জৰিয়তে ৰাখিব খুজিছোঁ। অসমৰ মাটি কালি ৭৮·৫ হাজাৰ কিলো বৰ্গ মাইল তাৰ জনসংখ্যা দেৰ কোটি আৰু আমাৰ ৰাণ্টা হৈছে ৪ হাজাৰ ২০৯ কিলোমিটাৰ চাৰ্ফেচ ৰোড। সৰ্বভাৰতীয় ভিত্তিত চাবলৈ গলেও আমাৰ দেশখনেই আটাইতকৈ ৰাণ্টা পদুলীত পিচপৰা। এই অৱস্থাৰ পৰিবৰ্ত্তন কৰিবলৈ হলে আমি কেবল এটা সমষ্টিত ২ লাখ টকা দিলেই এই সমস্যাৰ সমাধান হব নোৱাৰে। প্ৰতিটো সমস্তিতে প্ৰতিজন বিধায়ককে ২ লাখ টকাকৈ দিয়াৰ ব্যৱস্থা শ্ৰদ্ধেয় মিশ্ৰ ডাঙৰীয়াই আপত্তি কৰিছে আৰু সেই আপত্তিত যুক্তি আছে। যিখিনি ৰাণ্টা আমাৰ হৈছে ৪ হাজাৰ ২০৯ কিলোমিটাৰ তাৰো বেছি অৰ্থাত শতকৰা ৭৫ ভাগেই সৰুবৰ নগৰত বেছি হৈছে। গাওঁ অঞ্চলত ইয়াৰ দৈৰ্ঘ্যতা তেনেই কম। গাওঁ অঞ্চলৰ ভিতৰতো যিবিলাক অনুসূচিত জাতি আৰু জনজাতিৰ লোক থকা অঞ্চল সেইবিলাকত ৰাণ্টাৰ আৰু অৱস্থা শোচনীয়। তেনেকুৱা উদাহৰণ বহুত আছে আমাৰ আগৰ চৰকাৰৰ মন্ত্ৰী এজনৰ পথাৰলৈ যোৱা ৰাণ্টাখিনিও ব্লেক টপ কৰি লৈছে। সেইজন হল প্ৰাক্তন মন্ত্ৰী আৰু কংগ্ৰেছ সভাপতি শ্ৰীছত্ৰসিং টেৰণ, তেখেতৰ ঘৰৰ পৰা খেতি পথাৰলৈ যোৱা ৰাণ্টা টোও পকী কৰি লৈছিল। কিন্তু তাৰ ভিতৰতে এনেকুৱা কিছুমান গাওঁও আছে মোৰ সমষ্টিৰে মিকিৰ গাওঁ যিবোৰ গাঁৱত জুন মাহৰ পৰা চেপ্তেম্বৰ মাহলৈ আঁঠুলৈকে বোকাত সোমাই যায়। এনে ব্যৱস্থাৰ অন্ত পেলাই এক পদ্ধতি বা দৃষ্টিভঙ্গিৰে আমাৰ নতুন চৰকাৰে গড়কাপ্তানি বিভাগক সাজুকৰি তুলিব লাগে। এই বিভাগৰ জৰিয়তে যিবোৰ ঘৰ দুৱাৰ নিৰ্মাণ হৈছে স্কুল হস্পিটল ইত্যাদি সেইবিলাকৰ অৱস্থাও শোচনীয়। ৰাষ্ট্ৰীয় পথৰ ওচৰতে চামগুৰী যিটো বেচিক ট্ৰেনিং চেণ্টাৰ আছে তাৰ ঘৰ দুৱাৰ বিলাক গড়কাপ্তানি বিভাগে কৰি দিছে কিন্তু আজি ১৫ বছৰেও তাঁত মাটিৰ পাই খানাই আছে, তেওঁলোকৰ ঘৰ সাজিবলৈ লওতে

যি পাইখানা কৰিছিল সেই পাইখানাত। তাঁত ১১৪ জন শিক্ষক শিক্ষয়িত্ৰীয়ে প্ৰশিক্ষণ লয় কিন্তু পাই-খানা মাত্ৰ তিনিটা। এই হোষ্টেলৰ কাৰণে ৩টা দমকল আছে তাৰে দুটা বহুদিন ধৰি বেয়া হৈ আছে, ভাল কৰিবৰ কাৰণে স্কুলৰ অধ্যক্ষই গড়কাপ্তানি বিভাগলৈ কিমান লিখিলে তাৰ আজিলৈকে উত্তৰ নাই। এই বিভাগে টকা পইছা খৰছ কৰিবলৈ লয় মাৰ্চমাহত। দোৱা দোৱীকৈ কেইলৰীমান মহৰীয়ে ঠিকাদাৰৰ লগত লগ হৈ শিলগুটি পেলাই বিল পাচ কৰি লয়। আমি বৃটিশৰ দিনত দেখিছিলো শিলবিলাক দিয়াৰ পিচত চালনীৰে বালি বিলাক উলিয়াই পেলাই আৰু আচল শিল-খিনি ষ্টেক কৰি থয়। কিন্তু আজি কালি ষ্টেক কৰাৰ নিয়মেই নাই। আগদিনাখন শিল পেলাই পিচদিনাখন দ গাত বিলাকত দুই এটা চতিয়াই কাম শেষ। মই নিজে কলং নদীৰ পাৰত থাকো। আমাৰ নগাওঁ লাওঁখোৱা নিজ কলিয়াবৰ যিটো ৰাস্তা সেইটোত ৬ বছৰ শিলগুটি পৰা নাই। শিলঘাট ৰদপহীলৈ কলিয়াবৰলৈ যোৱা যিটো ৰাষ্টা সেই ৰাষ্টাইদি যদি আপুনি যায় তেনেহলে তিনিদিন ককালৰ বিষত শুব লাগিব আৰু পিঠি মালিচ কৰিব লাগিব। নতুন চৰকাৰ হোৱাৰ পাছত সিদিনাখন কেইটামান শিলগুটি দিছে তাকো চালনিৰে চলা কিন্তু দেখা নাই।

আকৌ আনহাতে গড়কাপ্তানি বিভাগে বৰ দুৱাৰ হস্পিটল আদি সাজি দিয়ে কিন্তু পানী যোগান ধৰে পাবলিক হেলথ ইঞ্জিনিয়াৰিং বিভাগে, শক্তি চালিত কৰে বিদ্যুত বিভাগে এই বিভাগ বিলাকৰ ভিতৰত সহযোগিতা নথকাৰ কাৰণে উমৈহতীয়া শৰাহিস হৈছে। উদাহৰণ স্বৰূপে শিলঘা-টত যিখন হস্পিটাল গড়কাপ্তানি বিভাগে বনাইছে তাঁত এম, বি, বি, এচ, ডাক্তৰ আছে তেওঁৰ ঘৰো কৰি দিছে কিন্তু তাত পানী যোগান আৰু বিদ্যুতৰ ব্যৱস্থা নহোৱাত ডাক্তৰজন আজি ৫ বছৰ সেই ঘৰটোত সোমাব পৰা নাই। এই ঘৰ দুৱাৰ বিলাকৰ কাৰণে এনুৱেল ৰিপিয়েৰিং থাকে। ৰাষ্ট্ৰীয় ঘাই পথৰ ওচৰতে যি ফালেদি আমাৰ মন্ত্ৰী মহোদয় যায় চামগুৰীত যিটো ডাক বঙলা আছে ডাক বঙলা কিয় কয় নাজানো তাৰ সন্মুখত যিমানবিলাক আবৰ্জনা সব তাঁত ৰাখিছে একেবাৰে দলংৰ লোহা পচা কাঠৰ পৰা আৰম্ভ কৰি আৰু বিটুমেন্টৰ ড্ৰাম বিলাক। এই বিটুমেন্ট বিলাক থওতে থওতে নষ্ট হৈ গৈছে। ড্ৰামৰ পৰা এই বিটুমেন্ট বিলাক ওলাই ওলাই এনেকুৱা হৈছে তাঁত ছাগলী যদি সোমাই ওলাই আহিব নোৱাৰে টানি আনিব লগীয়া হয়, মানুহ সোমালেও নিশ্চয় টানি উলিয়াব লাগিব। গতিকে যত তত বিটুমেন্টৰ ড্ৰাম বিলাক পেলাইথোৱা কাৰণে এইবিলাক হৈছে আৰু বিটুমেন্টবিলাক ড্ৰামৰ পৰা ওলালেও কোনো চাওতা নাই। এইবিলাক চোৱা চিতাৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পিছত এই মাষ্টাৰৰোলত কাম কৰা মানুহবিলাক। তেওঁ লোকৰ দুজনে যদি ৰাষ্টাত কাম কৰে বাকী চাৰিজনে মহৰিৰ ঘৰত বা চেকচনেল অফিছাৰৰ ঘৰত ভাত ৰন্ধা পানী খোৱা চৰা খোৱা এই কাম বিলাক কৰিবলৈ দিয়ে কিন্তু পইছাতো পায় ৰাষ্টাত কাম কৰা হিচাবে। এই দপ্ত-ৰটো গড়কাপ্তানি বিভাগত আছে। মই ভাবো এই মাষ্টাৰ ৰোলটো উঠাই দি সকলোকে পাৰমে-নেন্ট কৰিলে নিশ্চয় এই ব্যৱস্থাটো উঠি যাব আৰু দুৰ্নীতিও নাইকীয়া হব।

ইয়াত গ্ৰান্ট বিলাক যেনেকৈ দিছে, কি কি দিছে কত কত দিছে অধ্যক্ষ মহোদয়, আমি বুজি নাপাওঁ। Capital outlay on other Social Services and Community Services.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— শিক্ষা বিভাগৰ ঘৰ শিক্ষা বিভাগে সাজক, স্বাস্থ্য বিভাগৰ ঘৰ স্বাস্থ্য বিভাগে সাজক। আটাইবোৰ বোজা লৈ এটাও ভাল কাম কৰিব নোৱাৰাতকৈ নোলোৱাই ভাল।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ— (মন্ত্ৰী) মাননীয় সদস্যক মই জনাব বিচাৰিছো যে এই বিভাগে সজা ঘৰ বিলাক ভাল হয়। বাকী বিভাগে সজা ঘৰৰ মডেল আপোনালোকে দেখিছেই। সকলোবিলাক ঘৰ গড়কাপ্তানি বিভাগে সজাৰ কথা ভবা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—সেইটো যদি হয় বৰ সন্তোষৰ কথা হব। পাবলিক হেল্থ সজা ঘৰৰ নমুনা আমি দেখিছো। আঙুলি দিলেই দুফুট তললৈ বহি যায়। পাবলিক হেল্থৰ ঘৰৰ তুলনাত পি, ডবলিউ, ডিয়ে সজা ঘৰ বিলাক সাধাৰণতে ভাল হয়। পাবলিকহেল্থে যি ঘৰ সাজে তাৰ পানী যোগানৰ ব্যৱস্থা তেওঁলোকেই দিব লাগে। যিটো ঘৰ পি, ডবলিও ডিয়ে সাজে তাৰ পানী যোগানৰ ব্যৱস্থা পি, ডবলিউ, ডিয়ে লোৱাই ভাল। অকল সেইটোৱেই নহয় তাৰ বিজুলি যোগান ব্যৱস্থাও এই বিভাগেই কৰা ভাল। এইবাৰ আমি অন্ততঃ এই কথা মনত ৰাখিব লাগিব যে আগৰ দৰে যাতে এইবাৰ ৩১মাৰ্চৰ আগতে টকা খৰচ কৰিব নোৱাৰিলো বুলি ওভোটাই দিব লগা নহয়। যদি এইটোৱেই হয় তেন্তে মন্ত্ৰী মহোদয়ে যি জন বিষয়াৰ দ্বাৰা এই টকা খৰচ কৰিব পৰা নহল তেওঁৰ ক্ষেত্ৰত যথেষ্ট শাস্তিমূলক ব্যৱস্থা হাতত লয়। কোনো কথাৰে অজুহাত দেখুৱাই যাতে টকা ঘূৰাই দিব লগানহয়।

অধ্যক্ষ মহোদয়, আৰু এটা কথা কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিম। চেংচনৰ ক্ষেত্ৰত পি, ডবলিউ, ডিয়ে হেয়াহিৰ সৃষ্টি কৰে নেচনেল হাইৱে বা অন্যান্য ৰাস্তাৰ ক্ষেত্ৰত চেংচন দেখিছোঁ যোৱাৰ ফলত বাৰিষা আহি পৰে আৰু ফলত কাম বন্ধ ৰাখিব লগা হয়। এইদৰে বাৰিষা অহাৰ ফলত যদি মাটি দুহেজাৰ খণ্ডা হয় তেন্তে পানীৰ তল পৰাত চাৰি হেজাৰ বুলি দেখুৱা হয় এই নিয়ম তাহানিৰ পৰা চলি আহিছে। বাৰিষাৰ আগতে যদি চেংচন দিয়া হয় তেন্তে কাম ভাল হব। দলংৰ ক্ষেত্ৰত কওঁ যে কাঠৰ দলংৰ পৰিবৰ্ত্তে পকা দলং কৰিব লাগে। শাল কাঠৰ দলং হলেও কাঠৰ এটা মেচিউৰিটি পৰিষদ আছে। ৮০ বছৰত শাল কাঠ মেচিউৰ হয়। ৩০ বছৰীয়া কাঠ হলেও কিছু কাম হয়। কিন্তু পোৱালী কাঠ লগাই দিলে চাৰিখন ট্ৰাক যোৱাৰ পিচতেই ভাঙি পৰে। সেইকাৰণে কৈছো আটাইবোৰ কৰিব নোৱাৰিলেও যি কেইখন কৰা হয় তাকে কাঠৰ নৰ্কাৰ পকা কৰিব লাগে আৰু ১২—১ নৰ্কাৰ ৪—১ কৰি চিমেন্টৰ প্ৰলেপ দিলেও বহুত ভাল হব।

এই খিনি কথা কৈয়ে যোৱা ৩০ বছৰে পি, ডবলিও, ডি বিভাগটোক যি পাবলিক ওৱাৰ্ক ডিপাৰ্টমেণ্ট বুলি কোৱা হৈছিল সেই নামৰ যাতে পৰিবৰ্ত্তন হয় তাৰ বাবে যেন মন্ত্ৰী মহোদয়ে সদা সতৰ্ক দৃষ্টি ৰাখে ইয়াকে কামনা কৰি মই সামৰণি মাৰিলো।

শ্ৰীভবেন শইকীয়া ঃ— অধ্যক্ষ মহোদয়, মই মূলতঃ কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰি দুআষাৰ কব খুজিছো।

আমাৰ অসমৰ যাতায়তৰ আৰু যোগাযোগৰ যিটো অৱস্থা তেনে অৱস্থা অন্য ঠাইত নাই বুলিয়েই কব পাৰি। এঠাইৰ পৰা আনএঠাইলৈ যাবলৈআমাৰ ৰাস্তা ঘাটৰ ভাল সুবিধা নাই। যিবিলাক পথৰ ওপৰত দলং আছে সেই বিলাকৰো অৱস্থা নাই। পি, ডবলিউ ডি বিভাগৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে আৰু তাৰ ওপৰত যিখিনি কথা উৎপাদন কৰা হৈছে তাৰ পৰা এইটোৱেই প্ৰমাণ হয় যে যোৱা ৩০ বছৰত কংগ্ৰেছ চৰকাৰৰ আমোলত যিদৰে কাম হৈ আহিছে এতিয়াও সেই ধৰণৰে হৈছে, দুনীৰ্তিয়ে এই গোটেই বিভাগটোকে গ্ৰাস কৰি পেলাইছে। তাৰ সমলোচনা কৰাৰ কাৰণে তেখেতসকলক মই ধন্যবাদ জনাইছো। এটা কথা

---

*Speech not corrected.

আমি মনত ৰাখিব লাগিব যে বিগত ৩০ বছৰত জন-সাধাৰণৰ সা-সুবিধাৰ কাৰণে আমি যিখিনি কৰিব লাগিছিল সেইখিনি একো কৰা নহল। দুনীতি ৰোধ কৰাৰ কাৰণে যদি কিবা প্ৰস্তাৱ উতথাপন হয় তেন্তে তাক সমৰ্থন কৰিব লাগিব। দেশখনৰ কাৰণে এতিয়ালৈকে যিখিনি কাম কৰা নহল সেইখিনিৰ ক্ষেত্ৰত যদি অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাবৰ ঠাইত যদি বৰ্দ্ধিত প্ৰস্তাৱ অনাৰ ব্যৱস্হা থাকিলহেতেন তেন্তে মই তাকেই উতথাপন কৰিলোহেতেন।

(ধ্বনি-কৰক নতুন নীতি।)

কথা প্ৰসঙ্গত মই এই কাৰণেই কৈছো যে আমাৰ কৰিবলৈ এতিয়ালৈকে যিখিনি কাম পৰি আছে দেশ এখন গঢ়িবৰ কাৰণে যিখিনি কাম কৰা প্ৰয়োজন সেইখিনি কৰিব লাগিব। আমাৰ যদিও নিয়ম নাই নিয়ম থকা হলে মই কৰ্ত্তণ প্ৰস্তাবৰ পৰিবৰ্ত্তে কামৰ পৰিমানলৈ চাই বৰ্দ্ধণ প্ৰস্তাবহে উথাপন কৰিলোহেতেন। যিবিলাক কাৰণত কৰ্ত্তন প্ৰস্তাৱ উথাপন কৰিছে সেই বিলাক আগৰ চৰকাৰৰ কামলৈ দৃষ্টি ৰাখিয়েই কৰিছে বুলি আমাৰ ভাব হৈছে। আগৰ চৰকাৰে কিবা কৰি গল। এতিয়া চৰকাৰ সলনি হৈছে আৰু নীতিও সলনি হৈছে। আমি আশা কৰো আমাৰ যাতায়তৰ ক্ষেত্ৰত, ঘাট পথৰ ক্ষেত্ৰত যোগাযোগৰ ক্ষেত্ৰত নতুন চৰকাৰে নতুন পৰিকল্পনাৰে কাম হাতত লৈ আগবাঢ়ি যাব। ইমান দিনে যিবিলাক অৰ্থৰ অপচয় ঘটিল সেই বিলাক ৰোধ কৰিব আৰু নতুন পৰিকল্পনাৰ কাম আৰম্ভ কৰিব। সেই ফালৰ পৰা চাই আমাৰ যি মূল দাবী আহিছে সেই দাবী সমৰ্থণ কৰা দৰকাৰ। অৱশ্যে আগৰ ক্ষেত্ৰত যি বিলাক সমলোচনা চলি আছে এইটো পৰিস্কাৰ কথা যে যোৱা ভালেদিন ধৰি আমি বছৰৰ পিচতবছৰ ধৰি দেখি আহিছো যে আমাৰ কিছুমান মাননীয় সদস্য শ্ৰী অতুল চন্দ্ৰ গোস্বামী ডাঙৰীয়াই কৈছে। মই বিশেষ ভাবে এটা ৰাস্তাৰ কথা কব বিচৰা নাই। আমাৰ মাননীয় সদস্য সকলে জানে যে আমাৰ মুল ৰাস্তাৰ পৰা ভিতৰলৈ সোমাবলৈ, মই এখন জিলাৰ কথাই কোৱা নাই অসমৰ প্ৰত্যেকখন জিলাৰ কথাকেই কৈছো কোনো ৰাস্তা আদি নাই। আৰু যিবিলাক ৰাস্তা আছে সেইবিলাকৰ অৱস্হাও তেনেই জৰাজীৰ্ণ। আমাৰ গড়কাপ্তানী বিভাগৰ ৰাস্তা বিলাক ভগ্ন অৱস্হাত পৰি থকা দেখিবলৈ পোৱা যায়। আমাৰ বহুত বিলাক দলং আছে যিবিলাক কেৱল খুটাৰ ওপৰতে ওলমি আছে দলঙৰ দুয়োটা কাষত ডাঙৰ দ গাত হৈ আছে। সেইবিলাকৰে মানুহ চলাচল জন। অকল এই কথাই নহয় ডাক্তৰৰ কোৱাৰ্টাৰ কৰিবৰ কাৰণেও ধনৰ প্ৰয়োজন। আমি দেখিছো গাৱত যিবিলাক হস্পিতাল আছে সেইবিলাক অৱস্হা দেখিলে বৰ দুখ লাগে। ডাক্তৰৰ কোৱাৰ্টাৰ বিলাকত মানুহ থাকিব নোৱাৰে। এজন এম, বি, বি, এচ, ডাক্তৰ থাকিবলৈ যেনে ধৰণৰ ঘৰৰ প্ৰয়োজন হয় তেনে ধৰণৰ ঘৰ নাই। মই এইখিনিতে দুখন হস্পিতালৰ কথা কব বিছাৰিছো। এখন হৈছে চাপানলা আৰু আনখন হৈছে আমবাগান হস্পিতাল। মই অকল মন্ত্ৰীকেই নহয় মাননীয় সদস্য সকলকো অনুৰোধ কৰিছো কেতিয়াবা গলে এই হস্পিতাল দুখন গৈ চাই আহিব কি দুৰৱস্হা চলি আছে এই অৱস্হাৰ ফলত কেৱল গড়কাপ্তানী বিভাগৰে অনিষ্ট হৈছে এনে নহয় চিকিৎসা আৰু শিক্ষা ব্যৱস্হাৰো অনিষ্ট হৈছে। বিভিন্ন বিভাগৰ যিবিলাক ক্ষয় ক্ষতি হৈ আছে সেইবিলাক মেৰামতি কৰিবলৈও গড়কাপ্তানী বিভাগৰ টকাৰ প্ৰয়োজন হয়। গড়কাপ্তানী বিভাগটো সক্ৰিয় কৰি তুলিবৰ কাৰণে যিটো মূল দাবী আহিছে সেই মূল দাবীটোত সমৰ্থন জনাব লাগিব। যদি দুনীতি নিবাৰণ কৰিব খোজে আৰু অপচয় ৰোধ কৰিব পাৰে তেতিয়াহে আমাৰ ভাল কাম হব। গড়কাপ্তানী বিভাগে আগৰে পৰা যি ধন খৰচ কৰি আহিছে তাৰ শতকৰা ২৫ ভাগ কামহে ৰাইজৰ কাৰণে কৰা হৈছে বাকী ৭৫ ভাগ অপচয় হৈছে। গতিকে এইটো ৰোধ কৰিবৰ কাৰণে নতুন গড়কাপ্তানী মন্ত্ৰীক অনুৰোধ কৰো। এইদৰে কাম কৰিব পাৰিলে আমাৰ অগ্ৰগতি নিশ্চয় চাৰি গুন বাঢ়ি যাব। এই সকলোবিলাক দুনীতি দূৰ কৰাৰ কাৰণে নিশ্চয় ধনৰ প্ৰয়োজন হব আৰু তাৰ কাৰণে মূল দাবীবিলাক সমৰ্থন কৰিবলৈ মাননীয় সদস্য সকলক অনুৰোধ জনাই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীযোগেন গগৈ ঃ— অধ্যক্ষ মহোদয়, এই কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰি মই কেইটামান বিষয়ে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমি দেখাত অসমৰ যিবিলাক যাতায়তৰ পথ আছে সেই পথ বিলাক সুগম নহয়। আজিকোপতি অসমৰ বিভিন্ন নগৰ কেইখনক সংযোগ কৰাৰ ব্যৱস্থা থকা এটা ৰাস্তা তৈয়াৰ কৰিব নোৱাৰিলে। গাঁও অঞ্চলৰ যাতায়তৰ অৱস্থা একেবাৰে ভাল নহয়। এই কাৰণে এইং অঞ্চলত নিৰক্ষৰতা থাকি গল আৰু তাৰ ফল স্বৰূপেই এই মানুহখিনিক এক শ্ৰেণীৰ মানুহে শোষণ কৰিবলৈ সুবিধা পাইছে। আনহাতেদি ৰেলৱেৰ ক্ষেত্ৰত মই কব খুজিছো যে তাহানি বৃটিছৰ দিনতে চাহ ব্যৱসায়ৰ কাৰণে এই উদ্যোগৰ সুবিধাৰ বাবেই, লাভালাভৰ সুবিধাৰ বাবেই এটা ৰেল পথ নিৰ্মাণ কৰি থৈ গল। কিন্তু জনসাধাৰণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ৰেল লাইনৰ ব্যৱস্থা কৰা নহল। আমাৰ ব্ৰহ্মপুত্ৰৰ ওপৰত দলঙৰ প্ৰস্তাৱ আছে। গঙ্গা নদীত আজিলৈকে ১৪ খন দলং হল কিন্তু অসমত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত মাত্ৰ এখন হে দলং হৈছে আৰু হবলৈ বাকী আছে। এখন প্ৰদেশৰ কাৰণে এখন দলং হোৱাটো বৰ দুখৰ কথা। উত্তৰ প্ৰদেশৰ মানুহে যেনেকৈ কেন্দ্ৰীয় চৰকাৰক কৰ-কাটল দিছে সেই-দৰে অসমৰ মানুহেও কেন্দ্ৰীয় চৰকাৰক কৰ-কাটল দিছে। তথাপি অসমৰ মানুহ এইদৰে বঞ্চিত হৈ থাকিবলগীয়া হোৱাটো বৰ পৰিতাপৰ কথা হৈছে। একচেতীয়া ভাবে চৰকাৰ শাসনৰ গাদীত বহাৰ বাবে জনসাধাৰণনে শক্তিশালী ভাবে সংগঠন গঢ়ি তুলিব নোৱাৰাৰ কাৰণেই এইবিলাক অচল অৱস্থাত আছে। আমাৰ সমাজত যিবিলাক জনজাতিয় লোক আছে সেইসকল সংখ্যালঘু হোৱাৰ কাৰণে অন-গ্ৰসৰ হৈ আছে, নিৰক্ষৰ হৈ আছে, এই লোক সকলৰ বাবে চলাচল কৰিবলৈ কোনো ৰাস্তা নাই। যি এটা মথাউৰি থাকে সেইটো ভাঙি গলে তেওঁলোক ওলাবলৈ ৰাস্তা নাইকীয়া হৈ পৰে আৰু ৰাস্তা পদূলি নোহোৱাৰ দৰে বানপানী হলে আন্দামান নিকোবৰ দ্বীপত থকাৰ নিচিনাকৈ থাকিবলগীয়া হয়। গতিকে এই বিলাক অঞ্চলৰ যাতায়তৰ পথ নিৰ্মাণ কৰাৰ কাৰণে ব্যৱস্থা লব লাগে। "আমি যিটো অঞ্চল জানো আগবঢ়াই লৈ যাবও আৰু যিটো অঞ্চল নাজানো সেইটো পিচ পৰি ৰব" এইটো হব নালাগে।

নামদাং ঐতিহ্যমণ্ডিত শিলৰ সাকোঁৰ কথা জানো। এই শিলৰ সাকোঁৰ ওপৰেদি গাড়ি যা, ঘোৰা যায়, মানুহ যায়।আজিৰ আধুনিক দিনৰ টেংকাৰ আদি এই শিলৰ সাকোঁৰ ওপৰেদি যায়। গতিকে ঐতিহ্যমণ্ডিত এই শিলৰ সাকোঁৰ কথা আমি চিন্তা কৰিব লাগিব আৰু সংৰক্ষণ কৰা দৰকাৰ। আনহাতেদি এই আধুনিক যুগৰ তেল কোম্পানীৰ গধুৰ গাড়ী নগলেও নহয় আৰু গলেও দলং ভাঙিব। এইটো এটা সংঘাট হৈছে। এই সম্পৰ্কত নিশ্চয় উপযুক্ত ব্যৱস্থা লব লাগিব। মোৰ সমষ্টিত নঙল মৰা ঘাট আছে। বহু বছৰ ধৰি কাম কৰাৰ পিচত এই দলংখন হৈছে যদিও মুকলি কৰিব পৰা নাই চৰকাৰী নীতিৰ দুৰ্বলতাৰ কাৰণে এইখন দলং মুকলি কৰিব পৰা নাই। এপ্ৰচ ৰোডটো নোহোৱাৰ কাৰণে এই দলং খন মুকলি কৰিব পৰা নাই। এই এপ্ৰচ ৰোডৰ কাৰণে বহুতো খেলি মেলি আছে। চিভিল অৰ্থৰিটিৰ বাতুলতাৰ কাৰণে গণ্ডগোল কাৰ এই দলংখন মুকলি কৰিব পৰা নাই। মাটিৰ কাম কৰিব নোৱাৰাত যাতায়তত বিচ্ছিন্ন হৈ আছে। এই আলিটো মূল দলঙৰ পৰা বিচ্ছিন্ন কৰাৰ বাবে এনে ঘটনা ঘটিছে। যোৱাবাৰ বানপানীৰ সময়ত শিৱসাগৰ নগৰলৈ মন্ত্ৰী গৈছে, চেপন, মৰাণলৈ গৈছে। কিন্তু বকতালৈ যাব পৰা নাই। বকতাৰ কিবা খবৰ পাইছা নেকি বুলি সুধি গুচি যায়। এই মানুহখিনিক উদ্ধাৰ কৰাৰ কাৰণে দায়িত্ব পালন কৰিব নোৱাৰিলে। অৱশ্যে চাৰিদিন পিচত স্থানীয় প্ৰশাসন তৎপৰ হোৱাৰ কাৰণে কিছু কাম হৈছে সেইটো মই স্বীকাৰ কৰো। মোৰ সমষ্টিত ডিমৌ দিহিং আলি আছে। এই ৰাস্তাটোৰ মেৰামতি নাই। মাজত খাল আৰু এই খাল বিলাক পথাৰতকৈ দ। গাড়ীৰ চকাৰ পানীৰ চিটিকনি আধা ফালং দূৰলৈ চিটিকি যায়। এই ৰাস্তাটোৰেদি লৰা ছোৱালী অহা যোৱা কৰে। দুটা মৌজাৰ সংযোগ মূলপথ। এই-বাৰ দুই লাখ টকা দিয়াৰ ষ্টেটমেণ্ট দাখিল কৰিছে। উচ্চ মহলৰ তৰফৰ পৰা টকা নিদিয়াৰ কাৰণে আলিটোৰ মেৰামতি নহল। এই পথটো দুটা মৌজাৰ সংযোগ পথ। গড়কাপ্তানী মন্ত্ৰী মহোদয়ে ইয়াৰ বিষয়ে ভালকৈ জানে। তেখেতৰ লগত এই আলিটোৰ বিষয়ে কথা পাতিছো আৰু তেখেতৰো অভিজ্ঞতা আছে। মই ভাবো চৰকাৰে ব্লেকটপিংৰ ব্যৱস্থা গ্ৰহণ কৰিব। বানপানীৰ সময়ত দেখা যায় ৰোড ক্লোজ বুলি চাইন বৰ্ডত লিখি থয়। ফলত মানুহ ঘূৰি যাব লগা হয়। ৰোড অপোন হব লাগে ক্লোজ হব নালাগে। কাৰণ বহু দূৰৰ পৰা মানুহ যায়, আৰু ৰাস্তা বন্ধ বুলি লিখা থাকিলে ঘূৰি যাবলৈ বাধ্য হয়। গতিকে ৰাস্তা খুলি ৰখাৰ ব্যৱস্থা কৰিব বুলি আশা কৰিলো বানবিধ্বস্ত এলেকাত দেখা পাইছো ৰাস্তা বেয়া কাৰণে চৰকাৰী অফিচাৰ নাযায়, খাদ্য বস্তুও নাযায়। এই পিচ পৰা অঞ্চল

ৰাইজে আপত্তিও কৰিব নোৱাৰে, ৰাস্তাও বন্ধ থাকে। গতিকে এই বানবিধ্বস্ত এলেকাত সংযোগ পথ নিৰ্মাণ কৰিবৰ কাৰণে গুৰুত্ব দিবলৈ যাতে বিশেষ টকা দিয়ে তাৰ বাবে অনুৰোধ কৰিলো। প্ৰত্যেক জন এম, এল, এক দুই লাখকৈ টকা দিয়া হৈছে, এই টকা নগন্য। এই টকাৰে বোধকৰো ছয় কিলোমিটাৰহে ৰাস্তা হব। আমাৰ যিমান সমস্যা আছে আৰু বেচি টকা দিব লাগিব। মই আন এটা কথাৰ প্ৰতি দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে শিৱসাগৰ মহকুমাত তেল কোম্পানী আছে, প্ৰাকৃতিক গেচ আয়োগ আছে। এই প্ৰাকৃতিক গেচ আয়োগে বিভিন্ন ঠাইত খনন কাৰ্য্য চলাই আছে। প্ৰতি দিনে গধুৰ গধুৰ যান-বাহন অহাযোৱা কৰিছে। ফলত আলি বিলাক নষ্ট হৈছে। এই আলি বিলাকত গড়কাপ্তানি বিভাগেও গুৰুত্ব নিদিয়ে আৰু গেচ আয়োগেও গুৰুত্ব নিদিয়ে। এই ৰাস্তা বিলাকৰ অৱস্থা স্বামী নাইকীয়া তিৰোতাৰ দৰে অৱস্থা হৈছে। এনে অৱস্থাত ৰাইজৰ যাতায়তৰ ক্ষেত্ৰত বিপন্ন হয়। এই ক্ষেত্ৰত খাটাং ভাবে কৈ দিয়ক এই ৰাস্তা বিলাক কাৰ দায়িত্বত থাকিব। প্ৰাকৃতিক গেচ আয়োগে কাম শেষ কৰাৰ পিচত ৰাস্তা মেৰামতি নকৰাকৈ গুচি আহে। এই ধৰণে কৰাৰ ফলত আজি ছয় মাহ ধৰি বিপদত পৰিছে। এই বিলাকৰ দায়িত্ব লব লাগে। আমাৰ মেৰামতি কৰা নীতি বিলাক হল বাৰিষাহে মেৰামতিৰ কাম আৰম্ভ হয়। এইটো কৰাৰ লক্ষ্য হব পাৰে কেনেকৈ অধিক মুনাফা কৰাৰ উদ্দেশ্য নিহিত থাকে। ফলত কাম একো নহয়। এই ধৰণৰ দুৰ্নীতি প্ৰশ্ৰয় দিব নালাগে। তাৰ পিচত দেখা যায় দলং ভঙাৰ পিচত মাল বস্তু পেলাই দিয়ে। সেই বিলাক লগে লগে অকচন কৰিলে বিভাগৰ লাভ হয়। এই বিলাক এনে থৈ যোৱাৰ ফলত আমাৰ চৰিত্ৰ নষ্ট হৈছে। আমাৰ জনসাধাৰণৰ চৰিত্ৰক উন্নতিৰ ফালে আগবঢ়াই লৈ যাব লাগে। চৰিত্ৰ বেয়া হোৱাৰ সুবিধা দিব নালাগে। গতিকে সংশোধন নিয়ামক ব্যৱস্থা লব লাগিব। মই লক্ষ্য কৰি দেখিছো গড়কাপ্তানি বিভাগৰ শিল বিলাক আজি ইয়াত পেলাব, কালিলৈ সিফালে পেলাব। এমাহত চাৰি ঠাই বাগৰে! ইয়াৰ অৰ্থ এয়েই যে চাৰি ঠাইত পেলাই চাৰিবাৰ বিল আদায় কৰে। এই বিলাক হল দুৰ্বল নেতৃত্বৰ কথা। ঠিকাদাৰ সকলে কয় 'ঠিকা পাবলৈ হেনো আগতে টকা দিব লাগে'। এই বিলাকৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব। গড়কাপ্তানি বিভাগৰ মহৰীৰ তলত থকা লেবাৰ বিলাকে আপত্তি কৰে তেওঁলোকৰ দৰ্মহা কাটি দিয়ে। বহুত মহৰীৰ ভাগমাল বাবেও, পাকৰা গৈ এই লেবাৰ সকলক কামত লগায়। গতিকে এই বিলাক ক্ষেত্ৰত দৃষ্টি দিব লাগে। গড়কাপ্তানি বিভাগৰ দৰে গুৰুত্বপূৰ্ণ গঠণ মূলক কাম বিলাক কৰিবলৈ যাওতে আমি গাঁৱত থকা শক্তিসম্পন্ন ডেকা বিলাকক এই নিৰ্মাণ কাৰ্য্যত লগাব পাৰো। এইটো কৰাৰ লগে লগে ভোকাতুৰ পৰিয়ালটোৰ সংস্থাপন হব। গড়কাপ্তানি বিভাগৰ এই ৰাস্তা বিলাক কৰিবলৈ যাওঁতে পঞ্চায়ত কমিটি কৰা ভাল। এই কমিটিয়ে মন্ত্ৰীৰ লগত সম্পূৰ্ণ সহযোগ ৰাখি চৰকাৰক আচল কথা বিলাক কব। এই পঞ্চায়ত কমিটি বা প্ৰজেক্ট কমিটিৰ হতুৱাই তদন্ত কৰিলে দুৰ্নীতি নাথাকিব। আজি গড়কাপ্তানি বিভাগৰ আলিবাটৰ ক্ষেত্ৰত যথেষ্ট খেলি মেলি চলি আছে। এই খেলি-মেলিৰ ক্ষেত্ৰত নজৰ ৰাখিব লাগিব। তাৰ পিচত মই বাগানৰ মাজেদি যোৱা ৰাস্তা বিলাকৰ সমস্যাৰ বিষয়ে কব খুজিছো। ব্যক্তিগত বাগানৰ ৰাস্তাইদি যাব লগা হলে চকীদাৰে গেট খুলি নিদিয়ে। গৰ্ভ-ৱতী তিৰোতা যদি ৰাতি দুই বজাত হাস্পাতাললৈ নিব লগা হয় তেতিয়া কি অৱস্থা হব পাৰে। ৰাতি চকিদাৰ শুৱাৰ পৰা যদি নুঠে গেট মুকলি কৰিব পৰা নহয়। গতিকে এই ধৰণৰ ৰাস্তা বিলাক চৰকাৰীকৰণ কৰিব লাগে—আৱশ্যক হলে মাটি অধিগ্ৰহণ কৰিব লাগে। এই ধৰণে পিচপৰা অঞ্চল বিলাক আগবঢ়াই লৈ যাবৰ কাৰণে চৰকাৰে নিশ্চয় দায়িত্ব পালন কৰিব লাগিব যাতে জনসাধাৰণে বিপদৰ পৰা উদ্ধাৰ পায়। গড়কাপ্তানি বিভাগৰ কাম-কাজ বিলাকৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব। এই খিনিকে কৈ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীএম ইব্ৰাহিম আলি :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বগেন বসুমতাৰীয়ে যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেই প্ৰস্তাৱ মই সমৰ্থন কৰি আমাৰ গড়কাপ্তানি মন্ত্ৰী মহোদয়ক কেইটা মান কথা কবলৈ বিচাৰিছো। আজি আমাৰ দেশখনৰ যি অৱস্থা সেইটো সকলোৱে উপলব্ধি কৰিছে, এই অৱস্থাৰ পৰিৱৰ্ত্তন আমি সোনকালে কৰিব লাগে। আৰু এইটো কৰিবলৈ হলে আমাৰ সকলোৰে আন্ত-ৰিক সহযোগিতা লাগিব। আজি গড়কাপ্তানি বিভাগৰ কাম কাজৰ কাৰণে লাখ লাখ টকা খৰচ কৰা হৈছে। এই ধনৰ যোগেদি আমাৰ বিভিন্ন উন্নয়নমূলক আৰু নিৰ্মানমূলক কাম হোৱাৰ লগে লগে আমাৰ ক্ৰয় ক্ষমতা আৰু বিকেন্দ্ৰীকৰনলৈ লক্ষ্য ৰাখিব লগা হৈছে। আমাৰ মানুহ বিলাক দৰিদ্ৰ। আমাৰ যিবিলাক টকা এই বিভাগৰ যোগেদি খৰচ কৰা হয়,, সেই টকা বিলাক আমি কোন ধৰণে খৰচ কৰিছোঁ

আৰু সেই টকাৰ পুনৰ বিতৰণ হৈছেনে নাই সেইটোও চাবলগা হৈছে। কাৰণ এই কাম বিলাক কৰিবলৈ যাওতে চৰকাৰ আৰু শ্ৰমিকৰ মাজত সম্পৰ্ক হয়। চৰকাৰে কোনো উন্নয়নমূলক কামৰ বাবে যি টকা খৰচ কৰে, সেই টকা যাতে এই শ্ৰমিক সকলৰ প্ৰকৃত স্বাৰ্থত খৰচ হয় তালৈ নজৰ দিব লাগে। আৰু আমাৰ উন্নয়ন মূলক কামৰ কাৰণে অংশ গ্ৰহণ কৰা শ্ৰমিক তেওঁলোকৰ শ্ৰমৰ বিনিময়ত কিমানখিনি ধন পায়, আৰু যিখিনি ধন পায়, সেইখিনি নিজে তেওঁলোকৰ জীৱন নিৰ্বাহত কিমানখিনি আবহনা যোগায় সেই কথাটো এই গড়কাপ্তানি বিভাগে পুনৰ বিবেচনা কৰিব লাগে। আমি এটা ভাল ঘৰ বা বাণ্টা কৰিলে গড়কাপ্তানী বিভাগৰে সুনাম হয়। আজি চৰকাৰ আৰু শ্ৰমিকৰ মাজত কনট্ৰেক্টৰ শব্দটো ৰখা হৈছে। যেতিয়া এটা ডাঙৰ কাম বা আঁচনি কাৰ্য্যকৰী কৰিবলৈ লোৱা হয় তাৰ এটা চিদিউল ৰেট্ থাকে। ডাঙৰ ডাঙৰ কাম বিলাকত এই চিদিউল ৰেট্ সঘনে লৰচৰহৈ থাকে। মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যে, চিদিউল ৰেটত ডাঙৰ ডাঙৰ ঠিকাদাৰৰ লগত সহজে কাৰ্য্য সম্পন্ন হয়। আমাৰ মন্ত্ৰী মহোদয় এজন বিপ্লৱী মানুহ। সেয়ে সাধাৰণ শ্ৰমিকৰ ক্ষেত্ৰত যাতে নিৰ্ধাৰিত ৰেটৰ তলত কাম কৰিবলৈ বাধ্য কৰোৱা পৰিস্থিতি নহয়। তালৈ নজৰ দিব লাগে। শ্ৰমিকৰ মজুৰি ঠিকাদাৰৰ দয়াৰ বিষয় নহয়; বৰং ই শ্ৰমিকৰ দাবী বুলি গণ্য হব লাগে কোনো পধ্যেই যাতে শ্ৰমিকে নিৰ্দ্ধাৰিত ৰেটত তলত কাম কৰিবলগা নহয়। উদাঃ মইনভাৰ বাণ্টাৰ কামত চিদিউল ৰেটৰ তলত কাম কৰা কাৰণে ৮০ হাজাৰ টকাৰ কামত ৩০ হাজাৰ টকা বাহি হৈছে। ৰৰষুণত নতুন বাণ্টা ভাঙি গৈছে অথচ টাৰ্ফিং কৰা নাই। খবৰো লোৱা নাই। সৰু-সুৰা কাৰণত কাম পিছুৱৈ পেলাই ৰখা হয়। পিছুৱৈ থলেই ন্যাস্ত স্বাৰ্থৰ বাঞ্ছা পূৰণ হয়। গড়কাপ্তানি বিভাগ এটা বৰ ডাঙৰ বিভাগ। সিপিল অভাৱ কৰোতে এই বিভাগত বহুতো টকা অপচয় ঘটিছে। এইবিলাক কামত এতিয়ালৈকে বহুতো এটা খৰচ কৰা হৈছে কিন্তু কামৰ অগ্ৰগতি হোৱা নাই। ৰাইজে ইমান দিন ক্ষমাৰ চকুৰে চাই আহিছে। এতিয়া আৰু ক্ষমা নকৰে। এতিয়া গুলিয়ামুলি চলিব। এইবিলাক কাম কৰোতে একশ্ৰেণীৰ মানুহৰ সুবিধাৰ পথ মুকলি হয় আৰু কিন্তু শ্ৰমিকৰ বিশেষ একো লাভ নহয়। আনহাতে এই বিভাগৰ যোগেদি যিমান বিলাক ৰাণ্টাঘাট কৰা হৈছে তাৰ একাংশৰ লগত দলীয় ৰাজনৈতিক কাৰণে নিহিত হৈ আছে। এই বিভাগে এনেধৰণৰ কিছুমান ৰাণ্টা বনাইছে যাৰ সংযোগ নাই। অপৰিকল্পিত হোৱা বাবে আন ঠাইলৈ যোৱাৰ কোনো সুবিধা নাই। বহু ক্ষেত্ৰত এখন ঠাইৰ লগত আন ঠাইৰ যোগাযোগ বিচিন্ন হৈ আছে। ইয়াৰো পৰি কোনো কোনো ৰাণ্টাত হয়তো দলং দিছে আৰু সেই দলং ইমান দুৰ্বল যে কেইখনমান গৰু গাৰী পাৰ হৈ গলেই তাৰ গজাল এৰাই যায়। এই দৰকাৰী কামবিলাক কৰিবলৈ যি সকলে আগ-ভাগ পায়, আৰু সমাজৰ আগ শাৰীত থাকে, সেই সকলে ৰাইজৰ দুখ দুৰ্গতিৰ কাৰণে অলপো চিন্তা নকৰে। গাঁৱৰ ৰাইজ বঞ্চিত অসন্তুষ্ট আৰু গাঁৱৰ মানুহে কোনো দক্ষতাহীন চৰকাৰৰ এতিয়া আৰু ক্ষমা নকৰে এইবাৰ বন্দুক আৰু বাৰুদৰ ব্যৱহাৰ হব। এই বিভাগত শিক্ষিত মানুহতকৈ অশিক্ষিত মানুহৰ সংখ্যা বেছি। গতিকে আমি এই বিভাগটো সুস্থ আৰু নিকা কৰিবৰ হৈছে। সুসংগত ভাবে গঠন কৰিবৰ বাবে সকলোৱেই চেষ্টা কৰিব লগীয়া হৈছে। আমাৰ যিবিলাক শ্ৰমিক বাহীনি আছে জিলা ভিত্তিতে হওক বা মহকুমা ভিত্তিতে হওক বা মৌজাৰ ভিত্তিতে হওক এটা তাৰ তালিকা প্ৰস্তুত কৰিব লাগে। প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ প্ৰধান্য নিদি শ্ৰমিকৰ দ্বাৰা কাম কৰিব পৰা হয়নে নহয় তাৰ এটা বিবেচনা কৰিব লাগে।

আঁচনি বিলাক যিমানেই ডাঙৰ নহওক লাগিলে, ফাৰ্ষ্ট ক্লাছ ঠিকাদাৰক নিদিলেই নহয় এনেকুৱা বিলাক পদ্ধতিৰ পৰিবৰ্ত্তন কৰিব পৰা হয়নে নহয় সেই বিলাক কথা চিন্তা কৰি চাব লাগে।

হয় তেতিয়াহলে, গড়কাপ্তানি বিভাগটো আজিও দৰিদ্ৰ ৰাইজৰ পৰা বহুত দূৰত আছে। এই কাৰণেই গড়কাপ্তানি বিভাগৰ পাব্লিক ওৱাৰ্ক বিৰাগ বুলি কবলৈ ৰাইজে প্ৰয়াস পাইছে। মই কিন্তু সেইটো কব নোখোজো কিয়নো সকলো কথা যদি চালি জাৰি চোৱা হয় তেতিয়াহলে, জনসাধাৰণৰ সেৱাৰ কাৰণে কৰিবলগীয়া বহুতো কাম এই বিভাগৰ আছে। এই বিলাক কৰিব পাৰিলে জনসাধাৰণৰ সেৱা কৰাৰ প্ৰয়োজনীয় বিভাগ বুলি মই আখ্যা দিব খোজো।

সদো শেষত ধাৰ্য্য হোৱা টকা আৰু প্ৰকৃত কামৰ ভিতৰত সংযোগ ৰক্ষা কৰিবৰ কাৰণে কাৰি-কৰি দিশটোৰ প্ৰতিও লক্ষ ৰখা উচিত। কাৰিকৰি বিশেজ্ঞ সকল যাতায়তৰ উন্নয়নৰ লগত ওতঃ প্ৰোত ভাৱে জড়িত। উদাহৰণ স্বৰূপে কোনোবা এক্সিকিউটিভ ইঞ্জিনিয়াৰ যদি বদলি হৈ যায় তেতিয়াহলে পৰবৰ্ত্তী যিজন লোক তেখেতৰ ঠাইত যোগদান কৰে সেইজন আগৰ ঠাইলৈ বদলি হৈ যোৱা জনক ফলূআপ নকৰে। ইয়াৰ ফলত লাখ লাখ টকাৰ কাম আধৰুৱা হৈ যাব লগীয়া হয়। বৰপেটাতে তেনে-কুৱা বহু নজিৰ আছে। ১৯৭৫ চনতে কৰা এষ্টিমেট মতে ১৯৭৬ চনত কাম কৰিলে কিন্তু ১৯৭৮ চনতো তাৰ ফাইনেল বিল হোৱা নাই। আগৰ বদলি হৈ যোৱা জনক ফল-আপ নকৰাৰ কাৰণেই এইটো হবলৈ পাইছে। বাৰিষাৰ সময় ছোৱাত ক্ষতি হয় উপাইহীন হৈ প্ৰচুৰ টকা খৰছ কৰি বলেৰে এই-বোৰ কামত শ্ৰমিক সকলক চৰকাৰৰ পৰা আঁতৰত ৰাখিবলৈ চেষ্টা কৰা হৈছে। শেষত মই এই কাট-মোচনটোৰ সমৰ্থনত এইটোকে কও যে, এই বিলাক দুনীতি দূৰ কৰিব নোৱাৰালৈকে এই গড়কাপ্তানি বিভাগটোৰ যোগ্যতা কেতিয়াও টকাৰে জুখিব পৰা নেযায়। সেইকাৰণে এই বিলাক আসি সংশোধন কৰিব লাগে।

শ্ৰীনগেন শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ যি দাবী সেই দাবীৰ সমৰ্থনত, আৰু বিৰোধীতা কৰি তাৰ ওপৰত যি কাটমোচন উঠিছে, তাৰ বিৰোধীতা কৰি কেইটামান কথা কম বুলি ঠিয় হৈছোঁ।

মাননীয় সদস্য সকলে কৰ্ত্তনপ্ৰস্তাৱৰ ক্ষেত্ৰত যি বিলাক সমস্যাৰ কথা ডাঙি ধৰিছে এইবোৰ চালি-জাৰি চালে সাৰ্মগ্ৰিকতাৰে ৪টা সমস্যাই দেখা যায়। এই সমস্যা কেইটাৰ প্ৰথমটো হৈছে আঞ্চলিক বৈষম্যতা। দ্বিতী-য়টো হৈছে, গড়কাপ্তানী বিভাগৰ আধৰুৱা কাম কাজ বোৱা। তৃতীয়টো হৈছে, দুনীতি আৰু চতুৰ্থ টো হৈছে ঠিকাদাৰ আৰু শ্ৰমিক সকলৰ সমস্যা। মাননীয় সদস্য সকলে এই চাৰিটা সমস্যাৰ সম্পৰ্কত যি বিলাক কথা এই পবিত্ৰ সদনত দাঙি ধৰিছে সেইবিলাক সচাঁকৈয়ে বিবেচনা যোগ্য। লগত এই-টোও মই কও যে, এই যিবোৰ সমস্যা ইয়াত দাঙি ধৰা হৈছে সেইবিলাক যোৱা ৩০ বছৰত তৈয়াৰ হোৱা সমস্যা। এই সমস্যাবোৰ কথা আমাৰ জনত চৰকাৰে নিশ্চয় চিন্তা কৰিব আৰু সমস্যাবোৰ সমাধান কৰাৰ কথাও চিন্তা কৰিব।

আঞ্চলিক বৈষম্যতাৰ ক্ষেত্ৰত আমি দেখা পাইছো যে, কোনো অঞ্চলত ভাল ভাল আলিবাট হৈছে আৰু কোনো অঞ্চলত একেবাৰেই হোৱা নাই। ইয়াৰ প্ৰধান কাৰণ আছিল যে, ৰাজনৈতিক দৃষ্টিকোনৰ পৰা বিছাৰ কৰি কিছুমান প্ৰভাৱশালী মন্ত্ৰীৰ প্ৰভাৱত এইবিলাক হবলৈ পাইছিল। মাননীয় সদস্য শ্ৰীঅতুল চন্দ্ৰ গোস্বামী দেৱে ইয়াৰ এটা জলন্ত উদাহৰণ দাঙি ধৰিছিল। অৱশ্যে বিভিন্ন ঠাইত যে কাম হোৱা নাছিল সেইটোও নহয়। মই আশা-কৰো, বৰ্ত্তমানৰ চৰকাৰে তেনেকুৱা বৈষম্যমূলক আচৰণ নকৰিব আৰু সকলোবিলাক ঠাইতে এটা জৰিপ চলাই সকলো বিলাক অঞ্চলকে সামূহিক ভাৱে উন্নয়ণ কৰাৰ দিহা কৰিব। আনহাতে যোৱা ত্ৰিশ বছ-ৰত যি বিলাক কাম কাজ আধৰুৱা হৈ আছে সেইবিলাক ভাল কৰাটো জনতা চৰকাৰৰ পক্ষে সহজ সাধ্য হবনে নহয় সেইটোও মই নেজানো কিন্তু এইবিলাক ভাল কৰিবৰ কাৰণে কিছুসংশোধন কৰিবৰ কাৰণে আশাকৰো আমাৰ মাননীয় সদস্য সকলেও নিশ্চয় সহযোগিতা আগবঢ়াব। মই বিশেষকৈ আমাৰ মঙ্গলদৈ মহকুমাৰ দুই এটা কথাৰ প্ৰতি আঙুলিয়াই দিব খুজিছো। টংকোলাই নদীৰ এখন দলঙৰ কথা বহুত দিন আগতে বাৰ্তাৰ কাগজতো ওলাই গৈছে। তাত বহুতো খুটা আছে। দলং কৰিবৰ কাৰণে এই খুটা বিলাক থোৱা হৈছিল। কিন্তু আজি ৮।৯ বছৰেই হল সেই খুটা কেইটা তাত থিয় হৈয়ে আছে। কিন্তু দলং হোৱা নাই। মোৰ নিজা সমষ্টিৰো প্ৰায়বোৰ ৰাস্তাই আধৰুৱা। এটা আলিবাতটো তাত নাই

ফলত পূবৰ পৰা পশ্চিমলৈ, উত্তৰ পৰা দক্ষিণ কোনিও যাবৰ উপায় নাই। সেইদৰে ওদালগুৰিৰ, চিপাঝাৰ দল গাও, মাজবাট আদিতো একেই অৱস্থা। এই বোৰ কৰিবৰ কাৰণে অৱশ্যে সময় লাগিব। মই আশাকৰো, আমাৰ মাননীয় সদস্য সকলে এই বোৰ কৰিবৰ কাৰণে নিশ্চয় আমাৰ চৰকাৰক সময় দিব।

তাৰ পিছত দুৰ্নীতিৰ ক্ষেত্ৰত কও যে, দুৰ্নীতি যে কেৱল গড়কাপ্তানী বিভাগতেই আছে এনে নহয়, দুৰ্নীতি কম বেছি পৰিমাণে সকলো বিলাক বিভাগতে আছে।এইটো আমাৰ এটা সামাজিক ব্যাধি। আমাৰ সামাজিক ব্যৱস্থাটোৰ পৰিবৰ্ত্তন নকৰালৈকেই এই দুৰ্নীতি দূৰ কৰাটো সহজ সাধ্য নহব। আগৰ চৰকাৰে ৰাজনৈতিক কাৰণত কিছুমান দুৰ্নীতি কৰাবৰ কাৰণে বিষয়া সকলক বাধ্য কৰোৱাইছিল। আশাকৰো আমাৰ এই জনতা চৰকাৰে তেনেকুৱা কথা বিলাকক প্ৰশ্ৰয় নিদিব। কিন্তু আগৰ চৰকাৰে পুতি থৈ যোৱা দুৰ্নীতিৰ বীজ এতিয়াও আমাৰ চৰকাৰী চাৰ্কিয়াল সকলৰ মাজত চলিয়েই আছে। মাননীয় সদস্য সকলে এই বিষয়ে নিশ্চয় জানেই। আৰু এটা কথা মই কবলৈও দুখ পাইছোঁ আৰু আপোণালোকেও শুনি বৰ দুখ পাব যে, কিছুমান বিষয়াই যেতিয়া কোনো কামৰ বাবে এষ্টিমেট আদি কৰে তেতিয়া বেছি টকাৰ প্লেন এষ্টিমেট কৰি লয়। এইটো কৰোতে কিমান টকা ৰাহি হব সেইটোৰ হিচাব পত্ৰও কৰি লয়। এনেকুৱা যাতে হব নোৱাৰে তাৰ কাৰণে নতুন চৰকাৰে 'কুৱালিটি কণ্ট্ৰোল' বিভাগ এটা নিশ্চয় কৰি লব লাগে। আমাৰ সদনৰ যি 'এষ্টিমেট কমিটি' আছে আৰু অন্যান্য যিবিলাক তদাৰকী কমিটি আছে সেই-বিলাকৰ দ্বাৰা প্ৰয়োজন হলে 'চাপ্ৰাইজ ভিজিট' আদি দিয়াটো ব্যৱস্থা কৰিব লাগে।

Mr. SPEAKER : Order. Honourable member will continue his speech tomorrow. I now come to the next item. Item No. 3. (absent) Item No. 4. Shri Narendra Nath Dutta. (absent). Item No. 5. Shri Promode Gogoi (absent) **Shri Jogen Gogoi.**

---

## DISCUSSION UNDER RULE 49

Shri JOGEN GOGOI—Sir, I beg to raise a discussion under rule 49 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly on matter arising out of an answer to unstarred question No.5 asked by Shri M. Ibrahim Ali on the 29th May, 1978

এই সম্পৰ্কত এটা আলোচনা প্ৰসঙ্গক্ৰমে ডাঙি ধৰিব বিচাৰিছোঁ, প্ৰশ্নটোত সোধা হৈছিল অত্যাৱশ্যকীয় সামগ্ৰীবোৰৰ যোগান নিয়মিত আৰু উন্নত কৰিবলৈ চৰকাৰৰ কোনো নতুন আঁচনি আছে নেকি? উত্তৰত কোৱা হৈছে-'আছে'। আকৌ (খ) প্ৰশ্নত সুধিছে গ্ৰাম্যাঞ্চলত সহজ লভ্য কৰিবলৈ সমবায় সমিতি সমূহক অধিক গুৰুত্ব দিয়া হব নেকি? উত্তৰত কৈছে হব পাৰে, সমবায় সমিতি সমূহৰ সামৰ্থ্য আৰু কৰ্মতৎপৰতাৰ ওপৰত নিৰ্ভৰ কৰে। আৰু (গ) ত সুধিছে গ্ৰাম্যাঞ্চলত যোগান ব্যৱস্থাৰ কিবা পৰিবৰ্ত্তন চৰকাৰে কৰিবনে? উত্তৰত কোৱা হৈছে প্ৰয়োজন অনুসৰি কৰা হব। এতিয়া দেখা গৈছে আমাৰ যিবিলাক অত্যন্ত প্ৰয়োজনীয় বয়-বস্তু আছে সেই বিলাকৰ ভিতৰত দাইল, নিমখ, মিঠাতেল ইত্যাদিৰ দাম দিনক দিনে বৃদ্ধি পাইছে। আচলতে এইবিলাক কৃত্ৰিম অনাটনৰ কাৰণে বৃদ্ধি হৈছে, প্ৰকৃততে বস্তুৰ মূল্য এনেভাবে বৃদ্ধি পাব নালাগিছিল এইবিলাক কৃত্ৰিম অনাটন হৈছে আমাৰ ইয়াত ব্যৱসায় কৰি থকা ব্যক্তিগত ব্যৱসায়ী সকলৰ আৰু অধিক মুনাফা কাৰী সকলক সুবিধা দিয়াবৰ কাৰণে এই কৃত্ৰিম অনাটনৰ সৃষ্টি হয়। কামৰূপ বণিক সংস্থাৰ ১০-৩-৭৮ তাৰিখৰ নিউজ বুলেটিন খনত নিত্য প্ৰয়োজনীয় বস্তুৰ পাইকাৰী মূল্য মচুৰ দাইল

কুইন্টলত ৩০০ ৰ পৰা ৩৫৫ টকা, মিঠাতেল টিনত ১৫০ ৰ পৰা ১৫৫ টকা আৰু নিমখ বস্তাত ২২.২৭ পইচা গতিকে অসম তথা ভাৰতবৰ্ষত সেই সময় চোৰাৰ ভিতৰত এনে এটা বিশেষ পৰিস্থিতি উদ্ভৱ হোৱা নাই আৰু এই তিনিবিধ বস্তু অসমত নাইকিয়া হৈ অসমত এটা মাৰাত্মক অৱস্থাৰ সৃষ্টি হোৱা নাই যাৰ ফলত ততাতয়াকৈ যোমান বিভাগৰ বিষয়া আৰু বণিক সংস্থা বহি প্ৰতিবিধ বস্তুৰে বৰ্দ্ধিত মূল্য ধৰি স্বেচ্ছামূলক দাম নিৰ্দ্ধাৰণ কৰিব লগীয়া হয়। এই ব্যৱসায়ী সকলৰ হেচাতেই অসম চৰকাৰে 'ষ্টেটফেদৰ' হাতৰ পৰা নিমখৰ কাৰবাৰ ব্যক্তিগত ব্যৱসায়ীৰ হাতত এৰি দিয়ে। নিমখ অনাৰ কাতণে কোন ব্যৱসায়ীয়ে কিমান ৰেক নিমখ আনিব তাৰ এখন তালিকা যোগান বিভাগৰ পৰা ডাঙি ধৰে। এই তালিকাখন চালে দেখা যায় যে মাত্ৰ তিনিজন ব্যৱসায়ীকে বিভিন্ন ভিন ভিন নামত অসমৰ বিভিন্ন ঠাইত মুঠ ১৬৫ ৰেক নিমখৰ ভিতৰত ১৩১ ৰেক নিমখৰ পাৰ্মিট পাইছে। অকল মালচান্দ মতিলালেই বিভিন্ন নামত আৰু ঠিকনাত ৬২ ৰেক নিমখ অনাৰ পাৰ্মিট পাইছে। এইদৰে নিমখৰ একচেটিয়া ব্যৱসায় সৃষ্টি কৰি এনে কি নিমখ আহি নোপোৱাতেই ৰেইলওৱে ৰচিদ আৰ, আৰ, বিক্ৰী কৰাৰ সুবিধা দি নিমখৰ বজাৰত অৰাজকতা আনিছে আৰু ব্যৱসায়ীক ইচ্ছামতে মুনাফা লুটিবলৈ সুবিধা দিছে। আচৰিত কথা যে অসমৰ যিখন ঠাইত নিমখৰ ষ্টক বেচি কৰিছে সেইখন ঠাইতেই নিমখৰ নাটনি হৈছে আৰু সেই ঠাইতেই নিমখৰ দাম অতিপাত বৃদ্ধি হৈছে। উদাহৰণ স্বৰূপে ১৯-৪-৭৮ তাৰিখে যোগান বিভাগৰ সঞ্চালকৰ পৰা যোগান সচিবলৈ দিয়া চিঠিৰ দ্বাৰা জনোৱা মতে জনা যায় যে সেই তাৰিখে অসম উপত্যকাৰ গোটেই কেইখন জিলাতে নিমখ আছে ২৩,০১৫ বস্তা কিন্তু অকল কাছাৰ আৰু হাইলাকান্দীত নিমখ জমা আছে ২৮,৯৪৭ বস্তা আৰু ট্ৰেঞ্জিতত ১৫০০ বস্তা। এইদৰে শিলচৰ আৰু হাইলাকান্দিত নিমখ জমা হোৱাৰ কাৰণ কি ?ওচৰৰ বাংলাদেশত সেই সময়ত নিমখৰ কিলো ৫.০০ টকা পৰ্য্যন্ত হৈছিল সেই কাৰণেই এই ব্যৱস্থা হৈছিল নেকি ব্যক্তিগত ব্যৱসায়ীয়ে ইয়াৰ দ্বাৰা অধিক মুনাফা লাভ কৰে। এইটো আৰু চাবলগীয়া কথা যে ভাৰতবৰ্ষত কেইজনমান ব্যক্তিগত ব্যৱসায়ীয়ে কেনেদৰে একচেটীয়া ব্যৱসায় কৰি দিনক দিনে তেওঁলোকে পুজি টনকিয়াল কৰিছে। ইয়াৰ ভিতৰত টাটা, বীৰলা মফতলাল, চিংঘানিয়া এই কেইজন ব্যৱসায়ীৰ ১৯৬২ চনত কিমান কেপিটেল আছিল আৰু এতিয়া ১৯৭৫ চনত কিমান বৃদ্ধি হল চালে বুজিব।

১৯৬২ চনত টাটাৰ ৬৮৯,৯১ কোটি টকা আৰু ১৯৭৫ চনত গৈ ১০৬০,০৪ হয়গৈ ১৯৬২ চনত বিৰ্লাৰ ৩৩৩,৪ " „— ৯৫৬'১১ কোটি হয়গৈ ১৯৬২ চনত মফতলালৰ ১৯০,০০ আৰু ১৯৭৫ চনত ৩৩৭,১৯ কোটি হয়গৈ ১৯৬২ চনত চিং হানিয়াৰ ১০৩,০৫ আৰু ১৯৭৫ চনত ১৯৮,৮৭ কোটি টকা হয়গৈ।

এই ধৰণে ব্যক্তিগত ব্যৱসায়ীক মুনাফা কাৰী সকলক সুবিধা দি আহিছে আৰু আবেধে আমাৰ সম্পদ লুণ্ঠন কৰি নিয়াৰ সুবিধা দিছে।

যোগ ১৯৭৭ চনৰ পৰা পাইকাৰী মূল্য সূচিৰ তালিকা চালেই দেখিব অসমৰ হল চেলৰ প্ৰাইজ ইনদেক্স কেনে আছিল।

১৯৭৭ চনৰ জানুৱাৰী মাহত আছিল ৩৭০.২, ফেব্ৰুৱাৰীত আছিল ৩৭৬, আৰু মাৰ্চ্চ মাহত ৩৮৮.৭, সেইদৰে বিভিন্ন মাহত মূল্য সূচি কিছু বাঢ়ি গৈছে আৰু গড় হিচাবে ৪০৯' ত বৈছেগৈ। লগে লগে দেখা যায় যে 'ওৱৰ্কীং ক্লাচৰ কনজিউমাৰ প্ৰাইচ ইনদেক্স' ১৯৭৭ চনৰ জানুৱাৰী মাহত আছিল ৩৩২, ফেব্ৰুয়াৰীত ৩৩৮ মাৰ্চ্চত ৩৪৫, এপ্ৰিলত ৩৪৮, মেত ৩৫৮, জুনত ৩৭৪, জুলাইত ৩৭৯, আগষ্টত ৩৮৭, চেপ্তেম্বৰত ৩৯৫, অক্টোবৰত ৩৭৭, নভেম্বৰত ৩৮৬, ডিচেম্বৰত ৩৮২, মুঠ হিচাবে ৩৬৭ হয়গৈ।

গতিকে এই কথাৰ পৰাই বুজিব পাৰি যে আমি সৰু সুৰা দোকানী বিলাকক বদনাম দি থাকি লাভ নাই, ইয়াৰ কাৰণে সৰু সৰা দোকানী বিলাকক দোষ দি লাভ নাই। এই যিবিলাক হোল চেল ব্যৱসায়ী বিলাকে এনেবিলাক কাৰ্য্য কৰে, এই সকলক অবাধে সুযোগ দিয়াৰ কাৰণে আজি

এনে হবলৈ পাইছে। আমাৰ দেশত আজি শতকৰা ৭৪ জন মানুহ দৰীদ্ৰ সীমা ৰেখাৰ তলত আছে, এই লোক সকলৰ গৰীব অবস্থাৰ সুযোগ লৈ এই একচেতিয়া ব্যৱসায়ী সকলে ইচ্ছা মতে বস্তুৰ দাম বঢ়াই দি অধিক মুনাফা লাভ কৰিছে। এনেবিলাক কাৰণতেই আজি আমাৰ দেশত গৰীব সকল দিনক দিন গৰীব হৈ গৈছে আৰু ধনী সকল আগতকৈ বেচি ধনী হৈছে। ৰাজহুৱা বিতৰণ আজি শক্তিশালী হোৱা নাই গতিকেই আজি এই ৰাজহুৱা বিতৰণ শক্তিশালী কৰিবলৈ হলে 'পপুলাৰ চুপাৰবিশ্যন' থাকিব লাগিব। আজি ভাৰত বৰ্ষৰ উদ্যোগপতি আৰু ডাঙৰ কোটি পতি ব্যৱসায়ী সকলৰ ওপৰত কোনো ধৰণৰ শাস্তিমূলক ব্যৱস্থা লব পৰা নাই, কেৱল তেওঁলোকক অনুনয় কৰা হব তমুনয় কৰা হব যদিহে তেওঁলোকে নিত্য-ব্যৱহাৰ্য্য বস্তু বা আন বস্তুৰ দাম নকমাই, তাকে কৈ থাকিলে কোনো ফল নধৰিব।

এইবিলাক ধনীক শ্ৰেণীৰ বেপাৰীক অকল ভাবুকি দি থাকিলেই নহব তেওঁলোকে চৰকাৰৰ ভাবুকিত বস্তুৰ দাম কেতিয়াও নকমায়। প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইয়ে উদ্যোম প্ৰতি সকলক কাকুতি মিনতি কৰিছে যে দাম নকমালে একশ্যন লব বুলি কয়, কিন্তু এই একশ্যনৰ দ্বাৰা কোনো লাভ নহব। এই বেপাৰী সকলে আমাৰ দেশৰ মানুহ বিলাকৰ দুখীয়া আৰু জড়াতা আৰু শোচনীয় অৱস্থাৰ সুযোগ লৈ বস্তু-বাহানীৰ দাম দিনক দিন বঢ়াই দি আজি সমাজ-বাদৰ নীতিৰ ওপৰত নানা ভাবে প্ৰহাৰ কৰিছে। সমাজ-বাদৰ নিয়মটো কেৱল কাগজত বা তুলাপাতত থাকিলেই নহব আৰু তাৰ ওপৰতেই নিৰ্ভৰ কৰিলে একো লাভ নহব। ইয়াক কাৰ্য্যত পৰিণত কৰিব লাগিব। পুঁজিবাদৰ বিকাশৰ ক্ষেত্ৰত আজি চাওক ভাৰতবৰ্ষত বয়-বস্তুৰ দাম আন্তৰাষ্ট্ৰিয় বজাৰৰ লগত কেনে ভাবে 'ফাকচুৱেট' কৰিছে আৰু পৃথিবীৰ আন আন দেশত কেনেদৰে বস্তুৰ দাম কমিছে বা বাঢ়িছে সেইটো তলত দিয়া তালিকাৰ পৰা ধৰিব পাৰিব। চচিয়েলিষ্ট দেশবিলাকত নিবন্দুৱা সমস্যা আৰু মূল্য সূচীৰ বৃদ্ধি হোৱা নাই। আমেৰিকা আৰু ৰুচৰ শেষান্ত তুলনামূলক প্ৰাইচ ইনদেক্স চালেই দেখা পাব। ধৰক ফুদ ইনদেক্সত আমেৰিকাত ১৪১ আৰু ৰাচিয়াত ১০০.৮ আৰু চাউলৰ ক্ষেত্ৰত আমেৰিকাত ২২৪ আৰু ৰাচিয়াত ১০০, মাংসত ১৪০ আৰু ৰাচিয়াত ১০০, মাছত ১৫৯ আৰু ১০৫, এদিয়েবোল অইলত ১৮৬ আৰু ১০০, মৈদাত ২২৪ আৰু ১০০ গখীৰত, ১৪৫ আৰু ১০০, চেনিত ২৪৯ আৰু ১০০ বুটিত ১৪৬ আৰু ১০০, আলুত ১৮৯ আৰু ৯৯, কণীত ১২৮ আৰু ১০০। এইটোয়েই অৱস্থা দেখা যায়। গতিকে আমাৰ যিটো সমস্যা আজি উদ্ভৱ হৈছে সেই সমস্যাৰ সমাধান আজি আমি নিজেই কৰিব লাগিব আৰু আমাৰ ইয়াত সমাজবাদৰ যিটো চিচটেম, তাৰ প্ৰকৃত ব্যৱহাৰ স্পষ্ট ভাবে কৰিব লাগিব অৰ্থাৎ সামাজিক ব্যৱস্থাৰ পৰিবৰ্ত্তন সাধিব লাগিব নহলে যি সমস্যা আজি আমাৰ আগত থিয় হৈছে সেইটো চিৰদিনেই তেনে ভাবেই থাকিব। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বহুত যুদ্ধৰ আগৰ কথা কোৱা যেন লাগিছিল। তেখেতে যি ধৰণে আৰম্ভ কৰিছে আৰু যি ধৰণে শেষ কৰিছে—আমাক এবাৰ ৰাচিয়াত নি থেকেচা মাৰিছে আৰু এবাৰ ইউ, এচ, এত নি থেকেচা মাৰিছে। আমাৰ প্ৰশ্ন আছিল অসম দেশ খনে খাবলৈ পোৱা ব্যৱস্থা সম্পৰ্কত। তেখেতে আৰম্ভনিতে কৈছে ইয়াত এনেকুৱা এটা অৱস্থা হৈছে সকলোৱে মতিলাল কুথাৰিৰ কথাহে কয়, সকলোৰে মুখে মুখে মতিলাল কুথাৰিৰ নামটোহে শুনা যায়। মটিলাল কুঠাৰিক আপোনালোকে হে চিনি পায়, কোনো মতিলাল কুথাৰি আমি চিনি নাপাও।

*শ্ৰীঅতুল গোস্বামী :—অধ্যক্ষ মহোদয়, মতিলাল কুথাৰিক সকলোৱে চিনি পোৱা উচিত বিশেষকৈ মন্ত্ৰী মহোদয় সকলে। নহলে কোতিয়াবা ঘাইল কৰিব। গতিকে ভালকৈ দমন কৰি ৰখাৰ ব্যৱস্থা কৰিব।

---

*Speech not corrected.

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :--গতিকে মই কব খুজিছো, আগৰ চৰকাৰে কিবা কাৰণত, খুব সম্ভব ৰাজনৈতিক কাৰণতেই হব যিটো চৰকাৰী দলৰ লগত আমাৰ মাননীয় সদস্য সকলে কলা সাশনৰ দিনত সহযোগ কৰিছিল।

*শ্ৰীযোগেন গগৈ :—সেই সময়ত আমি কোনো সমৰ্থনত নাছিলো। প্ৰয়োজনীয় ক্ষেত্ৰতহে দুই এটা মতামত দিছিলো। তেনেকৈ কলে অন্যায় হব।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :—কলা সাশনৰ দিনত আপোনালোক বাহিৰত আছিল আৰু আমি ভিতৰত আছিলো।

(ভইচ—কথাযাৰ বৰ কেনেবা লাগিছে)

গতিকে কাৰোবাৰ কাণত কেনেবা কেনেবা লাগিলেও কথাষাৰ বেয়াকৈ কোৱা নাই।

*শ্ৰীখগেন বৰবৰুৱা :—ৰাচিয়া আৰু আমেৰিকাৰ কথা উপমা হিচাবে কোৱাত মই ভাবো একো কথা নাই। কাৰণ আদৰ্শ লবলৈ হলে উপমা দিব লাগে।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :—(মন্ত্ৰী) এই বিষয় বস্তুটো সীমিত। অসমৰ ডিচট্ৰিবিউচনৰ কথা আছে বৰ্দ্ধিয়াত পেলাব নোৱাৰে। বৰ্দ্ধিয়াৰ পৰা অসমলৈ বস্তু নাহে আৰু অসমৰ পৰাও বৰ্দ্ধিয়ালৈ বস্তু নাযায়। গতিকে আমাৰ অসমীয়াত এটা কথা আছে "কাৰ পিয়াহত কোনে খায় পানী, কাৰ ভাগিন কাৰ হয় হানি।"

গতিকে আজি কৰবাত খোছ মাৰোতে কৰবাতহে লাগিল। গতিকে আমাৰ বিষয় বস্তু আমাৰ ৰাজ্যৰ সীমাত আবদ্ধ হৈ আছে। যি কাৰণতেই নহওক সেই সময়ত, তীক্ষ্ণ দৃষ্টিত থকা সকলে মালচান্দ মতিলাল কঠাৰীক নেদেখিলে। কিন্তু আজি যেতিয়া আমি তেখেতক ইয়াৰ পৰা বিদায় দিলো, তেতিয়াহে সকলোৰে নজৰত পৰিল। মাৰ্চৰ ২৯ তাৰিখে মতিলাল কুঠাৰীক বিদায় দি ষ্টেড্-ফেদৰ যোগেদি নিমখৰ চাপলাইৰ ব্যৱস্থা কৰা হৈছে। এতিয়া আমি যদি কওঁ সকলোৰে জাপিয়াই উঠিব। অনুসন্ধান কৰি পোৱা গৈছে, সেইটো ৰাজনৈতিক কাৰণত আদান প্ৰদানৰ বিনিময়ত বেচৰকাৰী প্ৰতিস্থান এটাৰ পৰা লাইচেঞ্চ দিয়া হৈছিল। সেই লাইচেঞ্চ আমি বদ কৰিছো। সেই বিষয়ৰ সকলোকে আমাৰ ওচৰৰ পৰা আতৰাই পঠাইছো আৰু মন্ত্ৰ হিচাবে ৰাইজক বিতৰণ ব্যৱস্থা গ্ৰহণ কৰিছো। সেই গ্ৰহণৰ যোগেদি বিশেষকৈ ৰাইজৰ মাজত সস্তা দামত কেইটামান বস্তু যেনে এমুঠি দাইল, এমুঠি চাউল, অলপ মিঠাতেল, অলপ কেৰাচিন আৰু ষ্টেনৰ্ডাদ ক্লথ দিবলৈ চেষ্টা কৰিছো। ষ্টেনডাদ ক্লথৰ বাহিৰে বাকী বস্তুৰ বিতৰণ হবলৈ আৰম্ভ কৰিছে। গতিকে বৰ্ত্তমান যোগান বিভাগ, সমবায় আৰু ষ্টেডফেডৰ সহযোগেদি যিমান কাম কৰিছো তাৰে খুটিনাটি ডাঙি ধৰিলে ভাল হয়। নহলে পোচাকৰ যিদৰে সমন্বয় বিছাৰি ফুৰা হয়, তেনেধৰণৰ কথা কলে কোনো কামত নাহে। যদিও আমাৰ প্ৰদেশৰ সকলো ফালৰ ৰিপোৰ্ট এখোপ আগ বাঢ়িছে আৰু ৰাইজৰ মাজলৈ আমি সোমাই গৈছো এই ক্ষেত্ৰত আপোনালোকৰ বিশেষ সহযোগ আমাক লাগে আমাৰ মাননীয় সদস্য সকলে কোৱাৰ দৰে বৰপেটাৰ জনীয়া সমষ্টিৰ সদস্যও আলোচনা প্ৰসংগত কৈছে প্ৰত্যেকেই প্ৰত্যেকৰ দায়িত্ব পালন কৰিব লাগে। আমাৰ মাননীয় সদস্য বৰবৰুৱা ডাঙৰীয়াই কৈছে আমি ইয়াত সমালোচনা কৰাত নাই। মোৰ কথা হৈছে যদি বেয়া কথা আছে তেতিয়া হলে সহযোগ কৰি আদৰ্শ দেখুৱাক যাতে কাৰ্য্যকৰি হব পাৰে। তাৰেহে ব্যৱস্থা কৰিব লাগে নহলে কিবা বেয়া কাম কৰিবলৈ আপোনালোকেই নহয় ৰাইজে আমাক বাহিৰ কৰি উলিয়াই দিব।

---

*Speech not corrected.

গতিকে এই পাব্লিক ডিষ্ট্ৰিবিউচনৰ কথা কবলৈ বা আলোচনা কৰিবলৈ গলে যথেষ্ট সময় লব। ইয়াত এতিয়ানিমখৰ কথা ওলাইছে। মই সদনক জনাবলৈ পাই সুখী হৈছো যে—আমাক যিমানখিনি নিমখ লাগিছিল-তাতোকৈ বেছি নিমখ আহিছে। অৱশ্যে কৰিমগঞ্জ আৰু সীমান্ত অঞ্চল বিলাকত নিমখৰ কিছু খেলিমেলি হৈছিল কাৰণে সেই অঞ্চল বিলাকত অনুসন্ধান কৰা হৈছিল আৰু এতিয়া সেইটো সমস্যা সমাপ্ত হৈছে। ইয়াত এটা কথা আছে যে দেশৰ স্বাৰ্থৰ খাতিৰত কিছুমান কথা প্ৰকাশ কৰিবলৈ অসুবিধা হয়। সময় আৰু সুবিধা যদি হয় আৰু অকস্মাই যদি বাধ্য কৰে তেতিয়া হলে সময় সাপেক্ষে সেইবিলাক আপোনালোকৰ আগত প্ৰকাশ কৰা হব।

Shri **BANESWAR SAIKIA :** Sir, will the Hon'ble Minister, Supply kindly entighten us if the price of salt can be reduced ?

Shri **DULAL CHANDRA BARUA** ( Minister ) Yes, Sir, আমাৰ অসমত মই যিটো খবৰ পাইছো-সেইমতে হাফ্লং আৰু উত্তৰ কাছাৰ অঞ্চলত কিছু নিমখৰ দাম বাঢ়িছিল আৰু বাকী সকলো ঠাইতে নিমখৰ দাম কমিছে। এতিয়া ৩০-৪০ পইচাৰ ভিতৰত নিমখ পোৱা যায়।

**Shri BANESWAR SAIKIA**—Sir, at present the salt is procured rom Gujrat and the cost per bag covering the carriage charge comes to Rs. 22·50 p. from Gujrat to Gauhati. But, sir, if the salt is procured from Tutocorin, perhaps the price per bag will come down to Rs.17 to 18 Considering this, will the Government explore the possibility of procuring the salt from Tuticorin ?

Shri DULAL CHANDRA BARUA (Minister)—Yes, sir, we will explore the possibility of procuring the salt from Tutocorin but the whole problem is that how to bring the salt by railway.

Shri BANESWAR SAIKIA—I think you may also utilise the waterways ?

Shri DULAL CHANDRA BARUA (Minister)—Yes, that is true, sir. But it is a national problem. The agreement between the Government of Bangladesh and the Government of India is not yet finalised As soon as the agreement is finalised, we will try to utilise the waterways.

*শ্ৰীএ, এন, আক্ৰাম হুছেইন:—অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অব ক্লিয়াৰিফিকেচন আছে। মই জানো যে আমাৰ খাদ্য মন্ত্ৰী ডাঙৰীয়াই বহুত খিনি প্ৰবিশ্ৰম কৰিছে বস্তুৰ দাম কমাবৰ নিমিত্তে। তেখেতে নিমখ দিছে সচাঁ কিন্তু তেখেতে নিমখৰ দাম কম হৈছে বুলি যিটো কথা প্ৰকাশ কৰিলে সেইটোত মই আচৰিত হৈছো। কাৰণ কালি ৰাজধানীৰ এই গণেশ গুৰিতেই আমি নিমখ ৮০ পইচাত কিনিছো। কেচমেমো পৰ্য্যন্ত মই আনিছিলোঁ-কিন্তু তেখেতে প্ৰশ্নোত্তৰৰ কালত অনুপস্থিত আছিল কাৰণে দিয়া নহল।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী):—এই বিলাক ক্ষেত্ৰত কেচমেমো নাথাকিলে বিশ্বাস কৰিব নোৱাৰো। আমি মন্ত্ৰী সকলে কৰবাত কেনেবাকৈ সেইফালে যাওঁতে এখন দোকান চাব পাৰো তাৰ বাহিৰে মন্ত্ৰীসকলে দোকানে দোকানে গৈ হিচাব কৰি চোৱাতো সম্ভৱ নহয়। যদি প্ৰকৃততে তেনে ধৰণৰ কিবা দামদৰ লৈছে-তেতিয়াহলে তাৰ বছিদ দিব আৰু যিসকল বিষয়াই আমাক খবৰ দিছে তেতিয়া সেই বিষয়া সকলৰ বিৰোদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হব।

*Speech not corrected.

*শ্ৰীএ, এন, আক্ৰাম হুছেইন ঃ—টেবুল চল্ট বুলি আমাক বিক্ৰি কৰিছে সেইটো মন্ত্ৰীয়ে চাব লাগে। গতিকে কোনো ব্যৱসায়ীক যিকোনো নিমখকে পেকেটত ভৰাই টেবুল চল্ট বুলি বিক্ৰি কৰিবলৈ ধৰিছে সেইটো বন্ধ কৰিব লাগে। আমি দেখিছো পেকেটত ডাঙৰ মোটা নিমখ সোমোৱাই আৰু তাকে টেবুল চল্ট বুলি বিক্ৰী কৰিছে সেইটো বন্ধ কৰিবলৈ মই দাবী জনাইছো।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ—(মন্ত্ৰী) মই দুৰ্বাস্থাত গাঁৱত জন্ম হলেও টাউনত ডাঙৰ দীঘল হৈছো কিন্তু আনৰ দৰে টাউনত বা চহৰত সোণৰ চামোচ মুখত দি ৰূপৰ চামোচ মুখত দি জন্ম গ্ৰহণ কৰা নাই। গতিকে আনক আওপথে পৰিচালিত কৰিব পাৰিলেও অন্ততঃ মোক নোৱাৰে। আজি কোনোবা বিষয়াই ভুল খবৰ দিব পাৰে কিন্তু কালিলৈ সেইটো কৰিব নোৱাৰিব। গতিকে বস্তু কিনাৰ ৰচিদখন দিলে বেছি ভাল হয়।

গতিকে এই কথাটো এই শিতানত আকৌ আহিব তেতিয়া আপোনালোকে পুনৰ আলোচনা কৰিবলৈ সুবিধা পাব আৰু সেই সময়ত সম্পূৰ্ণ বিবৰণ ডাঙি ধৰা হব। তাৰ পাছত মই ভাবো এইটো আপোনালোকে শুনি সুখী হব যে— আমাৰ ষ্টেটফেড, সমবায়, যোগান আৰু ভাৰতীয় খাদ্য নিগমে—আমি সকলোৱে এটা চেষ্টাৰত ক-পাৰেটিভ এজেন্সীৰ সৈতে সকলোৱে গোটাইমল খাই ৰাইজক সকলো প্ৰকাৰে সহায় কৰিবলৈ এটা চেষ্টা চলাইছো। আপোনালোকে শুনি সন্তোষ পাব যে আমাৰ ষ্টেটফেডৰ জৰিয়তে ৫০-৫৫ কোটি টকাৰ এটা বজাৰ চলাবলৈ ধৰিছো। তাত যদি কিবা অসুবিধা হয় তেতিয়াহলে আপোনালোকে আমাক জনাব। আমি সফলতা হব পাৰো নে নোৱাৰো, কব নোৱাৰো, কিন্তু বস্তুৰ দাম কমাব নোৱাৰিলেও যাতে বস্তুৰ দাম বাঢ়িব নোৱাৰে তাৰ কাৰণে চেষ্টা কৰিছো। এই ক্ষেত্ৰত সকলো ফালৰ পৰাই আপোনালোকৰ সহায় সহযোগ কামনা কৰিছো। বাকী যিবিলাকখবৰ লাগে ইয়াৰ ভিতৰত সদনত যিখিনি আলোচনা হৈছে—সেইখিনি খবৰ মোৰ হাতত আছে। এই শিতানত যেতিয়া আকৌ আলোচনা হব তেতিয়া সম্পূৰ্ণ বিৱৰণ দাঙি ধৰা হয়। গতিকে মাননীয় সদস্য শ্ৰীগগৈ দেৱে যিটো ভাবিছে যে— তেখেত সকলৰ যিমানদুৰ মনপলিণ্টৰ পৰা আঁতৰত বৰ্ত্তমান জনতা চৰকাৰেও তাতোতকৈ বহুত আতৰত। তেওলোকৰ লগত আমাৰ কোনো ধৰণৰ সমন্ধ নাই। ইয়াত গোঠাই থাকি কোনো লাভ নাই। ঘৰিয়ালৰ দৰে চকুৰে মুখে মিঠাতেল দি জনসাধাৰণৰ ওচৰত গৈ কান্দি দেখুৱাব বিচৰা নাই। গতিকে মই আপোনালোকক সানুনয়ে অনুৰোধ কৰিছো— ইয়াত যিবিলাক বিষয় বস্তুৰ কথা আলোচনা কৰিবলৈ লৈছো সেইবিলাক হহাঁ বস্তু নহয় একোটা গুৰুত্বপূৰ্ণ বিষয় বস্তু। বৰ্ত্তমান আমাৰ যিটো পদ্ধতিত চলাব ধৰিছো তাত আপোনালোকে কেনেকৈ সহযোগ কৰিব পাৰে তাৰ বাবে আপোনালোকক অনুৰোধ কৰিছো। মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই যি পৰামৰ্শ দিছে সেই পৰামৰ্শ মতে ষ্টেট লেভেলত এডভাইচৰী কমিটি আৰু জিলা পৰ্য্যন্ত কমিটি আছে—তাত মাননীয় সদস্য সকলো আছে। গাওঁ পঞ্চায়ত লেভেলত যিখিনি দায়িত্ব দিছো সেইখিনি সুকলমে পালন কৰিলে নিশ্চয় কাম হব। গতিকে যত ডিফেক্ট হয়, পদ্ধতিটো কাৰ্য্য কৰী নহবও পাৰে, এই ক্ষেত্ৰত আপোনালোকৰ যদি পৰামৰ্শ থাকে দোষ দেখিলে ব্যঙ্গ সমলোচনা নকৰি দোষ-ত্ৰুটিবোৰ দেখুৱাই দিলে—আপোনালোকৰ নিৰ্দ্দেশ আশীৰ্বাদ হিচাবে নিশ্চয় মানি লৈ বিহিত ব্যৱস্থা কৰিম। এই সম্পৰ্কত আজি যি ব্যৱস্থা গ্ৰহণ কৰিছো এই ব্যৱস্থা গোটেই প্ৰদেশত চলাব বিচাৰিছো। ৰাইজৰ সুলভ মূল্যত বস্তু বাহানি কেইটামান যোগান ধৰাৰ ব্যৱস্থা কৰিছো। এই ক্ষেত্ৰত আপোনালোকৰ সহায় সহযোগিতা কামনা কৰিছো। আপোনালোকে দোষ ত্ৰুটি যদি আঙুলিয়াই দিয়ে বৰ সন্তোষ পাম আৰু সেইমতে কাম কৰিম। এই শিতানত যেতিয়া আলোচনা হব তেতিয়া এই সকলো কথা সদনত দাঙি ধৰিম।

শ্ৰীগোলোক ৰাজবংশী ঃ—যদি বেছি দূৰ নাযাও— বাছিয়া চীনলৈও নাযাও —মই ৰাজধানীৰ কথাকেই কব বিছাৰিছো। মচুৰ দাইল কিনিছো খাব নোৱাৰি। অকল সুলভ মূল্য হলেই নহব—খাব পৰা বস্তু হব লাগিব। ৰাজধানীৰ যিখন সমবায় দোকান আছে তাৰ পৰা মচুৰ দাইল আনিছো তিনিবাৰ

*Speech not corrected.

সিজালেও গোন্ধ নমৰে। গতিকে নিসিজা দাইল তিনি টকাত কিনিলেও কোনো লাভ নহয়। ৰঙাজান বালিপাৰা গাঁও পঞ্চায়তত মচুৰ দাইল নাই। টাউনৰ ভূতপূৰ্ব্ব চেম্বাৰচ্ অব্ কৰ্মাচৰ চেক্ৰেটৰী জনে কলে— দাইল দুভাগ আছে। এভাগৰ দাম তিনি টকা আৰু আন ভাগৰ দাম চাৰে তিনি টকা। তিনি টকাৰটো খাব নোৱাৰি, চাৰে তিনি টকাৰটো খাব পাৰি। গতিকে সুলভ মূল্যত খাব পৰা বস্তুৰ যোগান ধৰিব লাগিব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) ঃ—মই এটা কথা সদনত জনাব বিচাৰিছো যে— এই ব্যৱস্থাটো এক শ্ৰেণীৰ মানুহে বৰ ভাল পোৱা নাই। সেই শ্ৰেণীৰ মানুহে এই বিলাক ব্যৰ্থ কৰিব কাৰণে, নানা ষড়যন্ত্ৰ চলাব। এই ক্ষেত্ৰত আপোনালোকক সানুনয়ে অনুৰোধ কৰিছো আপোনালোকৰ যদি সহযোগ থাকে, দৃঢ়তা থাকে, চৰকাৰে ব্যৱস্থা লব পাৰিব। তাৰ কাৰণে মই আপোনালোকৰ সহযোগিতা কামনা কৰিছো। লগতে মাননীয় সদস্যই যিটো কৈছে-- তাত দেখা গৈছে দুই কেজিত ৪০ পইচাৰ ৰছিদ দিছে।

## ADJOURNMENT

Mr. SPEAKER : Half an hour discussion is over. Now, the House stands adjourned till 10 A. M. tomorrow.

The House then rose at 5-30 P. M. and stood adjoured till 10 A.M. on Thursday, the 8th June, 1978.

Dated, Dispur
The 7th June, 197 .

P. D. BARUA,
Secreetary,
Assam Legislative Assembly.

AGP. ( L. A. ) 624/80—1350—4-1-84.